

টিগাঁব
মহাবিদ্যালয়
আলোচনা

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## বছৰেকীয়া প্ৰকাশ

একাদশ সংখ্যা
১৯৮৭-৮৮


পৃষ্ঠপোষক :
ড° প্ৰফুল্ল কুমাৰ ভূঞা

সম্পাদক :
পবিত্ৰ কুমাৰ গগৈ

# ডিগবৈ মহাবিদ্যালয় আলোচনী

● সম্পাদনা সমিতি

পৃষ্ঠপোষক ঃ
অধ্যক্ষ ড° প্ৰফুল্ল কুমাৰ ভূঞা

ভাৰপ্ৰাপ্ত অধ্যাপক ঃ
শ্ৰীযুত মদন মোহন চৌধুৰী

সদস্য ঃ

অধ্যাপক শ্ৰীযুত বিনোদ গগৈ
" " পূৰ্ণানন্দ শইকীয়া
অধ্যাপিকা শ্ৰীমতী অনু বৰগোহাঁই (গগৈ)
" " ৰঞ্জুমণি দত্ত
শ্ৰীদ্বিপেন কুমাৰ বড়া
" ৰঞ্জিত ফুকন
" সীমন্ত মাধৱ কটকী
শ্ৰীমতী ৰিণি বড়া

সম্পাদক ঃ

শ্ৰীপবিত্ৰ কুমাৰ গগৈ

বেটুপাত ঃ
শ্ৰীপঙ্কজ গোস্বামী

মুদ্ৰক ঃ
শ্ৰীহিমেন ভট্টাচাৰ্য
দি অসম পেপাৰ ইণ্ডাষ্ট্ৰী
খ/৫, চৰকাৰী ঊদ্যোগিক পাম
বৰগুৰি - ৭৮৬ ১২৬
তিনিচুকীয়া ● অসম

অসম সাহিত্য সভাৰ
প্ৰাক্তন সভাপতি আৰু বিশিষ্ট
সাহিত্যিক সমালোচক
স্বৰ্গীয় ত্ৰৈলোক্য গোস্বামীৰ
পবিত্ৰ স্মৃতিত

আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলোঁ।


সম্পাদনা সমিতি
ডিগবৈ মহাবিদ্যালয় আলোচনী



জাতীয় আন্দোলনৰ শ্বহীদসকলৰ পবিত্ৰ স্মৃতিত নিৰ্মাণ কৰা
ডিগবৈ মহাবিদ্যালয়ৰ

॥ শ্বহীদ বেদী ॥

## শ্ৰদ্ধাৰে সুঁৱৰিছোঁ



আমাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক বাণিজ্য শাখাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ ৺মাধৱ প্ৰসাদ জয়শ্ৰী ২৫-২-৮৮ তাৰিখে হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে।

আমি

ডিগবৈ মহাবিদ্যালয় আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা তেওঁৰ পবিত্ৰ স্মৃতিত গভীৰ সমবেদনা জ্ঞাপন কৰি আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

শ্ৰীবৃন্দাবন গোস্বামী
মন্ত্ৰী
শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা
আৰু পৰিবেশ



অসম চৰকাৰ

তাং ৩-৫-৮৮

প্ৰতি,

শ্ৰীপবিত্ৰ কুমাৰ গগৈ, সম্পাদক
ডিগবৈ মহাবিদ্যালয় আলোচনী
ডিগবৈ

ডিগবৈ মহাবিদ্যালয়ৰ একাদশ সংখ্যা মুখপত্ৰখনি প্ৰকাশ কৰিবলৈ দিহা কৰা বুলি জানি মোৰ আন্তৰিক শুভ কামনা জনালো। এই মুখপত্ৰখনিৰ মাধ্যমেৰে ডিগবৈ মহাবিদ্যালয়ৰ সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীসকলৰ ন ন চিন্তাৰ নিশ্চয় উন্মেষ হ'ব।

চিন্তা, ভাব প্ৰকাশৰ মাধ্যম হৈছে ভাষা। উচ্চ চিন্তাৰ সমাবেশে ভাষাক চহকী কৰে। আমাৰ ভাষা সাহিত্যক চহকী কৰিবৰ কাৰণে তৰুণ শক্তিৰ ন ন চিন্তাই অৰিহণা যোগাব লাগিব। তেনে এক শুভ প্ৰচেষ্টা ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনত প্ৰকাশ পাব বুলি মই আশা কৰিলোঁ।

পুনৰ আটাইলৈ শুভকামনা জ্ঞাপন কৰিলোঁ।

জনতা ভৱন,
দিচপুৰ

স্বা/-
শিক্ষামন্ত্ৰী, অসম

*K. BORA, M. A., I. A. S. (Retd.)*
*Vice-Chancellor*

PHONE { OFFICE 20639 / RESIDENCE 200
DIBRUGARH UNIVERSITY
DIBRUGARH, Assam

ডিঃ বিঃ/উপাচাৰ্য/৮৮/৫৯৮

Date 7-8-88

প্ৰতি,

শ্ৰীপবিত্ৰ কুমাৰ গগৈ,
'সম্পাদক'
"ডিগবৈ মহাবিদ্যালয় আলোচনী"
ডিগবৈ, অসম।

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বছৰেকীয়া মুখপত্ৰখনি প্ৰকাশ কৰিবলৈ আয়োজন কৰাৰ বাতৰি পাই সুখী হৈছো। শিক্ষক/শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চা আৰু সৃজনী প্ৰতিভাৰে সমৃদ্ধ হৈ আলোচনীখনে যেন সমাজৰ উন্নতি সাধন কৰিব পাৰে তাৰবাবে যত্ন লয়। শেষত আলোচনীখনৰ বিষয়ববীয়াসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জনালো।

স্বা/-

উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়, অসম

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন : যোৰহাট ৭৮৫ ০০১ : ফোন ২০৩৭৬

গুৱাহাটী কাৰ্যালয় : ভগৱতীপ্ৰসাদ বৰুৱা ভৱন : গুৱাহাটী ৭৮১ ০০১ : ফোন ২৪৭৭৬

ডিফু কাৰ্যালয় : ৰাংছিনা ভৱন : ডিফু ৭৮২ ৪৬০

ঘৰৰ ফোন নং ২০৭৩৭

# Asam Sahitya Sabha

Central Office : Chandrakanta Handiqui Bhavan : Jorhat 785 001 : Phone 20376

Ghy. Office : Bhagavatiprasad Baruva Bhavan : Guwahati 781 001 : Phone 24776

Diphu Office : Rangsina Bhavan : Diphu 782 460

Res. Phone No. 20737

অমল ৰাজখোৱা, প্ৰধান সম্পাদক

Amal Rajkhowa, Gen. Secretary


আলোচনী বা মুখপত্ৰ এটি অনুষ্ঠানৰ দাপোন স্বৰূপ। ভাৰতবৰ্ষৰ ঐতিহ্যপূৰ্ণ তৈল নগৰী ডিগবৈৰ মহাবিদ্যায়খনিৰ আলোচনীখনেও সেই বিদ্যালয়ৰ ঐতিহ্যবহন কৰি আহিছে। আমি অতি সুখী হৈছোঁ যে, মহাবিদ্যালয়ৰ আলোচনীখনে একাদশ বছৰত ভৰি দিছে। একাদশ বৰ্ষীয় আলোচনীৰ মাজেদিও যেন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৃষ্টিশীল ভাব জগতৰ বাণী শুনিবলৈ পাওঁ—ইয়াকে কামনা কৰিলোঁ।

ইতি,

ভৱদীয়,

স্বা/-

(অমল ৰাজখোৱা)

প্ৰধান সম্পাদক

অসম সাহিত্য সভা

যোৰহাট-৭৮৫ ০০১

প্ৰতি,

শ্ৰীপবিত্ৰকুমাৰ গগৈ

সম্পাদক, আলোচনী বিভাগ

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ

একতা সভা

ডিগবৈ : ডিব্ৰুগড়

৭৮৬ ১৭১

## সূচীপত্র

সম্পাদকীয় —

প্ৰবন্ধৰ প্ৰকোষ্ঠত —

প্ৰদীপ কুমাৰ খাউন্দৰ শব্দ আৰু শব্দৰ প্ৰদূষণ/১
অলক দাসৰ শিক্ষাৰ দাবীত ছাত্ৰ আন্দোলন/৫
মনু বৰগোহাঁইৰ শংকৰদেৱৰ 'ৰুক্মিনীহৰণ
কাব্য'ত অসমীয়া জনজীৱনৰ ছবি/৭
চম্পা বৰাৰ বৰ্তমান সময়ত যুৱ-ছাত্ৰ সমাজৰ
দায়িত্ব আৰু কৰ্তব্য/১০
নিবেদিতা শইকীয়াৰ অসমীয়া সাহিত্যৰ
প্ৰথম গতিধাৰাত মিছনেৰীসকলৰ অৱদান/১৩

কবিতাৰ কৰণিত —

হিতেন শৰ্মাৰ পুৱালত পোহৰ বেলিৰ ৰাতি/১৬
বিনোদ গগৈৰ ৰাজধানী/১৭
চৈয়দা আকেলা খানমৰ ৰৌদ্ৰ লালসা/১৭
নীৰা ৰাজকোঁৱৰৰ এখন ছবি/১৭
ৰঞ্জুমণি দাসৰ আমি আৰু সিহঁত/১৮
জোনা শইকীয়াৰ একুৰা জুই/১৮
মাণিক বৰুৱাৰ নিয়ৰৰ কবিতা/১৯
নিৰঞ্জন দেউৰীৰ আবৰ্জনাবোৰ/১৯
বিকাশ বৰুৱাৰ সোণালী ভেটি প্ৰত্যয়ৰ/২০
বৈদ্যনাথ শইকীয়াৰ এই পথ/২০
ৰঞ্জিত ফুকনৰ শান্তি/২০

গল্পৰ অলপত —

হেমন্ত শৰ্মাৰ নিমিলা অঙ্ক/২১
নাৰ্জী বেগমৰ জীৱনৰ অন্য নাম ২৩
খলিল মৰাণৰ প্ৰেমৰ বাবে/২৬
বুধিন শইকীয়াৰ ঘৰতে পৰ/৩১
দীপেন কুমাৰ বড়াৰ চেনীবিলৰ ভাওনা/৩৫
প্ৰাঞ্জলী বৰগোহাঁইৰ অব্যক্ত ৰোদন/৩৮
ইয়াৰোপৰি

ৰসৰচনা—
বাসুদেৱ উপাধ্যায়ৰ হেৰি! আপুনি বিয়া পাতিলেনে/৩৯
সাক্ষাৎকাৰ—
কমলেশ্বৰ বৰাদেৱৰ সৈতে এখন্তেক/৪১

# সম্পাদকীয়

অসমৰ পূব প্ৰান্তত অৱস্থিত তৈল নগৰী ডিগবৈৰ বিভিন্ন জাতি ধৰ্ম আৰু ভাষা-ভাষী ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান ডিগবৈ মহাবিদ্যালয়। ১৯৬৫ চনৰ পৰা উজনি অসমৰ উচ্চ শিক্ষাৰ ইতিহাসত ডিগবৈ মহাবিদ্যালয়ৰ ঐতিহ্য মহান। এই মহান ঐতিহ্য আৰু অধিক শক্তিশালী কৰি তুলিব বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে। এখনি মহাবিদ্যালয় বহুতো ছাত্ৰ-ছাত্ৰীৰ একোটা জ্ঞানৰ ভাণ্ডাৰ। ডিগবৈ মহাবিদ্যালয়ে ইয়াৰ স্বাক্ষৰ বহন কৰি আহিছে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ শিক্ষা শেষ কৰি এই মহাবিদ্যালয়ত ভৰ্তি হয়হি জীৱনৰ বহুতো আশা, বহুতো স্বপ্ন আগত ৰাখি।

বছৰি বছৰি যিদৰে বহুতো নতুন নতুন ছাত্ৰ-ছাত্ৰী এই মহাবিদ্যালয়লৈ আহিছে সেইদৰে বছৰি বছৰি বহুতো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ শিক্ষা শেষ কৰি এই মহাবিদ্যালয়ৰ পৰা ওলাই গৈ নিজৰ কৰ্ম জীৱনৰ পাতনি মেলিছেগৈ। জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে অসমৰ উজনি অঞ্চলৰ বিভিন্ন স্থানৰ পৰা অহা সকলো সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই মহাবিদ্যালয়ত অধ্যয়ন কৰি মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰিছে।

## সাহিত্য—

সাহিত্য হৈছে জাতিৰ দাপোণস্বৰূপ। কোনো এটা জাতিৰ সভ্যতা, সংস্কৃতি, অস্তিত্ব, অতীত, বৰ্তমান আদিৰ পৰিচয় জিলিকি থাকে সাহিত্যৰ মাজেদি। নিজৰ জাতিক আৰু নিজৰ সাহিত্যক জীয়াই ৰখাটো সকলো ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য। জীৱনৰ সত্যক কেন্দ্ৰ কৰি সাহিত্য গঢ়ি উঠে যদিও তাত বিশ্বজনীন ভাব পৰিলক্ষিত হোৱা দেখা যায়। বৰ্তমান যুগৰ সাহিত্যিকসকলে সাহিত্যত সমাজৰ ছবি প্ৰতিফলিত কৰিছে। বৰ্তমান সাহিত্যত প্ৰেম-বিৰহ আদিৰ লগতে সমাজৰ অভাৱ অভিযোগ আৰু শোষিত জনগণৰ মুক্তিৰ ছবি দেখিবলৈ পোৱা যায়। ই আমাৰ বৰ্তমানৰ সাহিত্যিকসকলৰ প্ৰগতিবাদী মনোভাৱৰ কথাকে সূচায়।

জনগণৰ মুক্তিৰ বাবে শিল্পী সাহিত্যিকসকলৰ দায়িত্ব অপৰিসীম। বহুসংখ্যক যুৱক-যুৱতীয়ে তেওঁলোকৰ চিন্তা-চৰ্চাৰ বা শিল্প সাহিত্যত প্ৰগতিবাদী মনোভাৱৰ পৰিচয় দিব পাৰিছে। সমাজখনৰ অসামঞ্জস্য গুচাবৰ বাবে বৰ্তমানৰ সাহিত্যিকসকলৰ দায়িত্ব আছে আৰু সাহিত্যিক-সকলে তেখেতসকলৰ লিখনিত বৰ্তমানৰ সমাজত শাসকসকলে জনসাধাৰণক শোষণ কৰা আৰু অভিজাত সম্প্ৰদায়ৰ ভোগ-বিলাসৰ ছবি প্ৰকাশ কৰাতকৈ শোষিত জনগণক মুক্তিৰ পথ দেখুওৱা অধিক বাঞ্চনীয়।

## শিক্ষা—

এখন দেশৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰগতি আৰু পৰিৱৰ্তন সাধন কৰাৰ প্ৰধান আহিলা হ'ল সেই দেশৰ শিক্ষা ব্যৱস্থা। শিক্ষাৰ দ্বাৰাই দেশৰ জনসাধাৰণক এক লক্ষ্যত উপনীত কৰিব পাৰি। ভাৰতবৰ্ষৰ সামাজিক, অৰ্থনৈতিক উন্নতি আৰু গণতান্ত্ৰিক আদৰ্শত উপনীত কৰিবলৈ আৰু দেশৰ সকলো জনসাধাৰণক সামৰি লোৱা এক শিক্ষা-নীতি উদ্ভাৱন কৰিবলৈ স্বাধীনতাৰ পাছৰে পৰা প্ৰয়াস কৰা হৈছে।

স্বাধীনোত্তৰ কালত শিক্ষাক লৈ আমাৰ দেশত যথেষ্ট পৰীক্ষা-নিৰীক্ষাও চলোৱা হৈছে। ৰাধাকৃষ্ণণ কমিচন (১৯৪৮), মুদালিয়াৰ কমিচন (১৯৫২), কোঠাৰী আয়োগ (১৯৬৪) আদিৰ

চুপাৰিশ অনুসৰি সময়ে সময়ে শিক্ষানীতি নিৰ্দ্ধাৰণ কৰা হৈছে। একদেশীয় শিক্ষা-নীতি প্ৰৱৰ্তনৰ উদ্দেশ্যে সংবিধান সংশোধন কৰি শিক্ষাক উমৈহতীয়া তালিকাৰ অন্তৰ্ভুক্তও কৰা হৈছে আৰু অতি সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে নতুন শিক্ষা-নীতি প্ৰৱৰ্তন কৰিছে। তৎসত্বেও শিক্ষাৰ ক্ষেত্ৰত আমাৰ দেশৰ অৱস্থা অতি উদ্বেগজনক হৈয়ে আছে।

সংবিধান গ্ৰহণ কৰাৰ দহ বছৰৰ ভিতৰত নিৰক্ষৰতা দূৰ কৰাৰ লক্ষ্য আছিল যদিও আজি চল্লিছ বছৰৰ পিচতো আমাৰ দেশত ৭০% লোকে শিক্ষা পোৱা নাই। এতিয়াও এক পঞ্চমাংশ শিশু স্কুললৈ নাযায় আৰু বাকী ৮০% ৰ মাত্ৰ ২০% ইহে অষ্টমমান শ্ৰেণীৰ পিচত পঢ়াশালিলৈ যায়। আনহাতে সৰ্বসাধাৰণ দুখীয়া ৰাইজৰ ল'ৰা-ছোৱালী পঢ়া চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহৰ অৱস্থা পানীত হাঁহ নচৰা। শতকৰা ২৩ ভাগ স্কুলতহে লিখিবলৈ বোৰ্ড আছে; এক চতুৰ্থাংশ স্কুলত এজনীয়া শিক্ষকহে আছে। বহুত গাঁৱত স্কুলৰ ব্যৱস্থাই নাই, ক'ৰবাত ঘৰ থাকিলেও বেৰ নাই, নাইবা বহিবলৈ ব্যৱস্থা নাই। আনহাতে সকলো নগৰ অঞ্চলতে ব্যক্তিগত ব্যৱসায় ভিত্তিত ইংৰাজী মাধ্যমৰ স্কুল গঢ়ি উঠিছে য'ত কেৱল ধনী শ্ৰেণীৰ ল'ৰা-ছোৱালীয়েহে শিক্ষা লাভ কৰিব পাৰে।

কলেজীয়া নাইবা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত ব্যয়-বহুলতা ইমান বেছি যে সাধাৰণ মানুহৰ বাবে ল'ৰা-ছোৱালী পঢ়োৱা সম্ভৱ নহয়। আনহাতে কিবা প্ৰকাৰে শিক্ষা লাভ কৰিলেও চাকৰিৰ নিৰাপত্তা বৰ্তমান একেবাৰেই নোহোৱা হৈ গৈছে। পৰিতাপৰ কথা যে আমাৰ নিচিনা এখন দেশৰ প্ৰায় ১২ কোটি ডেকা-গাভৰু আজি কৰ্মসংস্থানহীন হৈ অলোঁ-তলোঁকৈ ঘূৰি ফুৰিছে। একে সময়তে কৰ্ম-সংস্থানৰ অভাৱত আমাৰ দেশৰ পৰা *Brain drain* ও হৈ আছে। শিক্ষা ব্যৱস্থাৰ পৰা সামাজিক ন্যায় পাবলৈ হ'লে এই ব্যৱস্থাক জনমুখী কৰি তোলা প্ৰয়োজন। প্ৰয়োজন বিনামূলীয়া বাধ্যতামূলক শিক্ষা ব্যৱস্থাৰ আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তনৰ মাজেৰে শিক্ষা আৰু কৰ্ম-সংস্থানৰ মাজত সংহতি স্থাপন। কিন্তু অতি সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰচলিত নতুন শিক্ষানীতিৰ দ্বাৰা প্ৰকৃত গণতান্ত্ৰিক সমাজতন্ত্ৰৰ লক্ষ্যত উপনীত হ'ব পাৰিব বুলি আমাৰ বিশ্বাস নহয়। তাৰোপৰি গোটেই শিক্ষা ব্যৱস্থাটোৱেই বৰ্তমান নানান ধৰণৰ দুৰ্নীতি, অনুশাসনহীনতা, অৰাজকতা আদিত নিমজ্জিত হৈ পৰিছে, যিটো সমগ্ৰ জাতিটোৰ বাবেই উদ্বিগ্নতাৰ কাৰণ হৈছে।

**বৰ্তমান পৰীক্ষা ব্যৱস্থা আৰু ফলাফল :—**

বৰ্তমান পৰীক্ষা হলত পৰীক্ষাৰ্থীৰ উচ্ছৃঙ্খলতা, নিষ্ঠাবান নিৰীক্ষকক অপমান বা মাৰধৰ কৰা, পাইকাৰীহাৰত নকল কৰা আদি বহুবিলাক দুৰ্ভাগ্যজনক ঘটনাই ঘটি থাকে। এইবোৰৰ বাবে দায়ী কোন ? আমি ভাবো সচেতন শিক্ষাবিদসকলৰ তৰফৰ পৰা ইয়াৰ প্ৰকৃত কাৰণ উদ্‌ঘাটন কৰি নিৰাময়ৰ ব্যৱস্থা কৰা নিতান্তই প্ৰয়োজনীয়। যোৱা বছৰ কটন মহাবিদ্যালয়ত ছাত্ৰ, শিক্ষক, অভিভাৱক আৰু শুভাকাঙ্খীৰ যৌথ প্ৰচেষ্টাতে এই সমস্যাসমূহ সমাধানৰ বাবে চলোৱা প্ৰচেষ্টা আদৰণীয়। বৰ্তমানৰ প্ৰচলিত মূল্যায়ণ ব্যৱস্থাৰ বেমেজালি আৰু পৰীক্ষাৰ্থীৰ অকৃতকাৰ্যতাৰ হাৰ ইমান বেছিলৈ গৈছে যে অদূৰ ভৱিষ্যতে ই এক মহাব্যাধিত পৰিণত হোৱাৰ আশংকা হৈ পৰিছে। যিমান সোনকালে এইবোৰৰ সমাধান কৰা হয় সিমানেই মঙ্গল। আমাৰ শিক্ষানুষ্ঠানসমূহৰ পৰীক্ষা-সমূহ আজি বহুত দিনৰ পৰা অনিয়মিতভাৱে চলি আহিছে। আমাৰ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ পাঠ্যক্ৰম বহু সময়ত শেষ হোৱাৰ আগতে চূড়ান্ত পৰীক্ষাত বহিবলগীয়া হয়। বহুতো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ সময়ত অভিযোগ কৰা দেখিবলৈ পোৱা যায়। আমাৰ মহাবিদ্যালয়-সমূহত বছৰত যিমান দিন ক্লাচ হ'ব লাগে, সিমান দিন ক্লাচ হোৱা দেখা নাযায়। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক সকলো দায়ী। বহু সময়ত ছাত্ৰ-ছাত্ৰী ক্লাচত উপস্থিত থাকিলে শিক্ষকৰ অনুপস্থিতিৰ বাবে ক্লাচ হোৱা দেখা নাযায় আৰু কেতিয়াবা শিক্ষক থাকিলেও ছাত্ৰ-

ছাত্ৰী উপস্থিত নথকাৰ বাবে ক্লাচ নোহোৱা দেখিবলৈ পোৱা যায়। বহুতো বিষয়ৰ বহুতো শিক্ষকৰ খালী পদত উপযুক্ত শিক্ষক নিযুক্তি দি শিক্ষা বছৰটোৰ ভিতৰত পাঠ্যক্ৰম শেষ কৰিব লাগে। এইক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহৰ প্ৰশাসন ব্যৱস্থাত থকা সকলে চকু দিয়া অতি প্ৰয়োজন। পাঠ্যক্ৰম শেষ নোহোৱাকৈ বহুতো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত বহিব লগাৰ বাবে অসৎ উপায় অৱলম্বন কৰিবলৈ লোৱা দেখা যায়। নিৰীক্ষকসকলে এনে অনিয়মৰ প্ৰতিবাদ কৰিলেও বহুতো ছাত্ৰ-ছাত্ৰীয়ে তালৈ কাণ নকৰি কোনোমতে পাচ কৰি ডিগ্ৰী পোৱা বা চাকৰি এটা লোৱাৰ উদ্দেশ্যেৰে এনে এটা জঘন্য দুৰ্নীতিত অতি কম বয়সৰ পৰা লিপ্ত হৈ পৰিছে। শিক্ষা ব্যৱস্থাটো যেতিয়ালৈকে চাকৰিমুখী হৈ থাকিব তেতিয়ালৈকে এনে অসৎ উপায়ো থাকিব।

পৰীক্ষাসমূহৰ ফলাফলসমূহ সময়মতে ঘোষণা কৰা নহয়। পৰীক্ষা হৈ যোৱাৰ পাচত পৰীক্ষাসমূহৰ ফলাফল ডেৰ মাহৰ পৰা দুমাহৰ ভিতৰত ঘোষণা কৰিব লাগে যদিও বহুতো পৰীক্ষাৰ ফলাফল সময়মতে ঘোষণা কৰা দেখা নাযায়। ইয়াৰ প্ৰধান কাৰণ হ'ল পৰীক্ষা বহীবোৰ সময়মতে চোৱা নহয়। পৰীক্ষাৰ ফলাফলসমূহত আজিকালি বহুতো দুৰ্নীতি দেখিবলৈ পোৱা যায়। বহুতো পৰীক্ষাত অৰ্হতা নথকা স্বত্বেও বেছি নম্বৰ দিয়াৰ অভিযোগ আছে। বহুতো অৰ্হতা নথকা ছাত্ৰ-ছাত্ৰী দুৰ্নীতিত লিপ্ত হৈ ভুৱা প্ৰমাণ পত্ৰ লৈ উচ্চ শিক্ষাৰ সুবিধা পোৱা দেখা যায়। ইয়াৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰী, শিক্ষাবিদ আৰু অভিভাৱকে অসন্তুষ্টি প্ৰকাশ কৰিছে। এই দুৰ্নীতিয়ে প্ৰকৃত শিক্ষাত চৰম আঘাত হানিছে। এনে ব্যৱস্থাৰ প্ৰতি পৰীক্ষাৰ নিয়ন্ত্ৰণত থকা সকলে চকু দিব লাগে আৰু দুৰ্নীতিত লিপ্ত থকা সকলৰ ওপৰত প্ৰশাসনে কঠোৰ ব্যৱস্থা ল'ব লাগে।

আলোচনীখনৰ বিষয়ে —

আলোচনীখন প্ৰকাশ কৰি উলিওৱাত যথেষ্ট পলম হোৱাৰ কাৰণে সমূহ বিদ্যাৰ্থীয়ে ক্ষমাৰ দৃষ্টিয়ে চাই যেন। আলোচনীখন প্ৰকাশ কৰি উলিওৱাটো এটা প্ৰধান সমস্যা বুলি ক'লেও বঢ়াই কোৱা নহয়। এই বছৰ মহাবিদ্যালয়ত চলা বিশেষ অসুবিধাৰ বাবে আলোচনীৰ কাম-কাজত কিছু পলম হৈছিল। মহাবিদ্যালয়ৰ আলোচনীখনি সুষ্ঠ-সবল কৰি প্ৰকাশ কৰিবলৈ হ'লে উপযুক্ত ৰচনা সম্ভাৰৰ অবিহনে উন্নত আলোচনী প্ৰকাশ কৰাটো কঠিন। আলোচনীখনৰ প্ৰবন্ধ-পাতি সময়মতে নোপোৱাৰ বাবেও অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত প্ৰবন্ধ, গল্প, কবিতাৰ পৰিমাণ কম আৰু যি-বিলাক পোৱা হৈছিল সেইবিলাকৰ মানদণ্ড আৰু বহুতো কাৰণত সকলো প্ৰকাশ কৰিব পৰা নাযায়। যিসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰবন্ধ, গল্প, কবিতা আদি আলোচনীত প্ৰকাশ পোৱা নাই সেইসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ কলম এৰি নিদি ভৱিষ্যতে উন্নত মানদণ্ডৰ ৰচনা আদি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাললৈ আগবঢ়াব বুলি আশা ৰাখিলো। আলোচনী এখন সম্পাদনাৰ দায়িত্ব কিমান গধুৰ তাক আলোচনীৰ সম্পাদনাৰ মেজত বহিলেহে উপলব্ধি কৰিব পাৰি। এনে এটা গুৰু দায়িত্ব পালন কৰোতে অনেক অনিচ্ছাকৃত ভুল-ত্ৰুটী হৈ যোৱাটো স্বাভাৱিক। তাৰবাবে আমি ক্ষমা প্ৰাৰ্থী।

কৃতজ্ঞতা প্ৰকাশ—

ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু সশ্ৰদ্ধ প্ৰণাম জনাইছো। মহাবিদ্যালয়ৰ আলোচনীখনিৰ সম্পাদনাৰ গুৰু দায়িত্ব বহন কৰাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই সুযোগকণ দিলে তেখেতসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ থাকিম। আলোচনী সম্পাদনাত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰা বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মদন মোহন চৌধুৰী, মাননীয় অধ্যক্ষ মহোদয় ড° প্ৰফুল্ল কুমাৰ ভুঞা,

সম্পাদনা সমিতিৰ সদস্য অধ্যাপকদ্বয় বিনোদ গগৈ, পূৰ্ণানন্দ শইকীয়া, অধ্যাপিকাদ্বয় অমু বৰগোহাঁই (গগৈ), ৰঞ্জুমণি দত্ত আৰু প্ৰবন্ধত চকু ফুৰাই দিয়া অধ্যাপকদ্বয় মোহিনী বৰদলৈ, মহেন্দ্ৰ ভৰালী, লগতে সম্পাদনা সমিতিৰ ছাত্ৰ সদস্য ৰঞ্জিত, দ্বিপেন, সীমান্ত, ৰিণি লগতে গল্প, প্ৰবন্ধ, কবিতা প্ৰতিলিপি কৰি দিয়া দিপালী, কল্পনা, নিবেদিতা, মৃদুল, মহেন্দ্ৰ আৰু আমাৰ মহাবিদ্যালয়ৰ চিত্ৰশিল্পী শ্ৰীপঙ্কজ গোস্বামীক বেটুপাত অঙ্কণ কৰি দিয়াত কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ মুখপত্ৰখনিলৈ শুভেচ্ছা বাণী প্ৰেৰণ কৰি আমাক উৎসাহিত কৰা বাবে অসমৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীকমলেশ্বৰ বৰা আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীঅমল ৰাজখোৱাদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আলোচনীৰ সম্পাদক হিচাপে কি কৰিলো, কি কৰিব নোৱাৰিলো সেইটো সমূহ বিদ্যাৰ্থীৰ বিচাৰ্যৰ বিষয়। পৰিশেষত ডিগবৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি দোষ-ত্ৰুটীৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি সম্পাদকীয় প্ৰতিবেদন সামৰিছো।

জয়তু ডিগবৈ মহাবিদ্যালয় আলোচনী।

পবিত্ৰ কুমাৰ গগৈ
সম্পাদক

ডিগবৈ, ২০-০৮-৮৮

# শব্দ আৰু শব্দৰ প্ৰদূষণ

প্ৰদীপ কুমাৰ থাউন্দ
প্ৰৱক্তা

প্ৰদূষণ :—মানৱ সভ্যতাৰ প্ৰগতিৰ পথত এক বিৰাট প্ৰত্যাহ্বান আধুনিক সভ্যতাৰ উৎসস্বৰূপ বিজ্ঞানে যেনেকৈ মানুহৰ জীৱনৰ স্থায়িত্ব আৰু প্ৰমূল্যবোধ বঢ়াবলৈ অহোৰাত্ৰ চেষ্টা কৰিছে, তেনেকৈয়ে প্ৰদূষণ নামৰ এই বৈৰীটোৱে মানৱ সভ্যতাক সম্পূৰ্ণ কোঙা কৰি ক্ৰমে, মানৱ তথা গোটেই জীৱ জগতৰেই অস্তিত্বক নিঃশেষ কৰি দিবলৈ উঠি পৰি লাগিছে। এতিয়া প্ৰশ্ন হ'ল, এই প্ৰদূষণ নামৰ নৃশংস বৈৰীটোনো কি ?

পুৰাণৰ কাহিনীৰে, অমৃত মন্থনত হলাহল বিহৰ পৰোক্ষ উদ্ভৱ হোৱাৰ দৰে, বিজ্ঞানে নানা চিত্ৰ-বিচিত্ৰ উদ্ভাৱনেৰে মানৱ জীৱনক বাধাহীন ৰুচিসন্মত আৰু মধুৰৰ পৰা মধুৰতৰ কৰি তুলিবলৈ যাওঁতে কিছুমান অবাঞ্চিত আৰু শৰীৰৰ ক্ষতিকাৰক পৰোক্ষ উদ্ভাৱনে প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট কৰি, যি পৰিবেশত প্ৰকৃতিত জীৱৰ উদ্ভৱ হৈছিল, সেই পৰিবেশকেই জীৱন ধাৰণৰ অনুপযোগী আৰু দুঃসহ কৰি তুলিছে। পৰিবেশ বিনষ্টকৰণৰ এই প্ৰক্ৰিয়াই হৈছে—প্ৰদূষণ । আমাৰ অজ্ঞতা আৰু উদাসীনতাৰ সুযোগ লৈ এই গুপ্ত শত্ৰুটোৱে দিনক দিনে গা কৰি উঠি ক্ৰমে অধিক শক্তিশালী হৈ বৰ্তমান এটা ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে । পৰিবেশ বিনষ্টকৰণত প্ৰদূষণে যি তিনিটা ৰূপত ঘাই ভূমিকা গ্ৰহণ কৰিছে, সেই তিনিটা হ'ল :—

১) বায়ু প্ৰদূষণ ।
২) পানী প্ৰদূষণ ।
৩) শব্দপ্ৰদূষণ ।

এই তিনিটাৰ ভিতৰত তৃতীয়টোৱেই আমাৰ এই প্ৰবন্ধৰ আলোচ্য বিষয় ।

শব্দ হৈছে, বায়ুমণ্ডলৰ সাম্যচাপত সৃষ্টি কৰা আলোড়ন। এই আলোড়ন সৃষ্টি হয়, শব্দৰ গতিৰ তৰঙ্গ-ধৰ্মিতাৰ বাবেই । শব্দৰ তৰঙ্গ—প্ৰকৃতি অনুদৈৰ্ঘ্য; অৰ্থাৎ ইয়াৰ দোলন প্ৰকৃতি গতিৰ দিশৰ সমান্তৰাল । শব্দ হৈছে শক্তিৰ এটা ৰূপ আৰু অন্য শক্তিৰ দৰেই ইও ৰূপান্তৰশীল । এফালৰ পৰা চালে, এই শব্দই হ'ল প্ৰাণী-সমূহৰ সুখ-দুখ হৰ্ষ-বিষাদ, আৱেগ অনুভূতিৰ প্ৰকাশৰ মাধ্যম । কাৰণ শব্দ প্ৰায়বোৰ প্ৰাণীৰেই এক ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতি । কম্পনাংক আৰু প্ৰাৱল্য ভেদে শব্দৰ প্ৰকৃতি বেলেগ বেলেগ । এনে সকলোবোৰ (কম্পনাংক আৰু প্ৰাৱল্যৰ) শব্দই যে ইন্দ্ৰিয়গ্ৰাহ্য আৰু ইন্দ্ৰিয়সহ এনে নহয় । আনকি এক নিৰ্দিষ্ট কম্পনাংক আৰু প্ৰাৱল্যৰ শব্দ সকলো প্ৰাণীৰ বাবে ইন্দ্ৰিয়গ্ৰাহ্য আৰু ইন্দ্ৰিয়সহ নহ'বও পাৰে। টেলিফোনৰ আৱিস্কাৰক আলেকজেণ্ডাৰ গ্ৰাহামবেলৰ স্মৃতিত শব্দৰ প্ৰাৱল্য জোখাৰ একক 'বেল' বোলা হয় । ব্যৱহাৰিক ক্ষেত্ৰত ইয়াৰ এক দশমাংশ অৰ্থাৎ "ডেছিবেলে' ক (ডেঃবে) শব্দৰ প্ৰাৱল্যৰ একক হিচাপে লোৱা হয় ।

সাধাৰণ অৰ্থত প্ৰায়বোৰ প্ৰাণীৰেই শব্দগ্ৰাহক ইন্দ্ৰিয় হ'ল কাণ । মানুহৰ কাণৰ শ্ৰাব্য সীমা কম্পনাংকৰ হিচাপত ২০ ৰ পৰা ২০,০০০ কম্পনাংক। সেয়ে ২০,০০০ তকৈ অধিক কম্পনাংকৰ শব্দক অতিশব্দ (ultra sound) আৰু ২০ তকৈ কম কম্পনাংকৰ শব্দক মৌনশব্দ (silent sound) বোলে । অন্যহাতে, বাদুলি আদি কিছুমান প্ৰাণীৰ ১০০,০০০ কম্পনাংক পৰ্যন্ত অতিশব্দ সৃজন আৰু শ্ৰৱণ ক্ষমতা আছে । আকৌ, প্ৰাৱল্যৰ হিচাপত মানুহৰ কাণৰ শ্ৰাব্য সীমা ০ (শূন্য) ৰ পৰা ১৮০ ডে,বে, পৰ্যন্ত । কিন্তু এই দুটা অতি সীমাহে । ০ ডে,বেৰ শব্দ শুনাটো যেনেকৈ কষ্টসাধ্য, ১৮০ ডে,বেৰ শব্দ শুনাটোও কাণ আৰু শৰীৰ কাৰণে তেনেকৈয়ে কষ্টদায়ক আৰু ক্ষতিকাৰক । আনকি ১৪০—১৫০ডে,বে শব্দ ওচৰৰ পৰা অলপ সময়ৰ বাবে প্ৰয়োগ কৰিলেও মানুহে শ্ৰৱণ ক্ষমতা চিৰদিনলৈ হেৰুওৱাৰ সম্ভাৱনা।

কিন্তু, যি শব্দৰ জৰিয়তে মানৱ সভ্যতাৰ বিকাশ তথা মানৱীয় ভাৱানুভূতিৰ আদান-প্ৰদান সম্ভৱপৰ হৈছে, সেই শব্দকেই অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি মানৱ জীৱনৰ সুষম অগ্ৰগতিক বাধাদান কৰিবলৈ আমাৰ সন্মুখত থিয় হৈছে প্ৰদূষণ—কোলাহলৰ ভূমিকাত ; আমাৰেই অবাঞ্চিত সৃষ্টি প্ৰধান বৈৰী—যাক প্ৰত্যাহ্বান জনোৱাৰ আগতে তাৰ স্বৰূপ চিনি লোৱাটো আমাৰ প্ৰধান কৰ্তব্য ।

কোলাহল হৈছে, শ্ৰুতিকটু, অবাঞ্চিত (unwanted) আৰু অপ্ৰয়োজনীয় (unnecessary) শব্দৰ সমাহাৰ

যিবিলাকে বিভিন্ন উৎসৰ পৰা মিশ্ৰিত বা ভিন্ন ভিন্নকৈ আহি আমাৰ সাধাৰণ কথা বতৰা, চিন্তা-চৰ্চা, অধ্যয়ন আদিৰ পৰা সততেই মনোযোগ বিচ্ছিন্ন কৰে আৰু যি-বিলাকৰ কু-প্ৰভাৱ মানুহ তথা অন্যান্য প্ৰাণীৰো শৰীৰত বহুমুখী। অথচ যিবিলাকক অন্য কিছুমান প্ৰয়োজনৰ তাগিদাতেই আমি মানৱ সমাজৰ পৰা সম্পূৰ্ণৰূপে আঁতৰাই পঠাব নোৱাৰোঁ মাত্ৰ নিয়ন্ত্ৰণহে সম্ভৱপৰ ! কোলাহলৰ এই সমস্যাটো আজি বা কালিৰ উদ্ভূত সমস্যা নহয়। অতি প্ৰাচীন কালৰে পৰাই মানুহ শব্দৰ ভয়াবহ দিশ, কোলাহলৰ অপকাৰিতা সম্পৰ্কে সজাগ। সেয়েই প্ৰাচীন ঋষিমুনিসকলে বৌদ্ধিক চিন্তা-চৰ্চাৰ বিকাশৰ বাবে নিৰ্জন পৰ্বতৰ গুহা আৰু অৰণ্যসমূহ বাছি লৈছিল। মহাকাব্যসমূহত শব্দৰ ভয়াবহ দিশটো সুঁৱৰিয়েই শব্দবান; শব্দভেদীবান ইত্যাদিৰ কথা উল্লেখ কৰিছে। আকৌ অসমীয়া সমাজতো "চিঞৰত গছৰ পাত সৰুৱা" আদি প্ৰবচনে শব্দৰ ভয়াবহ দিশটোৰ প্ৰতি মানুহৰ সচেতনতাকেই আঙুলিয়ায়। মেঘৰ গাজনি, শিয়ালৰ বিকট আৰাও, বাঘৰ গোজৰণি, কুকুৰমেকুৰীৰ অযথা ৰৌ-ৰৌৱনি, মেও মেৱনিক মানৱ সমাজে কোনো-দিনেই আদৰণি জনাব পৰা নাই। কিন্তু এইবিলাকৰ লগত প্ৰকৃততে সহবাস কৰিবলৈ চেষ্টা কৰি থকাৰ হেতু এইবিলাকক কোলাহল বুলি ভবাৰ পৰা একপ্ৰকাৰ এৰাই চলিছিল। সেয়েই হয়তো কেচুৱাক জন্মৰ ১১ দিনৰ দিনাই বাহিৰ দেখুৱাবলৈ উলিয়াওঁতে তেনেকুৱা প্ৰাকৃতিক ভয়াবহ শব্দৰ পৰা ভয় নাখাবলৈ কাঠৰ পীৰাএখনত শুৱাই লৈ পীৰাখনৰ চাৰিমূৰত শিলেৰে চাৰিটামান মাৰ মাৰি প্ৰকৃতিৰ লগত খাপখুওৱা কৰি তোলাৰ প্ৰস্তুতিৰ নিয়ম অসমীয়া সমাজত আজিও বৰ্তি আছে। পৰিবেশে কিছুমান শব্দৰ লগত আমাক সৰুৰে পৰাই এনেদৰে অভ্যস্ত কৰি তোলে যে তেনে শব্দৰ (কম্পনাংক ও প্ৰাৱল্যত) অনুপস্থিতিতহে আমি কোনো কোনো সময়ত উদাস ও অকলশৰীয়া অনুভৱ কৰোঁ। আকৌ বায়ুৰ আৰ্দ্ৰতা আৰু অন্যান্য ভৌগোলিক পৰি-বেশৰ ওপৰত নিৰ্ভৰ কৰি এখন ঠাইৰ মাত কথাৰ কম্পনাংক ও প্ৰাৱল্য অন্য এখন ঠাইৰ মানুহৰ কাণে কিছু আচহুৱা অনুভৱ কৰে। সেয়েই হয়তো পঞ্জাবৰ কোনোবা এজন গৱৰ্ণৰে হেনো এবাৰ অসমলৈ আহি ধেমালিতে মন্তব্য কৰিছিল, "Assamese people says new new.........

কিন্তু বৰ্তমান যান্ত্ৰিক যুগত বিভিন্ন উৎসৰ পৰা উদ্ভৱ হোৱা কোলাহলে পৰিবেশ বিনষ্টকৰণত এনে এক গুৰু ভূমিকা গ্ৰহণ কৰিছে যে ই সমগ্ৰ বিশ্বৰে এক চিন্তনীয় বিষয় হৈ পৰিছে।

এই কোলাহল সৃষ্টিৰ উৎস ঘাইকৈ তিনিটা :
১) শিল্পোদ্যোগ আৰু যন্ত্ৰপাতি।
২) স্থল ,জল আৰু বায়ুপথৰ যান-বাহন।
৩) মানুহৰ বিভিন্ন কাৰ্যাৱলী।

বিভিন্ন কল-কাৰখানাসমূহৰ পৰা উদ্ভূত যান্ত্ৰিক শব্দ বিমান, চুপাৰছনিক বিমান, ট্ৰাক, বাছ, মটৰ-চাইকেল আদিৰ ইঞ্জিন তথা হৰ্ণৰ বিকট শব্দ; ঘৰ-দুৱাৰ নিৰ্মান কাৰ্যত ইটা-শিল লোহাৰ মাজত হোৱা সংঘৰ্ষৰ শব্দ; পূজা-দেৱালীত ব্যৱহাৰ কৰা ফটকা আতচ্-বাজী আৰু হুইচেলৰ শব্দ; চাইৰেণৰ শব্দ, ৰেডিঅ', টেলিভিশ্বন ভিডিঅ' গ্ৰাম'ফনৰ পৰিবৰ্ধিত (Amplified) শব্দ-এই সকলোৱেই মিলি কোলাহলৰ সৃষ্টি কৰে।

কেইটামান সম্ভাব্য উৎসৰ পৰা শব্দৰ প্ৰাৱল্য তলৰ ১নং তালিকাত আৰু মানুহৰ কাণে সহ্য কৰিব পৰাকৈ শ্ৰাব্য কোলাহলৰ সময় সীমা ২নং তালিকাত তালিকাবদ্ধ কৰা হ'ল।

তালিকা—১

| শব্দৰ প্ৰকৃতি | প্ৰাৱল্য |
|---|---|
| ফুচ-ফুচীয়া কথা | ১৫—২০ ডে,বে, |
| সাধাৰণ কথোপকথন | ৫৫—৬৫ " " |
| টেলিফোন ৰিং | ৭০—৮০ " " |
| ব্যৱসায়িক বিমান (৩০ মিঃ দূৰত্বত) | ১২০—১৪০ " " |
| ছাইৰেণ | ১৫০—১৬০ " " |
| গাড়ীৰ হৰ্ণ | ৯৫ " " |
| জেট বিমান (উৰাৰ সময়ত) | ১৪০ " " |
| কাঠফলা কল | ১০০—১১০ " " |

তালিকা—২ (শ্ৰাব্যসীমা)

| শুনাৰ সময় (ঘণ্টা) | প্ৰাৱল্য |
|---|---|
| ৮ ঘণ্টা | ৯০ ডে,বে, |
| ৬ " | ৯২ " " |
| ৪ " | ৯৫ " " |
| ৩ " | ৯৭ " " |
| ২ " | ১০০ " " |
| ১½ " | ১০২ " " |
| ১ " | ১০৫ " " |
| ½ " | ১১০ " " |
| ¼ তকৈ কম | ১১৫ " " |

অৱশ্যে কিমান ওচৰৰ পৰা শব্দটো প্ৰয়োগ হৈছে, তাৰ ওপৰত শ্ৰাব্য-সীমা নিৰ্ভৰ কৰিব । সৰ্বসাধাৰণৰ কাৰণে ১২০ ডে,বে, প্ৰাবল্যৰ শব্দ কাণৰ বাবে বিষময় হয় আৰু ১৫০ ডে,বে, শব্দই কাণ কলা কৰাৰ কাৰণে যথেষ্ট । আনহাতে ১৬০ ডে,বে, শব্দ ওচৰৰ পৰা প্ৰয়োগ কৰিলে নিগনি আদি কিছুমান প্ৰাণীৰ মৃত্যু ঘটে বুলি পৰীক্ষামূলকভাৱে প্ৰমাণিত হৈছে । ডাঙৰকৈ মেঘে গাজিলে উৰন্ত হাঁহঠা চৰাইৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুৰ মুখত পৰাৰ কথা আমি সকলোৱে জানো । কোলাহলে মানুহৰ শৰীৰত ও জীৱনত কৰিব পৰা বিষময় প্ৰতিক্ৰিয়াৰ বহুমুখী দিশসমূহক সামৰি প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি ।

১) শ্ৰৱনেন্দ্ৰিয়ৰ ওপৰত প্ৰভাৱ ।
২) জৈৱিক প্ৰভাৱ ।
৩) সামাজিক প্ৰভাৱ ।

কোলাহলে শ্ৰৱনেন্দ্ৰিয়ৰ ওপৰতেই প্ৰত্যক্ষ আঘাত হানে । মানুহৰ শব্দ গ্ৰাহক ইন্দ্ৰিয় হ'ল কাণদুখন । ওপৰৰ পৰা চালে এই কাণদুখনৰ যদিও বহিঃফলক দুখনহে চকুত পৰে, প্ৰকৃততে এই দুখনে সন্মুখৰ পৰা অহা শব্দ কৰ্ণকুহৰত কেন্দ্ৰিভূত ফলন হোৱাতহে সহায় কৰে । এই ফলকদুখনৰ ভিতৰতহে প্ৰকৃত কৰ্ণপটহ বা কাণমগুল থাকে । ইয়াৰ ওপৰি কৰ্ণকুহৰত থকা অন্তঃ-কৰ্ণত এটা জুলীয়া পদাৰ্থ থাকে আৰু সূক্ষ্ম, আলসুৱা কিছুমান চুলিকোষ বা ৰোমকৰ এটা অংশ থাকে । শব্দই ইয়াৰ উৎসৰ মাধ্যমত ইয়াৰ গতিৰ সদৃশ কম্পন বা দোলনৰ সৃষ্টি কৰে । এই দোলনে সন্মুখৰ বায়ু-খণ্ডত সৃষ্টি কৰা বায়ুচাপৰ অনুক্ৰমে বায়ুত শব্দৰ ঢৌ তোলে । এই ঢৌৱে আহি আমাৰ কাণমাদলত ঠেকা খাই কাণমাদলৰ বায়ুত সদৃশ কম্পনৰ সৃষ্টি কৰে । এই গতিয়ে অন্তঃকৰ্ণৰ জুলীয়া পদাৰ্থটোত পুনৰ ঢৌ তোলে । ৰোমকে এই ঢৌক বৈদ্যুতিক আৱেগ বা শিহৰণলৈ ৰূপান্তৰ কৰি স্নায়ুৰ যোগেদি আমাৰ মগজুলৈ প্ৰেৰণ কৰে আৰু মগজুত শ্ৰৱণ অনুভূতিৰ সৃষ্টি হয় । শব্দৰ দ্বাৰা অন্তঃকৰ্ণ অতি সহজে ক্লান্ত হ'ব পাৰে । সেই সময়ত ইয়াক আৰাম দিয়া অতীৱ প্ৰয়োজন । অন্তঃ-কৰ্ণত গড়ে ২০০০ মান ৰোমক থাকে । প্ৰতি ছেকেণ্ডত ৪০০০ ৰ পৰা ৬০০০ চক্ৰৰ শব্দ-কম্পনাংকৰ সঁহাৰি দিব-লগীয়া হ'লে ৰোমক নষ্ট হৈ যোৱাৰ সম্ভাৱনাই বেছি । এনে শব্দ ৮৫ ডে,বে,ৰ পৰা ওপৰৰ যি কোনো শব্দই হ'ব পাৰে । ১৫০ ডে,বে,ৰ শব্দ নিচেই কম সময়ৰ বাবে ওচৰৰ পৰা একেবাহে শুনিলেও কাণৰ স্থায়ী বিকল অৱস্থাপ্ৰাপ্ত হয় বা কলা হয় বুলি আগতেই উল্লেখ কৰা হৈছে ।

হঠাতে অপ্ৰত্যাশিতভাৱে সৃষ্টি হোৱা শব্দই, যেনে বিস্ফোৰণ আদিৰ শব্দই মানৱ শৰীৰত যথেষ্ট কু-প্ৰভাৱ বিস্তাৰ কৰিব পাৰে । এনে শব্দই মানুহৰ ৰক্তচাপ বৃদ্ধি, হৃদযন্ত্ৰৰ দুৰ্বল পেশী সংকোচন ঘটোৱাৰ লগতে ইয়াৰ তৰঙ্গ প্ৰকৃতিয়ে ৰক্ত সঞ্চালনত হঠাৎ বাধা আৰোপ কৰি হৃদযন্ত্ৰৰ ক্ৰিয়া চিৰদিনৰ বাবে বন্ধ কৰিব পাৰে । মাত্ৰাধিক শব্দই হৃদৰোগ, পেপ্‌টিক আলছাৰ, কেন্দ্ৰীয় স্নায়ুতন্ত্ৰত বেমেজালি আৰু তাৰ জৰিয়তে মানসিক ভাৰ-সাম্যহীনতা আৰু যৌন অক্ষমতা আদি সৃষ্টি কৰিব পাৰে । ঋতুমতী তিৰোতাৰ নানা যৌনব্যাধি, গৰ্ভৱতী তিৰোতাৰ গৰ্ভস্থ সন্তান হানি, অপৰিপক্ক আৰু পঙ্গু শিশুৰ জন্মদানতো অতি-মাত্ৰা অবাঞ্চনীয় কোলাহলৰ অৰিহণা নুই কৰিব নোৱাৰি । তদুপৰি, নগৰসমূহৰ সহজাত আৰু ক্ৰমবৰ্দ্ধিত কোলাহলৰ পৰাই নগৰস্থ মানুহৰ অতিমাত্ৰা মানসিক উদ্বেগ, উত্তে-জনা, স্নায়বিক অৱসাদ, দুৰ্বলতা, মূৰ কামোৰণি, অনিদ্ৰা আদি স্নায়বিক ৰোগ হোৱাটো নিশ্চিত ।

কিন্তু, এই ভয়াবহ কোলাহলক আমিয়েই যেনেকৈ সৃজন কৰিছোঁ, তাক নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব আৰু তাৰ বলিষ্ঠ মেৰপাকৰ পৰা মানৱ সমাজক ৰক্ষা কৰাৰ দায়িত্বও আমাৰে । বৰ্তমান যুগত কোলাহলৰ ভয়াবহতাক মৰ্মে মৰ্মে উপলব্ধি কৰি ইয়াৰ নিয়ন্ত্ৰণৰ বাবে বিশ্বৰ সকলো দেশ, সকলো বিজ্ঞানী উঠি পৰি লাগিছে আৰু কোলা-হল নিয়ন্ত্ৰণৰ অনেক ব্যৱস্থা বাহিৰ হৈছে। অন্য দেশৰ দৰেই ভাৰততো আইনগতভাৱে কোলাহল নিয়ন্ত্ৰণৰ ঘাই ব্যৱস্থা তিনিটা হ'ল :—

১) উন্নত কাৰিকৰী জ্ঞানেৰে যন্ত্ৰপাতি, ইঞ্জিন আদিৰ ৰূপান্তৰ ঘটাই বা উন্নত মৌনকাৰী সঁজুলিৰ (Silenecer) ব্যৱহাৰ কৰি শব্দৰ উৎসতে শব্দক নিয়ন্ত্ৰণ কৰিব পাৰি ।

২) উৎস আৰু গ্ৰহণস্থলীৰ মাজত প্ৰয়োজন অনুপাতে উৎকৃষ্ট শব্দশোষক (Sound Absorber) ব্যৱহাৰ কৰি শব্দৰ প্ৰাবল্য কমাব পাৰি । ইয়াৰ বাবে বাসস্থানৰ চাৰিও-ফালে প্ৰচুৰ বৃক্ষৰোপন কৰি উৎকৃষ্ট ফল পাব পাৰি । শব্দ প্ৰমাণী (sound proof) বাসগৃহ খৰছি হ'লেও সৰ্বোৎ-কৃষ্ট ব্যৱস্থা ।

৩) গ্ৰহণস্থলীত কাণত প্লাগ, ডাঠ কমাল আদি ব্যৱহাৰ কৰিও কাণক কোলাহলৰ আক্ৰমণৰ পৰা সহজেই ৰক্ষা কৰিব পাৰি । এই পদ্ধতি উদ্যোগসমূহত কাম কৰা কৰ্মীৰ বাবে বিশেষভাৱে প্ৰযোজ্য ।

আইনগতভাৱে ১৯৭৬ চনত ভাৰত চৰকাৰে কোলাহল প্ৰদূষণৰ পৰা সৰ্বসাধাৰণক ৰক্ষা কৰিবলৈ ১৯৪৮ চনৰ কাৰখানা আইনখনত কেইটামান নতুন নীতি অন্তৰ্ভুক্ত কৰে । সেই আইন অনুসৰি কাৰখানাসমূহ নিবাস এলেকাৰ পৰা এক নিৰ্দিষ্টদূৰত্বত স্থাপন কৰিবলৈ আৰু কোলাহল নিয়ন্ত্ৰণৰ বাবে কৰ্তৃপক্ষই (কাৰখানাৰ) লক্ষ্য ৰখাটো সুনিশ্চিত কৰা হয় । অফিচ আৰু বিদ্যালয়-সমূহৰ আগেদি নিৰ্দিষ্ট সময়ত যান-বাহনৰ যাতায়ত আৰু সঙ্কেতধ্বনি (হৰ্ণ) ব্যৱহাৰ বাতিল কৰা হয় ।

কিন্তু, ব্যৱহাৰিক ক্ষেত্ৰত এই আইনসমূহ কিমান দূৰ কাৰ্যকৰী হৈছে, সেই সম্পৰ্কে জনসাধাৰণ তথা চৰকাৰ কোনোৱেই সচেতন নহয় । কোলাহল নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সৰ্ব-সাধাৰণ ৰাইজৰ সামাজিক দায়বদ্ধতাও কম নহয় । সমাজৰ প্ৰতিজনেই সচেতন নহ'লে কোলাহলৰ দৰে এটা শত্ৰুক পৰাভূত কৰি সমাজক আৰু লগতে নিজকো আগন্তুক নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰাটো যে কঠিন হ'ব,— সি ধ্ৰুপ ।

●

"আজি লাচিতৰ তিথিত সুঁৱৰিব লাগিব লাচিতৰ বীৰত্ব ; চাব লাগিব লাচিতৰ বুদ্ধি ; ল'ব লাগিব লাচিতৰ স্বদেশপ্ৰেম ; শিকিব লাগিব লাচিতৰ আত্মত্যাগ ; অনুকৰণ কৰিব লাগিব লাচিতৰ চৰিত্ৰবল । লাচিত ফুকনৰ দৰে স্বদেশপ্ৰেমত উদ্বুদ্ধ হ'বলৈ শিককচোন ; লাচিতৰ দৰে স্বাৰ্থত্যাগী, দৃঢ়সংকল্পী, অধ্যৱসায়ী হ'বলৈ শিককচোন ; লাচিতৰ দৰে মাৰ বান্ধি জন্মভূমিৰ হৈ প্ৰাণ জলাঞ্জলি দিবলৈ শিককচোন । দেখিব— মৈদামৰ অতল তলিৰ পৰা উঠি অহা আপোনাৰ দেশখনিয়ে নতুন চেতনা পাই জগতত কি অসাধ্য সাধন কৰে ।"

— বেণুধৰ শৰ্মা/'বঙালবৈৰী লাচিত বৰফুকন'

# শিক্ষাৰ দাবীত ছাত্ৰ আন্দোলন

অলক দাস
স্নাতক মহলা, দ্বিতীয় বাৰ্ষিক (কলা)

আধুনিক সভ্যতাৰ চূড়ান্ত বিকাশৰ যুগত যি বস্তুটো সুপ্ৰতিষ্ঠিত হৈছে সেয়া হৈছে মৌলিক চাহিদা-ৰূপে শিক্ষাৰ প্ৰবেশ। খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ পিছতেই যি প্ৰয়োজন সেয়া শিক্ষা। শিক্ষা বিনে আধুনিক যুগত মানুহ হিচাপে জীয়াই থকা প্ৰতাৰণা মাত্ৰ। আমি মানুহ জাতিটোৱে যি দেখো তাক ঠিক সেইভাৱেই নলওঁ, যেনেকৈ অন্য প্ৰাণীবোৰে লয়। এই যে চকুৰে দেখাৰ উপৰিও জ্ঞান আহৰণৰ দিশটো, এইটোক সুনিশ্চিত কৰিব পাৰে একমাত্ৰ শিক্ষাই আৰু এইদৰেই শিক্ষাই আধুনিক যুগত মানুহৰ ওচৰত এক অপৰিহাৰ্য স্থান লাভ কৰিছে।

কিন্তু অপৰিহাৰ্য হলেও খাদ্য, বস্ত্ৰ আৰু বাস-স্থানৰ বাবে মানুহৰ যি ব্যাপক সংগ্ৰাম কৰিবলগীয়া হৈছে, শিক্ষাও তাৰ ব্যতিক্ৰম নহয়। সেয়েহে আজি বিশ্বত যেনেকৈ বিভিন্ন অৰ্থনৈতিক আৰু ৰাজনৈতিক দাবী লৈ সংগ্ৰাম চলিছে, তাৰ লগত চলিছে শিক্ষাৰ অধিকাৰ, সম্প্ৰসাৰণ আৰু তাক বৈজ্ঞানিকৰূপে গঢ়ি তোলাৰ আন্দোলন। তৃতীয় বিশ্বৰ সৰ্ববৃহৎ দেশ ভাৰতবৰ্ষতো এই শিক্ষাৰ আন্দোলনে এক ব্যাপক ৰূপ ধাৰণ কৰিছে।

এই বিশ্বব্যাপী শিক্ষা আন্দোলনৰ দাবীসমূহৰ পৰা প্ৰধান দাবী দুটাই আজি আমাৰ আলোচ্য বিষয় হিচাপে বাচি লৈছো। সেই দাবী দুটা হ'ল শিক্ষাক সাৰ্বজনীন কৰা আৰু শিক্ষাৰ মাধ্যম মাতৃভাষা কৰা।

সংবিধানৰ নিৰ্দেশাত্মক নীতিত কোৱা হৈছিল, সংবিধান কাৰ্যকৰী হোৱাৰ ১০ বছৰৰ ভিতৰত ৬ৰ পৰা ১৪ বছৰৰ সকলো ল'ৰা-ছোৱালীক আৱশ্যকভাৱে শিক্ষাৰ পৰিধিত অনাৰ ব্যৱস্থা কৰা হ'ব। কিন্তু ভাৰতবৰ্ষৰ সংবিধানে শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰৰূপে স্বীকাৰ কৰা নাই। সেয়েহে স্বাধীনতাৰ ৪০ বছৰৰ পিছতো আমাৰ দেশৰ শতকৰা ৬৬ জন মানুহে লিখিব আৰু পঢ়িব নাজানে। সকলোতকৈ পৰিতাপৰ বিষয় এই যে পৃথিবীৰ মুঠ জনসংখ্যাৰ পোন্ধৰ শতাংশ মানুহ বাস কৰে আমাৰ এই ভাৰতবৰ্ষত আৰু পৃথিবীৰ নিৰক্ষৰতাৰ ৪৫ শতাংশই ভাৰতবৰ্ষৰ। একৈশ শতিকাত পৃথিবীৰ মুঠ নিৰক্ষৰতাৰ ৫৫ শতাংশই হ'ব আমাৰ ভাৰতবৰ্ষৰ।

জাতীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি জাতীয় শিক্ষা ব্যৱস্থা প্ৰবৰ্তনৰ ক্ষেত্ৰত আমাৰ জাতীয় কংগ্ৰেছে স্বাধীনতাৰ আগত আৰু পিছত যিবিলাক প্ৰতিশ্ৰুতি দি আহিছে, সেই জাতীয় কংগ্ৰেছৰ শাসন দেশত বৰ্তমান। পণ্ডিত জৱাহৰলাল নেহৰু আৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণনক লৈ যি শিক্ষা কমিচন গঠন কৰা হৈছিল, তাত কোৱা হৈছিল যে, শিক্ষাৰ বাবে কমেও বাজেটৰ ১০% ব্যয় কৰা হওঁক। আনকি ১৯৪৪ চনত জাতিৰ পিতা মহাত্মা গান্ধীৰ পৰিকল্পনাতো কোৱা হৈছিল যে শিক্ষাক সাৰ্বজনীন কৰিবলৈ হ'লে শিক্ষাৰ শিতানত বাজেটৰ অন্ততঃ ১০% ব্যয় কৰিব লাগিব। কিন্তু যিসকলে জাতীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্তন কৰিছিল সেই জাতীয় কংগ্ৰেছে প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনাত শিক্ষাৰ বাবে ব্যয় ধাৰ্য কৰে ৭.৭% আৰু সপ্তম পৰিকল্পনাত ই আহি উপনীত হৈছেহি ৩.২%। সৰ্বশেষত এই বছৰৰ ('৮৮-৮৯) কেন্দ্ৰীয় বাজেটৰ ধাৰ্য কৰা মুঠ ৭৩,০০০ কোটি টকাৰ ভিতৰত শিক্ষাৰ বাবে ধাৰ্য কৰা হয় ১.৯৯% মাত্ৰ। প্ৰতিৰক্ষা শিতানত ব্যয় কৰা হয় বাজেটৰ অৰ্দ্ধেকাংশ। ফলস্বৰূপে স্বাধীনতাৰ ৪০ বছৰ পাৰ হৈ যোৱাৰ পাছতো "৬ৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ বাবে বাধ্যতামূলক শিক্ষাদান" এই সাংবিধানিক প্ৰতিশ্ৰুতি প্ৰহসনত পৰিণত হৈছে। ভাবি আচৰিত লাগে যে, নেপালৰ দৰে অনগ্ৰসৰ দেশ এখনেও শিক্ষাৰ বাবে কেন্দ্ৰীয় বাজেটৰ ৮% ব্যয় কৰে।

১৯৮১ চনত প্ৰকাশিত ১৯৭৮ চনৰ ৪ৰ্থ সৰ্ব-ভাৰতীয় শিক্ষা সমীক্ষাৰ তথ্যত দেখা গৈছে যে ভাৰতৰ মুঠ জনসংখ্যাৰ ২০% ল'ৰা-ছোৱালীয়ে স্কুলৰ মুখ দেখা নাপায়। যিবিলাক ল'ৰা-ছোৱালীয়ে স্কুলত ভৰ্তি হয় তাৰ ভিতৰৰে ৮৭.৩% তীব্ৰ আৰ্থিক দুৰ্যোগৰ বাবে

দশম শ্ৰেণীত উত্তীৰ্ণ হোৱাৰ আগতেই পঢ়াশালি এৰিবলৈ বাধ্য হয়। বৰ্তমান দেশত ৯ কোটি শিশু প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীত ভৰ্তি হয়। কিন্তু তাৰ মাজৰে ৬৬% প্ৰাথমিক স্তৰৰ পিছত আৰু ৭৭% দশম শ্ৰেণীৰ পিছত স্কুল এৰি দিয়ে। কেন্দ্ৰীয় শিক্ষা দপ্তৰৰ যুগ্ম সচিব এচ, সত্যমৰ মতে, গাঁৱৰ জনসাধাৰণৰ অৰ্থনৈতিক আৰু সামাজিক পশ্চাদপদতাই ইয়াৰ মূল কাৰণ।

ওপৰৰ আলোচনাৰ পৰা স্পষ্টভাৱে ওলাই পৰিছে যে চৰকাৰে শিক্ষাক সাৰ্বজনীন কৰাত মুঠেই গুৰুত্ব দিয়া নাই। আকৌ শিক্ষাক সাৰ্বজনীন কৰিবলৈ হ'লে সৰ্ব-প্ৰথম যিটো কৰা দৰকাৰ, শিক্ষাৰ মাধ্যম মাতৃভাষা কৰা, সেইটো লৈ সংক্ষিপ্ত আলোচনা কৰা যাওক।

শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱা উচিত, সেইটো এতিয়া সৰ্বজনস্বীকৃত। বিশ্বৰ সকলো স্বাধীন দেশতে ই আজি কেৱল স্বীকৃত নীতিৰ পৰ্যায়তেই নাই, ই আজি বাস্তৱত প্ৰতিষ্ঠিত। আমাৰ দেশত কাগজে-কলমে ইয়াৰ স্বীকৃতি থাকিলেও ঔপনিবেশিক ধ্যানধাৰণা, চৰকাৰী অনিচ্ছা, ইংৰাজীৰ প্ৰতি অতি নিৰ্ভৰশীলতা আৰু অন্ধ-মোহে এতিয়াও তাক কাৰ্যত পৰিণত হ'বলৈ দিয়া নাই। সেয়ে আজিও মাতৃভাষাত উচ্চশিক্ষা সহজলভ্য হোৱা নাই।

বিশ্বৰ যিকোনো উন্নত স্বাধীন দেশত প্ৰাথমিক স্তৰত সাধাৰণতঃ মাতৃভাষাৰ বাদে কোনো ভাষা শিকোৱা নহয়। ভাৰতৰ পৰাধীনতাৰ যুগত বৃটিছৰ শিক্ষা ব্যৱস্থাৰ নীতি মতে প্ৰাথমিক স্তৰৰ পৰাই ইংৰাজী আৱশ্যকভাৱে পঢ়িব লাগিব। সেই ব্যৱস্থাৰ পৰিৱৰ্তন ঘটোৱা যে আৱশ্যক সেইটো এতিয়াও হৈ উঠা নাই, অথচ এই কথা বিভিন্ন শিক্ষা সম্পৰ্কীয় কমিটিৰ দ্বাৰা স্বীকৃত। শিক্ষাক যদি সমাজৰ সকলো মানুহৰ ওচৰলৈ লৈ যোৱাৰ কথা ভবা যায়, তেতিয়া খুব স্বাভাৱিকভাৱেই দেখা যাব যে মাতৃভাষাৰ ওপৰত গুৰুত্ব দিয়াৰ বাদে বিকল্প কোনো পথ নাই।

জন্মৰ পিছৰ পৰাই পৰিবেশৰ লগত আদৰ্শ অভিযোজনৰ প্ৰয়োজনত সামাজিক জীৱন যাপনৰ মাজতে শিশু এটাই ভাষা শিকে আৰু পৰ্যায়ক্ৰমে সেই ভাষাৰ উন্নততৰ দক্ষতা অৰ্জন কৰে। সেই জটিল প্ৰক্ৰিয়াৰ মাজতে সাৱলীলভাৱে শিশুৱে যি ভাষা আয়ত্ব কৰে তাকে আমি মাতৃভাষা বুলি কওঁ। ভাষাই হৈছে আমাৰ ভাব বিনিময়ৰ বাহনস্বৰূপ। আমি জীৱনৰ প্ৰতিটো পদক্ষেপতে নানা সমস্যাৰ সন্মুখীন হওঁ আৰু তেতিয়া আমি নিজলব্ধ অভিজ্ঞতা আৰু আৰ্জিত জ্ঞান প্ৰয়োগ কৰি সমাধানৰ পথত অগ্ৰসৰ হওঁ সেই ক্ষেত্ৰত ভাষাই আমাৰ একমাত্ৰ সহায়কৰূপে কাম কৰে। সেয়েহে শিক্ষাৰ আদৰ্শ মাধ্যম হিচাপে মাতৃভাষাৰ বাদে আৰু কোনো বিকল্প পথ থাকিব নোৱাৰে। এই বিষয়ে আমি ৰবীন্দ্ৰ নাথৰ মন্তব্য উল্লেখ কৰিব পাৰো। তেওঁৰ মতে, "বিদ্যা বিস্তারের কথাটা যখন ঠিক মন দিয়ে দেখি তখন তার সর্বপ্রথম বাধাটো এই দেখতে পাই যে তার বাহনটা ইংরেজি"। অৰ্থাৎ মাতৃভাষাক বাহন হিচাপে ব্যৱহাৰ নকৰিলে শিক্ষা প্ৰসাৰ বাধাগ্ৰস্ত হোৱা দেখা যায়।

ভাৰতবৰ্ষৰ আঞ্চলিক ভাষাবিলাকৰ মান ইমানেই নিম্ন যে এইবিলাক ভাষাৰ মাধ্যমত উন্নতমানৰ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ শিক্ষা গ্ৰহণ কৰা নাযায় বুলি এক শ্ৰেণী মানুহে যুক্তি প্ৰদৰ্শন কৰে। ভাৰতবৰ্ষৰ আঞ্চলিক ভাষাৰ যোগ্যতা সম্পৰ্কে ওপৰৰ মন্তব্য কিমান ভ্ৰান্ত, ৰবীন্দ্ৰ-নাথৰ বক্তব্যৰ পৰাই বুজা যায়, "বাংলা ভাষায় বিজ্ঞান শিক্ষা অসম্ভব, এটি অক্ষমের উক্তি, ভীরুর ওজর"। আমাৰ এইটো মনত ৰখা উচিত যে ৰবীন্দ্ৰনাথ ইংৰাজী বিদ্বেষী নাছিল। তথাপিও তেওঁ অনুভৱ কৰিছিল যে শিক্ষাক আত্মস্থ কৰিবৰ হ'লে, শিক্ষাক সৰ্বত্ৰগামী কৰিব হ'লে জ্ঞানবিজ্ঞানৰ উভয় শাখাতে মাতৃভাষাত শিক্ষালাভ ব্যৱস্থা কৰা বিশেষ প্ৰয়োজন।

সেয়েহে শিক্ষাক মাতৃভাষাৰ জৰিয়তে সাৰ্বজনীন কৰাৰ প্ৰশ্নটো বৰ্তমানৰ দৰে অৱহেলিত হৈ থাকিব দিলে শিক্ষা আন্দোলনে এক ব্যাপক তথা ভয়ানক ৰূপ ধাৰণ কৰিব। স্বাভাৱিকভাৱেই ছাত্ৰ সমাজো এই আন্দোলনত মিলিত হ'ব। কিয়নো বাস্তৱ অভিজ্ঞতাৰ পৰা তেওঁলোকে এই বিষয়টো খুব ভালদৰেই উপলব্ধি কৰিব পাৰিব আৰু তেওঁলোকৰ আদৰ্শগত বিবেকে প্ৰচলিত ব্যৱস্থাক কেতিয়াও মানি ল'ব নোৱাৰিব। ❂

# শংকৰদেৱৰ
# 'ৰুক্মিনীহৰণ কাব্য'ত অসমীয়া জনজীৱনৰ ছবি

মনু বৰগোহাঁই
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

মহাকালে গ্ৰাস কৰিব ধৰা অসমীয়া জাতিক কালৰ মুখৰ পৰা ত্ৰাণ কৰোঁতা গীত-পদ, ভাওনা-সবাহেৰে অসমৰ আকাশ খলক লগাওঁতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেই অসমীয়া নাট্য সাহিত্যৰ জনক — অসমীয়া নাট্য কলাৰ আদিগুৰু। নাট্যকলাক ধৰ্ম প্ৰচাৰৰ মাধ্যমৰূপেই শ্ৰীশংকৰদেৱে প্ৰয়োগ কৰিছিল আৰু তাৰ ফলস্বৰূপেই তেখেতৰ অমৰ সৃষ্টি প্ৰতিভাৰ পৰা 'পত্নী প্ৰসাদ', 'কালিয় দমন', 'কেলি গোপাল', 'ৰুক্মিনীহৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰামবিজয়' এই ছখনি নাট ওলাই আছে।

ৰুক্মিনীহৰণ 'কাব্য' আৰু 'নাট' দুয়োখনেই শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰিছে। একে বিষয়বস্তু লৈয়েই দুই-ভাৱে দুখন গ্ৰন্থ ৰচনা কৰাৰ এটা বিশেষ কাৰণ থাকিব পাৰে। ইয়াৰ বিষয়বস্তু হৈছে শ্ৰীকৃষ্ণৰ সৈতে ৰুক্মিনীৰ বিবাহ। বিবাহ মানৱ জীৱনৰ এক প্ৰধান সংস্কাৰ আৰু সমাজৰ পক্ষে ই এটা ডাঙৰ উৎসৱ। এই উৎসৱ সমাজৰ সকলো অৱস্থাৰ আৰু সকলো শ্ৰেণীৰ মুনিহ তিৰোতা, ল'ৰা-ছোৱালীৰ প্ৰিয়। লীলা অৱতাৰ শ্ৰীকৃষ্ণৰ এই বিবাহ উৎসৱৰ আনন্দৰ মাজেদি ভগৱন্তৰ ভক্ত বৎসলতা আৰু ভক্তিৰ পথৰ কণ্টক কেনেকৈ ভগৱন্তৰ কৃপাত দূৰ হয় তাকে প্ৰকাশ কৰি লোক সমাজক ভক্ত পথলৈ সহজে আকৃষ্ট কৰিব পাৰিব বুলিয়েই সম্ভৱ একে বিষয় লৈ দুই প্ৰকাৰৰ গ্ৰন্থ ৰচনা কৰিছে।

'ৰুক্মিনীহৰণ' কাব্যৰ কাহিনীটো হৰিবংশৰ পৰা লৈ ভাগৱতৰ কথাও সুমুৱাই দিছে। কবিয়ে কৈছে—

> একে হৰিবংশ কথা অমৃত সাক্ষাত।
> আৰু ভাগৱতকথা মিশ্ৰ দিলো তাত॥
> দুই কথা পদবন্ধে ৰাখিছো মিলাই।
> যেন মধুমিশ্ৰ দুগ্ধে অতি স্বাদ পায়॥

'ৰুক্মিনীহৰণ' কাব্যৰ কাহিনীটো হ'ল অসমৰ কাহিনী। ইয়াত অসমৰ এখন সুন্দৰ নগৰ কুণ্ডিলৰ বৰ্ণনা উপস্থাপন কৰিছে। ইয়াত শংকৰদেৱে বৰ্ণনা কৰা সকলোবিলাক দিশেই আমাৰ জাতীয় জীৱনৰ চিৰ পৰিচিত। ৰুক্মিনী আৰু শ্ৰীকৃষ্ণৰ বিবাহেই কাব্যখনৰ কাহিনী।

অসমীয়া সমাজ প্ৰতিফলিত হোৱা চিত্ৰৰূপে 'ৰুক্মিনীহৰণ'ৰ বিয়াৰ বৰ্ণনাটি অতি মূল্যবান। ৰুক্মিনীক লৈ কৃষ্ণ ঘূৰি অহা বেলা দ্বাৰকা উৰুলি-জোকাৰেৰে উৰুলিকৃত হ'ল। দৈৱকীয়ে আয়তী তিৰোতাসকলক লৈ পোবোৱাৰীক আদৰি আনিলে। কৃষ্ণ, ৰুক্মিনী দুয়ো দৈৱকীদেৱীক সেৱা কৰিলে। কৃষ্ণই জম্বুদ্বীপৰ সকলো শত্ৰু-মিত্ৰ ৰজাকে মতাই আনি সমজুৱাকৈ বিয়াখন পতাৰ দিহা কৰিলে। দ্বাৰকাত গাড়ী-ঘোঁৰাৰ প্ৰতাপত বিৰ দি বাট পাবলৈ নোহোৱা হ'ল। কুণ্ডিলৰ ৰজা-ৰাণীও যথা সময়ত কন্যা সম্প্ৰদানৰ কাৰণে আহি উপস্থিত হৈছে। কেৱল ৰুক্মিনীহে লাজতে বিবাহলৈ অহা নাই। কৃষ্ণই অতিথিসকলক কাৰোবাক মিচিকিয়া হাঁহিৰে, কাৰোবাক প্ৰণাম কৰি অভ্যৰ্থনা জনালে। ব্ৰহ্মাই শুভক্ষণত বিয়াৰ কাম আৰম্ভ কৰিবলৈ কোৱাত যাদৱ বংশৰ পুৰোহিত বৰ্গই —

> তেখানে মিলাইলা বিহাৰ সম্ভৃত॥
> সুগন্ধ চন্দনে লেপিলন্ত কতো দূৰ।
> উপৰে সিঞ্চিলা আনি অনেক সিন্দুৰ॥
> দিব্য নেত বস্ত্ৰ আনি পৰিলন্ত হৰি।
> সুবৰ্ণৰ ঘটে থৈলা জলে ফুৰে ভৰি॥
> লগাইলা প্ৰদীপ ধূপ মিলাইল সমস্ত।

ভীষ্মক ৰজা কশ হস্ত হ'ল। কৃষ্ণই দেবাংগ বসন, দিব্য আভৰণ পিন্ধি কুশ হাতত লৈ আচমন কৰিলে। পূজা আৰম্ভ হ'ল। ৰজাই বেদ উচ্চাৰিলে। আনফালে নানা বাদ্যৰ খদমদম উঠিল। পূজাৰ শেষত ভীষ্মক ৰজাই মাধৱক হস্তোদক দি উৰুলেপ দিয়া মুখচন্দ্ৰিকা কৰাইলা। ছোৱালীহঁতে নানা মংগল গীত গাবলৈ ধৰিলে। ভীষ্মকে কৃষ্ণক 'বিস্তৰ বৰণ পাদ্য অৰ্ঘ্য আচমনী' দিলে। ব্ৰহ্মাই

চন্দন কুসুমেৰে বেদি এখনি কৰি 'কুশৰ কুশণ্ডি' কৰিলে। ইয়াৰ পিছত ৰুক্মিনীক সালংকৃত কৰি আনি সম্প্ৰদান কৰি যৌতুক দিয়া হ'ল — ৰুক্মিনীৰ হাত কৃষ্ণৰ হাতত দি গভ্যবাজী প্ৰজায়ত অৰ্দ্ধ ৰাজ্যভাৰ দাসী-দাস ধনধান্য সুবৰ্ণ ভাণ্ডাৰ আৰু যি য'ত মনত পৰিলে সকলো দিলে আৰু—

ৰৰৰ কন্যাৰ এক ঠাই কৰি টিক
সুবৰ্ণ ভৃংগাৰে ৰাজ্য ঢালিলন্ত পানী।

কাব্যখনৰ চৰিত্ৰ সৃষ্টি, পৰিস্থিতি আৰু অৱস্থা চিত্ৰণ বিশেষ আকৰ্ষণীয় হৈছে। কাব্যখনৰ ভীষ্মক, শশীপ্ৰভা, বেদনিধি, দৈৱকী, সুমালিনী ধাই, ৰুক্মবীৰ আদি চৰিত্ৰত যিবিলাক বৰ্ণনা দাঙি ধৰিছে সেই সকলোবিলাক আমাৰ সাধাৰণ মানুহৰ পৰা অলপো আঁতৰি যোৱা নাই। ভীষ্মকৰ চৰিত্ৰটো কেৱল ৰজা হিচাপেই নহয় এজন উপযুক্ত পিতৃ হিচাপেও দেখুৱাবলৈ চেষ্টা কৰিছে। তেওঁৰ এখন ঘৰ-সংসাৰ আছে। ৰুক্মিনীৰ মাক শশীপ্ৰভাই যেতিয়া ৰুক্মিনীৰ বিবাহ উপলক্ষে পাত্ৰ বিচাৰিবলৈ ভীষ্মক ৰজাক জনাই তেতিয়া তেওঁ নিজে কোনো সিদ্ধান্ত নলৈ জ্ঞাতি-গোত্ৰ আৰু ডেকা পুতেকহঁতক মাতি আনি নিজৰ অভিমত দাঙি ধৰিছে। এই বিষয়টো আমাৰ সমাজৰ লগত পৰিচয় থকা। সেইদৰেই শশীপ্ৰভাৰ চৰিত্ৰটিতো মাতৃসুলভ গুণ পৰিলক্ষিত হৈছে।

শশীপ্ৰভা আৰু দৈৱকীৰ কথোপকথনত (ৰুক্মিনী আৰু শ্ৰীকৃষ্ণৰ বিবাহৰ পিছত) আমাৰ যিখন বিয়নি মেলৰূপে পৰিচিত সেই দিশটোও ফুটি উঠা দেখা যায়। শশীপ্ৰভাই জীয়েকক গভাই দিয়াৰ পিছত দুখ প্ৰকাশ কৰাত দৈৱকীয়ে কৈছে—

তোমাৰেসে জী-জমাই তোমাৰেহে ঘৰ।
তোমাৰা আপোন হুইবা আমি হুইবা পৰ॥

ৰুক্মবীৰৰ কাৰ্যকলাপত জুই পানীৰ সমান এজন উদণ্ড ডেকাৰ চৰিত্ৰ ফুটি উঠিছে। লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়াৰ 'বৰবোপা' ডেকা তেজত উত্তলা, গুৰু-গোঁসাই নমনা মইমতীয়া ডেকা বুলি 'ৰুক্মবীৰ'ক অভিহিত কৰিছে। এইটো একেবাৰে আমাৰ সমাজত প্ৰচলিত নিয়মৰ নিচিনা হৈ পৰিছে যে, ঘৰৰ ডাঙৰ সন্তান হ'লে সকলোৰে মৰম, চেনেহ, আদৰ আদি বেছি পায়। অলপ উদণ্ডীয়া প্ৰকৃতিৰ হয়। বেদনিধিৰ চৰিত্ৰটিতো শংকৰদেৱে তেজ মাংস সংযোগ কৰি মূলৰ পৰা আঁতৰাই আনি সৃষ্টি কৰিছে। এই চৰিত্ৰটোত আমাৰ সমাজৰ পুৰোহিত শ্ৰেণীৰ এখনি সুন্দৰ চিত্ৰ দেখুৱাবলৈ চেষ্টা কৰা হৈছে। দূত হ'বলৈ কথা জানিব লাগে। বেদনিধিৰ চৰিত্ৰত এই দিশটো লক্ষ্য কৰা যায়। সেইদৰে সুমালিনী চৰিত্ৰটোৰ দ্বাৰা আমাৰ সমাজৰ ধাইমাকৰ এখন সুন্দৰ চিত্ৰ অংকন কৰিছে। ৰুক্মিনীৰ চৰিত্ৰটোত ভগ্নীমূল্য গুণ তথা বোৱাৰীসুলভ গুণ পৰিলক্ষিত হৈছে। শ্ৰীকৃষ্ণই ৰুক্মবীৰক কৰা লঘূ-লাঞ্চনাত ৰুক্মিনীয়ে ককায়েকৰ প্ৰতি দয়া পৰবশ হৈ শ্ৰীকৃষ্ণৰ ওচৰত জীৱন ভিক্ষা কৰিছিল। সেইদৰে শ্ৰীকৃষ্ণই ৰুক্মিনীক হৰণ কৰি লৈ যোৱাৰ পিছত কৃষ্ণৰ ককায়েক বলোভদ্ৰক দেখি ওৰণি লোৱা কাৰ্য, দৈৱকীৰ প্ৰতি ভক্তিপূৰ্ণ সেৱা জনোৱা কাৰ্য আদিত সামাজিক চিন প্ৰতিফলিত হোৱা দেখা যায়।

ৰুক্মিনীৰ বিবাহৰ মাজেদি অসমীয়া সমাজৰ এক চিৰ প্ৰচলিত বিৰহ দেখুওৱা হৈছে। আমাৰ সমাজৰ যুৱক-যুৱতীৰ মনৰ মিল হ'লে আৰু মাক-বাপেকে ভাত বাধাৰ সৃষ্টি কৰিলে, ল'ৰা-ছোৱালীয়ে বুদ্ধি কৰি পলাই যোৱা আৰু শেষত মাক-বাপেকৰ খঙৰ উপশম ঘটিলে স্বামী-স্ত্ৰী হিচাপে সমাজত ঠাই লৈ পাছত বিধিবদ্ধ বিবাহ সম্পন্ন কৰাৰ উদাহৰণ বিৰল নহয়। 'ৰুক্মিনীহৰণ' কাব্যৰ কাহিনীও ঠিক এনে ধৰণৰ।

ৰুক্মিনীৰ বিবাহৰ সময়ত ৰুক্মিনীৰ সাজ-পোছাক সুশোভিত কৰাৰ যি বৰ্ণনা দিছে সেই সকলোবিলাকেই আমাৰ অসমীয়া সমাজৰ লগত খাপ খোৱা। কাব্যখনত কিছুমান জনবিশ্বাসৰ ছবি ফুটাই তোলা হৈছে। শিশুপাল যুদ্ধলৈ ওলাওঁতে দেখা অমংগলসমূহে আমাৰ সমাজৰ কিছুমান বিশ্বাসৰ প্ৰতি আঙুলিয়াই দেখুৱায়।

যাত্ৰা লৈয়া ৰুক্মবীৰ কৰিল গমন।
আগত দেখয় নানা বিমংগল গণ॥
কেশমেলি নাককাইটি অমংগলী নাৰী।
কুমৰৰ আগে নাচে হাসে ৰিংগ পাৰি॥
বামে সৰ্প গৈল ডাইনত শৃগালিনী।
কোনে তৈল লৈবে বুলি ডাকিলা তেলেনী॥
থাল পাতি বিকত যোগিনী ফুৰে মাগি।
অনা বাৱে আগতে পৰয় বৃক্ষ ভাগি॥
আকাশত শগুণ বিনাৱে জাকে জাকে।
মুখ চাই চাই তাক ৰটে ঢোণ্ডা কাক॥

ঠিক সেইদৰে মংগল হ'লে মানুহৰ গাৰ অংগ লৰে। আমাৰ সমাজে মানিথকা কিছু প্ৰচলিত বিশ্বাস আছে।

এহিমতে ৰুক্মিনী আছন্ত যেৱে কান্দি।
পাছে বাম উৰু বাহু আখি গৈল ফান্দি।

ফন্দন ইচাৰে শুভবাৰ্তা আসি কৰৈ।
সিজিবেক কাৰ্যহেন মোৰ মনে লৱৈ।

কৃষ্ণ দ্বাৰকাৰ পৰা আহি পাওঁতে ৰুক্মিণীৰ গাৰ অংগ লৰাৰ চিত্ৰই এনে ধৰণৰ দিশলৈকে আঙুলিয়ায়।

কুণ্ডিলৰ ঘৰ-দুৱাৰ আদি বৰ্ণনাৰ যোগেদি আমাৰ গ্ৰাম্য সমাজৰ ঘৰ-দুৱাৰৰ বৰ্ণনা চিত্ৰ পৰিলক্ষিত হয়। মহাপুৰুষে ব্যৱহাৰ কৰা উপমাদি অলংকাৰ আৰু দৃষ্টান্ত-সমূহতো একোটা ক্ষুদ্ৰ আৰু খণ্ড চিত্ৰ সোমাই আছে।

"মাধৱৰ নামে সিটো ভুইতো নেদেখৰ", দুগ্ধ এৰি কোনজনে পিয়ে মাছো পানী" আদি যোজনা পটন্তৰ-সমূহেও সমাজৰ কিছুমান দিশলৈ আঙুলিয়ায়। পুৰাণৰ আচহুৱা পৰিবেশৰ পৰা নমাই আনি কাব্যখনি যিমান পাৰি সিমান ঘৰুৱা তথা পৰিচিত ৰূপত সজাই তুলিবলৈ লেখকে চেষ্টা কৰিছে। ❁

"অসমৰ ভাগ্য অসমৰ ৰাইজৰ হাতত, সুস্থ বিবেকৰ হাতত। অসম হিন্দুৰো নহয়, মুছলমানৰো নহয়। জাতিৰো নহয়, জনজাতিৰো; অসম অসমীয়াৰ — কেৱল শোষণৰ কাৰণে থকা নহয়, যি অসমক আই বুলি লৈছে, অসমৰ সুখ-দুখৰ লগত একাত্ম হৈছে, বৈধভাৱে থকা অসমীয়া। নিবিড় সমন্বয়ত যি বৈচিত্ৰ্যময় ঐক্যবদ্ধ সংস্কৃতিৰ ৰূপ অসমত দেখা যায় — সেই সমন্বয়ক উদ্দেশ্যপ্ৰণোদিত ৰাজনৈতিক বীভৎস ষড়যন্ত্ৰই উলংগভাৱে আজি ছিন্ন-বিচ্ছিন্ন কৰিব খুজিছে। এয়া বৰ দুৰ্ভাগ্যৰ কথা।"

— ড° নিৰ্মল প্ৰভা বৰদলৈ

# বৰ্তমান সময়ত যুৱ-ছাত্ৰ সমাজৰ দায়িত্ব আৰু কৰ্তব্য

চম্পা বৰা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত আমাৰ চিৰপূজ্য অসমী আই সঁচাকৈয়ে শস্য-শ্যামলা, সুজলা-সুফলা। পৰ্বত-পাহাৰে আবৃৰা প্ৰকৃতিৰ নীলা ভূমি অসম দেশৰ সৌন্দৰ্যৰ কথা হিউৱেনচাঙৰ পৰা আৰম্ভ কৰি ইউৰোপীয় পৰ্যটকলৈকে দেশ-দেশান্তৰৰ বহুলোকে মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে। এনেখন সুজলা-সুফলা দেশৰ সৌন্দৰ্যত মুগ্ধ হৈয়েই যুগে যুগে কত জাতি-উপজাতিৰ মানুহ এই দেশলৈ আহিল, ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য, ইয়াৰ মানুহৰ মৌসনা মাতত মুগ্ধ হৈ এই দেশতে মন্ত্ৰ-মুগ্ধ হৈ ৰৈ গ'ল তাৰ লেখজোখ নাই। কিন্তু আজি অসমৰ চৌদিশে যদি চকু ফুৰাওঁ তেন্তে দেখা যাব যে ই অতি মাৰাত্মক পৰিস্থিতিত নিমজ্জিত হৈছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক—প্ৰত্যেকটো দিশতে মানবতা বিকাশৰ দিশ যেন সম্পূৰ্ণ শূন্য; যাৰ ফলস্বৰূপে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত আজি গা-কৰি উঠিছে সন্ত্ৰাসবাদ, অবাৰিতভাৱে চলিছে হত্যা, লুণ্ঠন, ধৰ্ষণ আদি ব্যভিচাৰবোৰ। আজি আমাৰ সমাজখন সকলো দিশৰ পৰাই অবক্ষয় হ'ব ধৰিছে। সমাজত এনে কিছুমান কৰ্মকাণ্ড চলি আছে যাৰ পৰা আমাৰ দেশখন যে এক বিভীষিকাময় পৰিস্থিতিৰ মাজত তাক অনুমান কৰিব নোৱাৰি। অসাধুৱে সাধু ৰূপ লৈছে, অন্যায়ে ন্যায়, মধ্যবিত্ত দুখীয়া হৈছে, দুখীয়া সৰ্বহাৰা হৈছে, অথচ এনে সামাজিক বাতাবৰণৰ মাজত প্ৰত্যেকে সপোন দেখিছে নিজকে কেনেকৈ সমাজত বিত্তবান ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰে। সমাজখনৰ সামূহিক দিশৰ উন্নতি হোৱাটো প্ৰায়ভাগ ব্যক্তিয়ে নিবিচাৰে। আমাৰ সমাজত এনে কিছুমান ব্যক্তি আছে যিসকলে নিজৰ প্ৰকৃত স্বৰূপ বা সত্বা লুকুৱাই ৰাখিবলৈ নিজকে ৰাজনীতি নিৰপেক্ষ ব্যক্তি বুলি পৰিচয় দিবলৈ চলাই অপকৌশল। ব্যক্তিগত তুচ্ছ স্বাৰ্থ পূৰণৰ বেদীত বৃহত্তৰ জনগণৰ স্বাৰ্থক প্ৰতাৰণা বা প্ৰবঞ্চনা কৰা এই চাম আদৰ্শৰ মেৰুদণ্ডহীন প্ৰাণীক সমাজৰ পৰা বাচি উলিয়াব নোৱাৰিলে আমাৰ সমাজ কেতিয়াও উন্নতিৰ চৰম শিখৰলৈ অগ্ৰসৰ হ'ব নোৱাৰে। সমাজত প্ৰচলিত অন্ধ গোড়ামি আঁতৰ কৰিব লাগিব এই যুৱসমাজেই। জাতিভেদ প্ৰথা আজিও সুস্পষ্ট। যাৰ ফলত আমাৰ সমাজৰ সমন্বয়ৰ উৎস হিচাপে কোনো-টোকে স্বীকৃতি দিব পৰা হোৱা নাই। আজি সমগ্ৰ পৃথিৱীৰ মানৱজাতি সংমিশ্ৰণ, সমন্বয় আৰু সংশ্লেষণৰ ফল মাথোন। তেজ, বংশ বা জাতিৰ নিভাজত্ব আজি এক বিৰাট প্ৰহসন। আৰ্য-অনাৰ্য, হিন্দু-মুছলমান, শিখ-খৃষ্টান, জনজাতীয়-অজনজাতীয় সকলোৰে ক্ষেত্ৰত ই সত্য।

আজিৰ সমাজত আমি আৰু এটা শ্ৰেণীৰ নাম লব পাৰো। সেইটো হৈছে শোষক শ্ৰেণী। এই শোষক শ্ৰেণীৰ মাজত দিনে দিনে প্ৰতিযোগিতা বৃদ্ধি পাইছে আৰু তেওঁলোকে যতেই সুবিধা পাইছে তাতেই জাতিয়ে-জাতিয়ে, সংস্কৃতিয়ে-সংস্কৃতিয়ে আৰু ধৰ্মই-ধৰ্মই সংঘাতৰ বীজ সিচি দিছে। এনেবোৰ হিংসা ঘৃণাৰ মাজত সোমাই পৰিলে আমাৰ সমাজ কেতিয়াও প্ৰগতিশীল হ'ব নোৱাৰে। গতিকে এই ক্ষেত্ৰত উপযুক্ত দায়িত্ব লোৱাৰ সময় আহি পৰিছে। আমাৰ ছাত্ৰ-যুৱ সমাজে উপযুক্ত সময়ত এইবোৰৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লৈ সমাজখনক উন্নয়নমুখী কৰি তুলিব পাৰিব লাগিব। আমি যদি অসমৰ মানচিত্ৰখনলৈ চাওঁ তেন্তে দেখা যাব যে অতীতত চৌদিশে পৰ্বত পাহাৰে আগুৰি থকা আমাৰ অসমী আই আজি আৰু শস্য-শ্যামলা সেউজী লখিমী হৈ থকা নাই। ই যেন নাঙঠ হৈ থকা বসন্তৰ পৰশ নপৰা এটি গছৰ প্ৰতিকৃতি। অসমী আইৰ সৰলতাৰ সুযোগ লৈ প্ৰতিপত্তিশীল চামে চলাইছে অবাধ শোষণ। সমাজৰ যি ফালেই চকু ফুৰোৱা যায় সেই ফালেই দেখা যায় কেৱল শোষণৰ প্ৰতিফলন। শোষণকাৰীৰ বিৰুদ্ধে আমি সংঘবদ্ধ হৈ থিয় দিব লাগিব।

স্বাধীনতাৰ চল্লিছ বছৰৰ পাছতো প্ৰত্যেকজন ভাৰতীয় নাগৰিকে ৰাজনৈতিক স্বাধীনতা লাভ কৰিছে

যদিও অৰ্থনৈতিক স্বাধীনতাৰ পৰা বঞ্চিত হৈ আছে । আমাৰ ছাত্ৰ যুৱসমাজে এই পৰ্যায়ত কৰিবলগীয়া কাম বহুতো আছে। একোখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ দিশটো কৃষিৰ উন্নয়নৰ ওপৰতো বহু পৰিমানে নিৰ্ভৰশীল । কিন্তু আমাৰ কৃষকে প্ৰয়োজনীয় সা-সজুলি ইত্যাদিৰ অভাৱত অধিক শস্য উৎপাদন কৰিবলৈ সক্ষম হোৱা নাই। চৰকাৰে যদিও বিভিন্ন প্ৰকাৰৰ অনুদান দুখীয়া খেতিয়ক ৰাইজলৈ আগবঢ়াইছে, ৰঙাফিটাৰ দৌৰাত্ম্যত প্ৰায়ভাগ খেতিয়ক তেনে সা-সুবিধাৰ পৰা বঞ্চিত হব লগাত পৰিছে । আজি বিজ্ঞানৰ যুগত কৃষি বা উদ্যোগৰ উন্নতি বিষয়ক বহুতো প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হয়। উপযুক্ত ছাত্ৰ-যুৱকসকলে চৰকাৰৰ অনুদান সাপেক্ষে এনেধৰণৰ আধুনিক প্ৰশিক্ষণ গ্ৰহণ কৰি আহি গাওঁ অঞ্চলত ৰাইজক উপকৃত কৰাৰ লগতে ক্ষুদ্ৰ উদ্যোগ আদি স্থাপন কৰিব পাৰে । চৰকাৰৰ ওপৰতে সকলো দায়িত্ব এৰি নিদি আমাৰ যুৱ সমাজেও এনে দায়িত্ব গ্ৰহণ কৰিলে ই সহজেই ফলপ্ৰসূ হ'ব ।

সমাজত বহু বিতৰ্কিত আন এটা বিষয় হৈছে ৰাজনীতি । আমাৰ সমাজে আজিও ছাত্ৰসকলক ৰাজনীতি কৰাৰ পৰা বিৰত থাকিবলৈ কয় । কিন্তু কিয় ? কোনো এটা বিষয়ত বিশৃঙ্খল ঘটিলে তাক যদি শৃঙ্খলাবদ্ধ হবলৈ বা বিশৃঙ্খলতা দূৰ কৰিবলৈ প্ৰতিবাদ জনোৱা হয় তেন্তে সেইটোও একপ্ৰকাৰ ৰাজনীতিৰ শাৰীতে সোমাই পৰিব। আমাৰ ছাত্ৰসমাজৰো অসংখ্য সমস্যা থাকিব পাৰে । উদাহৰণ স্বৰূপে অসমৰ সাম্প্ৰতিক শিক্ষা পৰিস্থিতিকে আঙুলিয়াব পাৰি । সচাঁকৈ এই শিক্ষা পদ্ধতি নৈৰাজ্যময় আৰু হতাশাব্যঞ্জক। শিক্ষাক ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ পাছতো আজি দেশৰ বহুতো সাধাৰণ শ্ৰেণীৰ মেধাবী ছাত্ৰ-ছাত্ৰীয়ে উচ্চশিক্ষা লাভ কৰাৰ পৰা বিৰত থাকিব লগা হৈছে । উপযুক্ত অৰ্হতাসম্পন্ন হোৱা স্বত্বেও বিভিন্ন সমস্যাত জৰ্জৰিত হৈ আছে এই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল । কিছুমান সাম্ৰাজ্যবাদী শক্তিৰ প্ৰৰোচনাত শিক্ষাবিৰোধী শক্তিসমূহে অসমৰ স্বাভাৱিক শিক্ষাজীৱন বিনষ্ট কৰাৰ বাবে উঠি পৰি লাগিছে; আনহাতে চৰকাৰৰ বৈষম্যমূলক শিক্ষানীতিয়ে সাধাৰণ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণক সকলোফালৰ পৰাই বঞ্চিত কৰিছে । ইয়াৰ ফলস্বৰূপে শিক্ষাজগতত দেখা দিছে অস্থিৰতা, নৈৰাজ্য আৰু অচলাৱস্থা। এনেদৰে পৰিকল্পিতভাৱে ছাত্ৰ-সমাজৰ সময়, শক্তি আৰু অৰ্থৰ অপচয় ঘটাৰ বিৰুদ্ধে ছাত্ৰসমাজে প্ৰতিবাদ নকৰি হাত-সাৱটি বহি থকাৰ প্ৰশ্নই উঠিব নোৱাৰে। ইয়াৰ পৰাও কি ছাত্ৰসমাজ বিৰত থাকিব লাগিব ? প্ৰতিবাদ বুলি কোৱাৰ লগে লগে কথাটো একপ্ৰকাৰ ৰাজনীতিৰ ঠেক গণ্ডীৰ ভিতৰতে সোমাই পৰিছে। ইয়াৰ উপৰিও আজি সমাজত কিছুমান স্বাৰ্থপৰ ৰাজনৈতিক নেতাই নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে ভুৱা কিছুমান নীতি প্ৰচাৰ কৰি ফুৰা দেখা যায়। আমাৰ সমাজৰ হোজা ব্যক্তিবোৰে তেনেলোকৰ কথাতে সহজে পতিয়ন যায় । গতিকে এনে লোকসকলক সমাজৰ পৰা বাছি উলিয়াই জনসাধাৰণক শুদ্ধ পথ দেখুওৱাৰ দায়িত্বও আমাৰ যুৱ-ছাত্ৰ সমাজৰেই । মহান সংস্কৃতিৰ ঐতিহ্য বহনকাৰী বিশাল ভাৰতবৰ্ষৰ এক ক্ষুদ্ৰ অংশ হৈছে আমাৰ এই অসম দেশ । নানা জাতি উপজাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা আমাৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিক কেইবাশ বছৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৰপীৰাত বহুৱাই মৰ্যাদাপূৰ্ণ স্থানত স্থাপন কৰি গৈছিল । অথচ সেইহেন সংস্কৃতিবান সমাজখনক আজি অপসংস্কৃতি তথা দুষ্কৃতিয়ে চাৰিওফালৰ পৰা ৰঘুমলা হৈ আৱৰি আনিছে যে আমাৰ সাতামপুৰুষীয়া সংস্কৃতি আজি অপমৃত্যুৰ পথত । বৌদ্ধিক চিন্তা-চৰ্চা, আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা কথা-বতৰা, পিন্ধন-উৰণ ইত্যাদি সকলো দিশত পৰিস্ফুট হয় সেইখন সমাজৰ সংস্কৃতি । কিন্তু সদ্যহতে দেখা গৈছে যে পুজিঁপতি সমাজ ব্যৱস্থাৰ কুফলবোৰ আমাৰ এই সমাজত প্ৰতিফলিত হৈছে । বৌদ্ধিক চিন্তা-চৰ্চাৰ দৈন্যতা-অভদ্ৰ জনোচিত আচাৰ-ব্যৱহাৰ, অশালীন কথা-বতৰা, বিসদৃশ পিন্ধা-উৰা, উশৃঙ্খল জীৱন নিৰ্বাহ আদিয়ে সংস্কৃতিবানসকলক শঙ্কিত কৰি তুলিছে । পশ্চিমীয়া অবক্ষয়ী পুজিঁপতি সমাজৰ কুফলবোৰ আমাৰ সমাজলৈ অতি সহজতে আমদানি হয় আৰু সাংঘটিক ধৰণে সমাজত বিয়পি পৰে। উদাহৰণস্বৰূপে আমি আঙুলিয়াব পাৰো বৰ্তমান আমাৰ যুৱ সমাজ বিধ্বংসী মাৰাত্মক নিচাযুক্ত সামগ্ৰীবোৰলৈ । এই সামগ্ৰীবোৰে যুৱশক্তিৰ শাৰীৰিক আৰু মানসিক উন্নতি সাধনৰ প্ৰধান অন্তৰায় । অসমতে নহয় আজি বিশ্বৰ দিশে দিশে এই দ্ৰব্যৰ পয়োভৰ বৃদ্ধি পাইছে । বৰ্তমানে নিচাদ্ৰব্যই সমাজৰ উচ্চ-নীচ, ছাত্ৰ-যুৱক আনকি বৃদ্ধকো সাঙুৰি লৈছে । প্ৰকাশ্যে বা গোপনীয়ভাৱে হ'লেও সমাজৰ অধিক সংখ্যক লোকে ইয়াক সেৱন কৰাৰ পৰা বিৰত থকা নাই । এইবোৰৰ কুফলবোৰ ভোগ কৰিছে আমাৰ জাতিটোৱে । আজিকালি এই কথা প্ৰায়েই পৰিলক্ষিত হয় যে কোনোবা সাংস্কৃতিক অনুষ্ঠান আদি পাতিলে অনুষ্ঠানটোত উপস্থিত থকা শতকৰা প্ৰায় ত্ৰিশ-চল্লিশ ভাগ পুৰুষ বা চেঙেলীয়া ডেকাই সুৰামত্ত হৈয়ে অনুষ্ঠান উপভোগ কৰে; যাৰ ফলত বেছি ভাগ ছোৱালী বা মহিলাই সেই অনুষ্ঠান উপভোগ কৰাৰ পৰা বিৰত থাকিব লগা

হয়। অন্য অনুষ্ঠানৰ কথা বাদ দি আমাৰ জাতীয় উৎসৱ "বহাগ বিহু" উপলক্ষে পতা সন্মিলন, বহাগীমেলা, বহাগী-বিদায় ইত্যাদি অনুষ্ঠানবোৰলৈকে আঙুলিয়াব পাৰো। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-যুৱ সমাজৰ দায়িত্ব নথকা নহয়। তেওঁলোকে কোনো সাংস্কৃতিক অনুষ্ঠানত মুখাপিন্ধা এনে ভদ্ৰব্যক্তিক দেখিলে সমাজৰ আগত তেওঁলোকৰ কৃত্ৰিম মুখা খুলি দি প্ৰকৃত সত্তা উদঙাই দিব লাগিব। নহলে আমাৰ জাতীয় সংস্কৃতি অপসংস্কৃতিৰ কৰাল গ্ৰাসত সোমাই অন্ধ আৰু খোৰা মানুহৰ তুল্য হৈ পৰিব।

আমি কেৱল আমাৰ চৰকাৰখনকে সকলো ফালৰ পৰা দোষাৰোপ কৰিলে নাইবা কেৱল চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি হাত সাবতি বহি থাকিলে নহব। যিহেতু চৰকাৰৰ এটা সমস্যাই সমস্যা নহয়। আনহাতে যিটো সময়ত যুৱ ছাত্ৰৰ মাজৰ পৰাই চৰকাৰ গঠন হৈছে, সেইটো সময়ত যুৱসমাজে বা ছাত্ৰসমাজে সমাজৰ অপসংস্কৃতিৰ বিৰুদ্ধে উপযুক্ত মনোবলেৰে যুঁজ দিব পাৰিলেহে তেওঁলোকৰ প্ৰকৃত মনুষ্যত্ব প্ৰকাশ পাব। কেৱল যে যুৱ-ছাত্ৰই সমাজৰ এনে গধুৰ দায়িত্ব লব লাগিব এনে নহয়; সমাজৰ বিবেক-বান ব্যক্তিসকলৰ এইক্ষেত্ৰত দায়িত্ব আৰু কৰ্তব্য অধিক।

১৯৮৫ চনটো ৰাষ্ট্ৰসংঘই ঘোষণা কৰিছিল আন্তঃ-ৰাষ্ট্ৰীয় যুৱবৰ্ষ হিচাপে। সেই যুৱবৰ্ষৰ মূল উদ্দেশ্য আছিল গ্ৰহণ(Participation), উন্নয়ন (Development) আৰু শান্তি (peace)। গতিকে আজি যুৱ-ছাত্ৰ সমাজে এই তিনিটা উদ্দেশ্যৰে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ, যুদ্ধৰ বিৰুদ্ধে শান্তি-প্ৰগতি, আৰু দুষ্কৃতিৰ বিৰুদ্ধে সংস্কৃতি প্ৰচাৰ কৰি অসমীয়াৰ বুকুলৈ পুনৰ শান্তিৰ সুধা নমাই আনিবলৈ চেষ্টা কৰাৰ বৰ্তমানেই উপযুক্ত সময়। ●

অসমীয়া জাতিৰ সাংস্কৃতিক, সামাজিক, ভাষাগত অস্তিত্ব আৰু ঐতিহ্য ৰক্ষা কৰিবলৈ হ'লে বৰ্তমান ভাৰতীয় সংবিধানৰ বিধি-ব্যৱস্থাবোৰেই যথেষ্ট নহ'ব। তাৰ বাবে নতুন সাংবিধানিক ব্যৱস্থা লাগিবই। ভাবিব পৰা এই ব্যৱস্থাবোৰৰ ভিতৰত দ্বৈতৰপীয়া নাগৰিকত্ব (ডুৱেল চিটিজেনশ্বিপ) প্ৰায় অৱশ্যম্ভাৱী হৈ পৰে। ভাৰতীয় সংবিধানৰ পঞ্চম ধাৰাত ভাৰতীয় নাগৰিকত্বৰ সীমা বান্ধি দিয়া হৈছে আৰু একাদশ ধাৰাত নাগৰিকত্ব স্বত্বক বিধি প্ৰণয়নৰ যোগে অনুশাসন কৰিবলৈ ভাৰতীয় সংসদক (পাৰ্লিয়ামেণ্ট) ক্ষমতা দিয়া হৈছে। সংবিধানৰ তৃতীয় পৰিচ্ছেদত নাগৰিকৰ বাবে কিছুমান মৌলিক স্বত্বৰ বিধান কৰা হৈছে (ধাৰা ১২ আদি)। ইয়াত কিন্তু একৰপীয়া নাগৰিকত্বৰে ধ্যান ধাৰণাহে বৰ্তমান। দ্বৈতৰপীয়া নাগৰিকত্বই দেশখনক ভাগি যোৱাতহে সহায় কৰিব পাৰিব বুলিও কোনোৱে ভাবিব পাৰে। কিন্তু এনে প্ৰথা প্ৰচলিত থকা ছুইজাৰলেণ্ড বা ছোভিয়েট ৰাছিয়াত সেই প্ৰথাৰপৰা কোনো হৰণ-ভগন ঘটা নাই, বৰং ছুইছ কনফেডাৰেশ্যন আৰু ছোভিয়েট ইউনিয়ন বলিষ্ঠহে হৈছে আৰু আঞ্চলিক সংগঠনৰ যোগে ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক শক্তিক সমৃদ্ধ কৰা হৈছে। কেণ্টন, কমিউন আৰু ফেডাৰেশ্যন —এই তিনি স্তৰপত ছুইছ নাগৰিকত্ব সন্নিৱিষ্ট থাকে। বিবিধ ৰিপাব্লিকৰ বিশিষ্ট গুণচৰিত্ৰ অনুসৰি সুকীয়া সুকীয়া অৰ্থনৈতিক আৰু সামাজিক উদগতি সাধন কৰি ছোভিয়েট ইউনিয়নৰ সমৃদ্ধি বৃদ্ধি কৰা হয়। এইদৰে বিভিন্ন গোটবোৰে নিজৰ বিকাশ সাধন কৰি সমস্ত দেশৰ ৰূপৰ উন্নতি সাধে।

— মহেশ্বৰ নেওগ

# অসমীয়া সাহিত্যৰ প্ৰথম গতিধাৰাত মিছনেৰীসকলৰ অৱদান

নিবেদিতা শইকীয়া
একাদশ শ্ৰেণী (বিজ্ঞান শাখা)

১৮২৪ চনৰ আগলৈকে, প্ৰায় ১৮১৯ চনৰ পৰা মানহঁতে অসম আক্ৰমণ কৰে। এই আক্ৰমণত অসমৰ অৱস্থা অতি শোচনীয় হৈ পৰিল। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সংস্কৃতিৰ দিশত উন্নতিৰ হেঙাৰ হৈ উঠিল এই মানৰ আক্ৰমণ। কিন্তু মানহঁতে ইংৰাজৰ লগত যুদ্ধ কৰি হাৰিলত ১৮২৬ চনত ইয়াণ্ডাবু নামে এখন ঠাইত এক সন্ধি কৰে। এই সন্ধি অসম তথা ভাৰতৰ বুৰঞ্জীত ইয়াণ্ডাবু সন্ধি নামেৰে জনাজাত।

এই ইয়াণ্ডাবু সন্ধিৰ পাছত ইংৰাজসকলে লুপ্ত হ'বধৰা অসমীয়া জাতিৰ জীৱনত প্ৰাণৰ সঞ্চাৰৰ কাৰণে উঠি পৰি লাগিল। কিন্তু অসমীয়া জাতিৰ তেতিয়াও সৌভাগ্যৰ দুৱাৰ মুকলি হোৱা নাছিল। ইংৰাজৰ আপ্ৰাণ চেষ্টাৰ ফলত অসমীয়া জাতি তথা ভাষাৰ উন্নতি হলেও, অসমৰ ডাঙৰ ডাঙৰ ডা-ডাঙৰীয়া আৰু বিষয়াসকলে ইংৰাজ-শাসন খুব সহজে মানি লব পৰা নাছিল। ১৮৩০ চনৰ আশে-পাশে পিয়লী ফুকন, গমধৰ কোঁৱৰ আদি বিষয়াসকলে ইংৰাজৰ প্ৰতি কৰা বিদ্ৰোহ আদিয়েই প্ৰমাণ। এওঁলোকে ইংৰাজৰ শাসন মানি নোলোৱাৰ কেইবাটাও কাৰণ আছিল। প্ৰথমতে, অসমৰ মানুহৰ গাত তেতিয়াও স্বাধীনতাৰ তেজৰ সোঁত প্ৰবাহিত হৈয়ে আছিল, দ্বিতীয়তে, ইংৰাজৰ শাসনত অসমবাসীয়ে পূৰ্বৰ সা-সুবিধাবোৰ পোৱা নাছিল। ফলত অসমত স্বাধীনতাৰ আন্দোলনে গা-কৰি উঠে। এই আন্দোলনৰ ফলস্বৰূপে ১৮৩৮ চনত ইংৰাজে অসমৰ শাসনভাৰ নিজৰ হাতত তুলি লয়। গতিকে দেখা যায় ইংৰাজ শাসনৰ সময়ত, অসমীয়া মানুহে নিজৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি চকু দিয়া নাছিল। কিন্তু, ১৮৫৩ চনত আনন্দৰাম ঢেকীয়াল ফুকন, মণিৰাম দেৱান আদিয়ে জৰ্জ মিলৰ লগত অসমীয়া মানুহৰ দুৰৱস্থাৰ কাৰণসমূহ আলোচনা কৰে। কিন্তু ১৮৩৬ চনত ইংৰাজে অসমত থকা বঙালসকলৰ কথামতে আদালত আৰু পঢ়াশালিৰ পৰা অসমীয়া ভাষা উঠাই তাৰ ঠাইত বঙালী ভাষা প্ৰচলন কৰে। ফলস্বৰূপে, অসমৰ সকলো চৰকাৰী-বেচৰকাৰী কামত বঙালসকলক নিয়োগ কৰিলে। কাৰণ এটা নতুন ভাষা শিকি হঠাতে উন্নতিৰ জখলাত বগোৱা টান। আদালত আৰু পঢ়াশালি সকলোতে বঙলা ভাষা হোৱাত অসমীয়া ভাষা লাহে লাহে লুপ্ত হব ধৰিলে।

কিন্তু ঠিক সেই সময়তে অসমীয়া জাতিৰ ভাগ্যৰ আকাশত সৌভাগ্যৰ সূৰুযে দেখা দিলেহি। ১৮৩৬ চনত অসমত ধৰ্ম প্ৰচাৰৰ বাবে শুভ লগ্নত ভৰি দিলেহি বেপ্টিষ্ট মিচন ছোচাইটিৰ সভ্যসকলে! মিছনেৰীসকল আহিছিল অসমত খৃষ্ট-ধৰ্মৰ পোহৰ সুমুৱাবলৈ। এই মিছনেৰীসকল অহাৰ আগতে ১৮২৯ চনত শ্ৰীৰামপুৰৰ ৰেভাৰেণ্ড কেৰি চাহাবে ডেভিদ স্কটৰ অনুৰোধক্ৰমে জেমছ্ ৰে (James Ray) নামৰ এজন মিছনেৰীক খৃষ্ট-ধৰ্মৰ প্ৰচাৰৰ কাৰণে অসমলৈ পঠায়। তেওঁ গুৱাহাটীত খৃষ্টীয়ান ধৰ্মৰ প্ৰচাৰ পুস্তিকা বিতৰণ কৰে আৰু এটা গীৰ্জা ঘৰ স্থাপন কৰে। কিন্তু আৰ্থিক দুৰৱস্থাৰ কাৰণে ১৮৩৮ চনত শ্ৰীৰামপুৰৰ মিছনেৰীয়ে বেপ্টিষ্ট মিছনক পথ এৰি দিলে। ১৮৩৬ চনৰ মাৰ্চমাহত পোনপ্ৰথম অসমৰ শদিয়াত ভৰি-দিয়েহি ৰেভাৰেণ্ড নাথান ব্ৰাউন আৰু টি কাট্টাৰ। তাৰ-পিছত ব্ৰন্সন, বাৰ্কাৰ আদি মিছনেৰীসকল আহে। তেওঁ-লোক আহিছিল খামটি, চিংফৌ আদিৰ মাজত ধৰ্ম-প্ৰচাৰ কৰি চীনৰ লগত সংযোগ স্থাপন কৰাৰ আশাত। কিন্তু এই পাহাৰীয়া জন-গোষ্ঠীৰ মাজত ধৰ্ম-প্ৰচাৰ কৰা এওঁ-লোকৰ পক্ষে সম্ভৱ নোহোৱাত ভৈয়ামলৈ নামি আহে। ১৮৪৩ চনত ব্ৰাউন, ব্ৰন্সন, বাৰ্কাৰ আৰু দেশীয় খৃষ্টান-সকল গুৱাহাটীত সমবেত হৈ উত্তৰ পূৰ্বাঞ্চল বেপ্টিষ্ট সমাজ স্থাপন কৰি গুৱাহাটী, নগাওঁ আৰু শিৱসাগৰ শাখা সামৰি লয়।

তেওঁলোকে যি উদ্দেশ্যৰে অসমত ভৰি দিছিল সেই উদ্দেশ্য সিদ্ধি হোৱাৰ আগতেই তেওঁলোকে দেখিলে

যে, অসমত অসমীয়া ভাষাৰ লুপ্তপ্ৰায় অৱস্থা । সেয়েহে ধৰ্ম প্ৰচাৰৰ লগে লগে তেওঁলোকে শিক্ষা প্ৰচাৰৰ বাবে উঠি পৰি লাগিল । কিন্তু সেই সময়ত অসমৰ পঢ়াশালিত বঙলা ভাষা হোৱাত অসমীয়া সমাজ শিক্ষাৰ ক্ষেত্ৰত তেনেই পিছ পৰি ৰৈছিল । কিন্তু মিছনেৰীসকলে ধৰ্ম-প্ৰচাৰৰ লগে লগে দুই এখন সৰু সৰু কিতাপ অসমীয়া ভাষাত লিখি প্ৰচাৰ কৰিছিল । আনপিনে শ্ৰীৰামপুৰৰ পাদুৰীসকলে কলিয়াবৰৰ আত্মাৰাম শৰ্মাৰ দ্বাৰা 'বাইবেল' পুথিখন অসমীয়া ভাষালৈ অনুবাদ কৰি উলিয়াই ১৮৩৮ চনত । ইয়াৰ পাছৰ বছৰত অৰ্থাৎ ১৮৩৯ চনত যাদুৰাম ডেকাবৰুৱাই অসমীয়া অভিধান এখন প্ৰণয়ন কৰি কৰ্ণেল জেনকিঞ্চনৰ হাতত অৰ্পণ কৰে । ইয়াৰ পাছত অসমৰ শিৱসাগৰত ১৮৪০ চনত ছপাখানা বহুৱাই দুই এখনকৈ খৃষ্টানী ধৰ্মপুস্তক প্ৰকাশ কৰে । সেই কেই বছৰতে গুৱাহাটীৰ ছেমিনেৰিৰ হেডমাষ্টাৰ ৰবিন্সন চাহাবে ইংৰাজীত 'অসমীয়া ভাষাৰ ব্যাকৰণ' (A Grammar of Assamese Language) লিখি উলিয়ায় । এইখনেই অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ । সেই কালছোৱাত সাহিত্যৰ সৃষ্টি খুব কমেই হৈছিল । সেইসময়ৰ লেখকসকল আছিল আত্মাৰাম শৰ্মা, কাশীনাথ তামুলীফুকন, শ্ৰীমতী কাট্টাৰ, বিশেশ্বৰ বৈদ্যাদিপ, যাদুৰাম ডেকাবৰুৱা আৰু মণিৰাম বৰভাণ্ডাৰ বৰুৱা, হলিৰাম ঢেকীয়ালফুকন ইত্যাদি ।

কাশীনাথ তামুলীফুকনে ১৮৪৪ চনত 'অসম বুৰঞ্জী', শ্ৰীমতী কাট্টাৰে ১৮৪০ চমত 'অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য', বিশেশ্বৰ বৈদ্যাদিপৰ 'বেলিমাৰ বুৰঞ্জী', ১৮৩৩-৩৮ চনত, যাদুৰাম ডেকাবৰুৱাৰ ১৮৩৯ চনৰ 'অসমীয়া অভিধান' আৰু মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ ১৮৩৮ চনত ৰচিত 'বুৰঞ্জী বিবেকৰত্ন' ইত্যাদি কিতাপসমূহেই উল্লেখ-যোগ্য ।

ইয়াৰ পাছত ১৮৪৬ চনত শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰাই 'অৰুণোদয়' নামেৰে এখন মাহেকীয়া আলোচনী ওলায় । অসমীয়া জাতীয় জীৱনৰ প্ৰথম আলোচনী হৈছে এই 'অৰুণোদয়' । অৰুণোদয়ৰ প্ৰথম সম্পাদক আছিল ৰেভাৰেণ্ড ও, টি, কাট্টাৰ । তাৰ পিছত ক্ৰমান্বয়ে নাথান ব্ৰাউন, এ,এইচ ডেনফোৰ্থ আৰু এচ, এম হুইটিং, মাইলচ বন্সন, এৰ্চবাড ৰে ক্লাৰ্ক আদিয়ে সম্পাদনা কৰে । শেষৰ বছৰত এ, কে, গাৰ্নিৰ সম্পাদনাত কাকতখন প্ৰকাশ হয় । কোনোদিনে বাতৰি কাকতৰ মুখ নেদেখা অসমীয়াৰ মাজত অৰুণোদয় এক আতোলতোলৰ বস্তু হৈ পৰিল । ১৮৫৬ চনলৈকে কাকতখন, আলোচনী আৰু সংবাদ পত্ৰ, দুটা খণ্ডত প্ৰকাশ কৰা হৈছিল, কিন্তু, ১৮৫৬ চনৰ পৰা সংবাদপত্ৰৰ অংশ উঠাই দিয়া হয় । এই অৰুণোদয় কাকত খৃষ্টধৰ্মৰ প্ৰচাৰৰ বাবে প্ৰকাশ কৰা হৈছিল যদিও ইয়াত বিভিন্ন দেশৰ সংবাদ, ঐতিহাসিক কাহিনী, ধৰ্মৰ কথা, চুটি গল্প, নৈতিক শিক্ষা, ভূগোল, বিজ্ঞান আদি প্ৰকাশ হৈছিল । এই কাকততে পোন প্ৰথম 'দেওধাই অসম বুৰঞ্জী', 'পুৰণি অসম বুৰঞ্জী' আৰু 'কামৰূপৰ বুৰঞ্জী' প্ৰকাশ হয় । ইয়াৰ উপৰিও 'ৰামনৱমী' নাট, Pilgrims Progress ৰ অনুবাদ আদিয়ে কাকতখন অধিক শক্তিশালী কৰি তুলিছিল । এই অৰুণোদয় কাকতে অসমীয়া সাহিত্যৰ ভৰাঁল যথেষ্ট চহকী কৰি বহুতো অৱদান দি থৈ গৈছে । এই কাকতে অসমীয়া সমাজত পাশ্চাত্য সভ্যতাৰ পোহৰ সুমুৱাই আধুনিকতা প্ৰতিষ্ঠা কৰিছিল । দ্বিতীয়তে এই কাকতে অসমীয়া জাতিক দেশ বিদেশৰ জ্ঞানৰ ভাণ্ডাৰ আৰু জগতৰ লগত পৰিচয় কৰাই দিছিল । তৃতীয়তে পঢ়াশালি আৰু আদালতৰ পৰা বঙলা ভাষাৰ প্ৰচলনৰ বিৰোধিতা কৰি অসমীয়া ভাষাক নায্য স্থানপোৱাত সহায় কৰিছিল । চতুৰ্থতে আনন্দৰাম ঢেকীয়ালফুকন, নিধিৰাম ফাৰৱেল, হেমচন্দ্ৰ বৰুৱা আদিক অসমীয়া সাহিত্যত দীক্ষিত কৰায় । পঞ্চমতে অসমীয়া আলোচনী আৰু বাতৰিকাকত প্ৰৱৰ্তনৰ আদৰ্শ দাঙি ধৰি বাতৰিকাকতৰ ব্যৱহাৰ তথা সাংবাদিকতাৰ সুচনা কৰে ।

অৰুণোদয় কালৰ খৃষ্টিয়ান লেখকসকলৰ ভিতৰত বিখ্যাত আছিল ডাক্তৰ নাথান ব্ৰাউন, ডক্তৰ মাইলচ ব্ৰন্সন, এ,কে, গাৰ্নি, নিধিৰাম ফাৰৱেল আদি । সেইদৰে অসমীয়া লেখকসকল আছিল আনন্দৰাম ঢেকীয়ালফুকন আৰু হৰকান্ত বৰুৱা ।

ডক্তৰ নাথান ব্ৰাউনৰ অসমীয়া সাহিত্যলৈ অৱদান-সমূহ আছিল, ১৮৪৯ চনত বাইবেলৰ 'নিউ টেষ্টামেণ্ট'ৰ অসমীয়া ভাঙনি । সেইদৰে বাইবেলৰ মাৰ্ক, মেথিউ, লিউক আদি চাৰিটা খণ্ড ভাঙি 'খৃষ্টৰ বিৱৰণ' আৰু 'শুভযাত্ৰা' নাম দি ১৮৫৪ চনত পুথিৰ আকাৰে প্ৰকাশ কৰে । এখেতেই ১৮৪৮ চনত 'অসমীয়া ভাষাৰ ব্যাকৰণ' (Grammatical notes of the Assamese language) প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভৰাঁল চহকী কৰি থৈ গৈছে । ইয়াৰ বাহিৰেও 'যাত্ৰিকৰ যাত্ৰা', 'যোচেফৰ কাহিনী', 'যিশুখৃষ্টৰ জীৱনী'ও ৰচনা কৰে । ১৮৪৬ চনত ৰেভাৰেণ্ড কাট্টাৰৰ লগত তেওঁ অৰুণোদয় কাকত উলিয়ায় । ইয়াৰ বাদেও গণনাৰ কিতাপ প্ৰথম আৰু দ্বিতীয় ভাগ ব্ৰাউনে ৰচনা কৰি পঢ়াশালিত চলাইছিল ।

ব্ৰাউনক সকলো কামতে সহায় কৰিছিল তেওঁৰ পত্নী এলিজা ব্ৰাউনে । এই দম্পতিহালৰ দান অসমীয়াই চিৰকাল স্মৰণ কৰিব ।

ডক্তৰ নাথান ব্ৰাউনৰ পাছত ডক্তৰ মাইলচ ব্ৰন্সনে বাইবেলৰ ভালেখিনি অনুবাদ বিশেষকৈ কিছুমান স্তুতি অসমীয়ালৈ অনুবাদ কৰে । ১৮৬৭ চনত তেওঁৰ লিখিত 'অসমীয়া অভিধান' ছপা হয়। এই অভিধানখনত প্ৰায় ১৪,০০০ শব্দ সংকলন কৰা হৈছিল । এইঅভিধানখন ১৯০০ চনলৈকে ভাষাৰ একমাত্ৰ সম্বল আছিল । কিন্তু ১৯০০ চনত হেম বৰুৱাৰ 'হেমকোষ' প্ৰকাশহোৱাত ব্ৰন্সনৰ অভিধানখনৰ প্ৰচলন খুব কম হবলৈ ধৰিলে ।

এই ব্ৰন্সন চাহাবৰ পাছৰ অসমীয়া সাহিত্যত অৱদান যোগোৱা বিদেশী মিছনেৰীজন আছিল এ,কে, গাৰ্নি । ১৮৭৪ চনৰ পৰা তেওঁ ১৯০৭ চনলৈ খৃষ্টিয়ান ধৰ্মযাজকৰ পদত থাকি অসমত খৃষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰি সৰু সৰু পুথি প্ৰণয়ন কৰে । তেওঁ 'প্ৰাচীন নিয়ম' (Old Testament) খন অসমীয়ালৈ অনুবাদ কৰাৰ উপৰিও এইচ, পি, মূৰৰ লগলাগি 'নিউ টেষ্টামেণ্ট'খনৰ অনুবাদ সংশোধন কৰিছিল ।তেওঁ ১৮৮১ চনত 'ৰুথ আৰু যোচেফৰ কাহিনী', ১৮৭৮ চনত 'কানি বেহেৰুৱাৰ কথা', ১৮৭৭ চনত 'এলোকেশী বেশ্যাৰ কথা' আৰু 'কামিনীকান্তৰ চৰিত্ৰ' আদি পুথি অসমীয়াত ৰচনা কৰিছিল । ১৯০৫ চনত এখন অসমীয়া মাহেকীয়া আলোচনীৰ ৬ টা সংখ্যা প্ৰকাশ কৰিছিল । এ, কে, গাৰ্নিৰ পত্নীয়েও অসমীয়া সাহিত্যলৈ যথেষ্ট অৱদান দি থৈ গৈছে ।শ্ৰীমতী গাৰ্নিয়ে বঙলাৰ পৰা অনুবাদ কৰা পুথিখন আছিল 'ফুলমনি আৰু করুণাৰ কাহিনী' ।

অসমীয়া ভাষালৈ অৱদান আগবঢ়োৱা আৰু এজন লেখক হ'ল 'নিধিৰাম ফাৰৱেল'। এওঁ 'অৰুণোদয়' কাকতৰ নিয়মিত লিখক আছিল । তেওঁৰ লিখনিসমূহ প্ৰকাশ কৰোতে তেওঁ ন,ল,ফ, নাম লৈছিল। ন,ল,ফৰ লিখনিসমূহ বেছিভাগ প্ৰবন্ধ আৰু কবিতা আছিল । এই কবিতাসমূহ পুৰণিসাঁচত গঢ়া । এই লিখনিসমূহত প্ৰকাশ পাইছিল, সেই সময়ত অসমৰ মঠ-মন্দিৰ, তীৰ্থস্থানসমূহত ধৰ্মৰ নামত চলা অনাচাৰ-অবিচাৰ, ধৰ্মৰ গুৰি ধৰোতা গুৰু বা পাণ্ডাসকলৰ ধনলিপ্সা, মিছা প্ৰৱঞ্চনা আৰু ঠগ-বাজি আদি ব্যভিচাৰসমূহ। তেওঁৰ 'নিস্তাৰৰ উপাই', 'প্ৰভু যিচুখৃষ্টৰ অৱতাৰ বিৱৰণ', 'নৰকৰ বিৱৰণ', 'বিনয় বচন' আদি লিখনিসমূহ উল্লেখযোগ্য। ইয়াৰ উপৰিও ১৮৫২ চনত ৭ম সংখ্যাৰ পৰা ১৮৫৩ চনলৈকে ১ম সংখ্যা ধাৰাবাহিকভাৱে ন-অধ্যায়ত প্ৰকাশ পাইছিল 'তীৰ্থৰ বিৱৰণ' । তেওঁ গদ্য-পদ্য, প্ৰবন্ধ লিখাৰ উপৰিও খৃষ্টধৰ্ম সম্পৰ্কীয় পুস্তিকা আৰু 'পদাৰ্থসাৰ' নামে এখন পুথি ৰচনা কৰিছিল ।

এই লিখকসকলৰ উপৰিও আৰু কেইজনমান লেখক লেখত লবলগীয়া আছিল । তেওঁলোক আছিল, শ্ৰীমতী এচ,আৰ,বাৰ্ডৰ, আনন্দৰাম ঢেকীয়ালফুকন, শ্ৰীমতী কাট্ৰাৰ ইত্যাদি উল্লেখযোগ্য । শ্ৰীমতী এচ,আৰ,বাৰ্ডৰ ১৮৬৪ চনত 'ইংৰাজী অসমীয়া শব্দকোষ' প্ৰকাশ পায় । আনন্দৰাম ঢেকীয়ালফুকনে বঙলা ভাষাত 'অসম বুৰঞ্জী' আৰু 'কামাখ্যা যাত্ৰা পদ্ধতি' নামে দুখন পুথি ৰচনা কৰি বিনামূল্যে বিলাই দিছিল । ১৮৪৭ চনত অৰুণোদয়ত 'ইংলণ্ডৰ বিৱৰণ' আৰু ১৮৪৯ চনত 'অসমীয়া লৰাৰ মিত্ৰ' প্ৰকাশ হয় । ইয়াৰ উপৰিও শ্ৰীমতী কাট্ৰাৰৰ 'ইংৰাজী অসমীয়া খণ্ডবাক্যকোষ' প্ৰকাশ হয় ।

অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়োৱা এই খৃষ্টিয়ান মিছনেৰীসকলে ১৮৭৩ চনত ইংৰাজ শাসকসকলৰ লগত লাগি লাগি অসমৰ পঢ়াশালি ও আদালতৰ পৰা বঙালী ভাষা উঠাই তাৰ ঠাইত পুনৰ অসমীয়া ভাষাৰ প্ৰচলনত সহায় কৰিছিল । এই ক্ষেত্ৰত সেই সময়ৰ অসমৰ উচ্চ শিক্ষাৰে শিক্ষিত আনন্দৰাম ঢেকীয়ালফুকনকে প্ৰমুখ্য কৰি বহুতো অসমীয়া ডেকাই অসমৰ শিক্ষা মাধ্যম অসমীয়া ভাষা কৰিবৰ কাৰণে আপ্ৰাণ চেষ্টা কৰাৰ কথাও মনকৰিবলগীয়া।


অসমত এই মিছনেৰীসকলেই আধুনিকতাৰ বীজ ৰোপন কৰে । অৰুণোদয় কাকতৰ পাছত উদগনি পাই আৰু কেইবাখনো বাতৰি কাকতৰ প্ৰচলন হয় । এই কাকতসমূহ হ'ল—১৮৭১ চনৰ পৰা ১৮৮৩ চনলৈকে চলা 'আসাম বিলাসিনী', ১৮৭২ চনৰ পৰা ১৮৭৩ চনলৈকে চলা 'আসাম মিহিৰ' আৰু ১৮৭৪ চনৰ পৰা ১৮৭৫চনলৈ 'আসাম দৰ্পণ'েই প্ৰধান । এই কাকতসমূহে অসমীয়া সাহিত্যৰ ভৰাঁল চহকী কৰি থৈ গৈছে ।

গতিকে দেখা যায় যে, সেই ইংৰাজ ৰাজত্বৰ সময়ত যদি এই মিছনেৰীসকলে অসমত ভৰি নিদিলেহেঁতেন তেতিয়াহ'লে হয়তো আজি অসমীয়া জাতিৰ অস্তিত্বই বিচাৰি পোৱা নগ'লহেতেন । কোনো অসমীয়াই এই মিছনেৰীসকলৰ গুণ পাহৰিলে নহ'ব । আমাৰ প্ৰতি খোজে খোজে নিহিত হৈ আছে মিছনেৰীসকলৰ অৱদান । তেওঁলোকৰ এই অৱদান আমি চিৰদিন মনত ৰখা উচিত। ●

কবিতা

# পুৱালত পোহৰ বেলিৰ ৰাতি

অধ্যাপক হিতেশ শৰ্ম্মা



পুৱালত পোহৰ বেলিৰ ৰাতি ;
এবেলি আতৰিলোঁ দেহক খচ্চৰ,
দলঙত বৈ একপলকত—
আঁজুৰি বতাহে নিগৰায় আকুতি
গম্ভীৰ শিলত খোদিত মুখৰ ।

বন্ধ কৰোঁ এঙামুৰি পোছাকী লেফাফা এটাৰে
ৰাতিৰ ৰাতিটো দীঘল সুহুৰি ৰেলৰ,
তেজত লোৰ খান্দি উজাই অহা সুৰংগেৰে
পোত খাই থকা অনিদ্ৰা নীল গাঢ়তৰ ।

অন্ধকাৰত বেঙেনাবুলিয়া সহস্ৰ সূৰ্যৰ খাক্ সুষমা,
যোনিময় শংখিল সমুদ্ৰৰ বুকুত,
জুবুৰিয়াই অনুভৱ কৰোঁ একান্তে সুৰীয়া আঙুলিৰে
কাকলিমুখৰ স্তনৰ উজ্জল অহংকাৰ নিটোল ।

প্ৰভাতৰ পাঠশালাত দিনে দিনে
ৰাতিৰ স্বচ্ছন্দ ফুলাম প্ৰহৰক কৰি শৃংখলিত
কৰ্কশ কঠিন ধ্বনিৰ আঘাত
হানিছোঁ বাৰংবাৰ নিজৰে জিভাত ।

ৰিক্ত কৰোঁ পৰিপূৰ্ণ প্ৰমিথিয়ুচৰ ৰাতি
ময়েই খুটি খুটি কলিজাৰ কোষ লৱণাক্ত শ্যামল
ভগাই দি দিনৰ ভগৱান প্ৰতিটো প্ৰহৰক —
আগ্ৰাসী, লোভী, কুটিল, জটিল,
বিষাক্ত, চঞ্চল —


নিস্ব হৈ সৰি পৰোঁ বাৰে বাৰে
নীল পদুমৰ অঘ্ৰাণ পলসলৈ
জীৱনৰ পানপাত্ৰ অন্ধ চিবিলৰ দৰে
পলে পলে পূৰ্ণ কৰোঁ
বন্ধ্যা যন্ত্ৰণাৰ আৱকেৰে ।
কাণ পাতি শুনোঁ গুঞ্জৰিত পৰসত
পৃথিবীৰ প্ৰাচীন নদীৰ,
খহি পৰা সকলো নক্ষত্ৰৰ আৰ্তস্বৰ,
শিল্পৰ আমোঘ স্ফোটন ;

শুনোঁ
নদীৰ বুকুত ৰাতি
আঁজুৰি চিঙি নি তীক্ষ্ণ হাতোৰাৰে ৰূপোৱালী হাৰ
পুৱাতে নিৰুদ্দেশ হোৱা
প্ৰাকৃত চৰাইৰ সেউজীয়া কলৰৱ । ❁

## ৰাজধানী

অধ্যাপক বিনোদ গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ


সুদৃশ্য, সুউচ্চ অট্টালিকাই
ঘোষণা কৰে আধিপত্যৰ
নিৰীক্ষণ কৰে
গলিয়ে গলিয়ে সিঁচৰিত হৈ থকা
নগ্ন কঙ্কালধাৰী জীৱ।
দিনে দিনে প্ৰতি দিনে
প্ৰহৰে প্ৰহৰে
কিনা বেচা হয় নেতা পালি-নেতা
বজাৰৰ পণ্য মালৰ দৰে।
জন্ম হয় অলেখ বিনিদ্ৰ প্ৰাণৰ
ৰাজধানীৰ ফুটপাথত, অলিয়ে গলিয়ে
পেশাদাৰী বুদ্ধিজীৱীৰ দল
মগজুৰ হয় জুৱাখেল।
সৃষ্টি হয় আয়াৰাম গয়াৰামৰ
ভাঙে পাতে চৰকাৰ ৰাতাৰাতি
চুক্তি কৰে লিখিত অলিখিত অনেক চনদ
দেশী বিদেশী ক'লা বেপাৰী
সিহঁতৰ নাই বিৰতি
কিশোৰ কিশোৰীয়ে টিলিকিতে উৰুৱাই দিয়ে
যৌৱন
মেৰিজুৱানাৰ ৰাগিত সিহঁত উত্তাল। ●



## ৰৌদ্ৰ লালসা

চৈয়দা আকেলা খানম
অধ্যাপিকা (অসমীয়া বিভাগ)

সাম্যবাদৰ কথা কৈ কবিসকলে যেতিয়া
কবিতা লিখিছিল
তেতিয়া সিহঁত শিল আৰু বোকাৰে আৱৰা
ঠিক ৰাস্তাৰ ওপৰত
খেদ্ খেদাইছিল, জপিয়াইছিল
গান গাইছিল আৰু হাঁহিছিল
দাৰিদ্ৰই সিহঁতক আমনি
কৰিব নোৱাৰিছিল
দুৰ্বাৰ শীত আৰু চিৰাল ফটা ৰ'দত
উৱলি নোযোৱালৈকে সিহঁতে
একেযোৰ সাজকে পিন্ধি
আকাশত পালতৰা নাও উটুৱাই দি হাঁহিছিল।
সেইখিনিতে পাটকাই আৰু
নগাপাহাৰৰ যোজনাত
আকাশ নামি আহিছিল। ●



## এখন ছবি

নীৰা ৰাজকোৱৰ
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

পথৰুৱা বতাহজাকৰ দোলনিতে দোলিলো
বা লগা মনৰ বাটে বাটে
দুহাত উদং কৰি সিঁচি দিলো
মনৰ অযুত হেপাহবোৰ।
ধূলিয়ৰি এজাক বতাহে
হঠাতে কোবাই গ'লহি
মাটিৰ বুকুত মুখখন গুজি দিছো
কিবা এটা আমেজ পোৱাৰ ইচ্ছাৰে। ●


# আমি আৰু সিহঁত


ৰঞ্জুমণি দাস
স্নাতক ২য় বাৰ্ষিক (কলা)

ক'লা ডাৱৰৰ অন্ধকাৰৰ মাজত
আমি ৰৈ আছো
চাবলৈ,
কোমল সূৰুযৰ পোহৰৰে
এটা নতুন পুৱাৰ মুখ।
আমি জীয়াই আছো
মনত অদম্য বাসনা
আৰু
জীয়াই থকাৰ অনন্ত প্ৰস্তুতি
লৈ।
আমি জাগি উঠিছো
শোষণৰ কাৰচাজি
ধ্বংস কৰিবলৈ।

সিহঁতে নাচিছে
ৰক্ত শোষণত
জনতাৰ ওপৰত বলীয়ান
হৈ
সহস্ৰ শৃগালৰ দৰে
সিহঁতে ৰাউচি জুৰিছে
বিৰাট ঐশ্বৰ্যৰ কথা ভাবি।

আমি ৰৈ আছো অনন্ত প্ৰতীক্ষাত
দিগন্ত বিস্তৃত পথাৰত
বিয়পিব যেতিয়া
দিনৰ উজ্জলতা আৰু ৰাতিৰ সুগন্ধ
চৰাইৰ গীত আৰু ফুলৰ স্নিগ্ধ সুবাস।





# একুৰা জুই

জোনা শইকীয়া
স্নাতক দ্বিতীয় মহলা (কলা)

বন্ধু
ওপৰৰ আকাশলে
মূৰ তুলি চোৱা
দেখিছানে বন্ধু —
আকাশত উৰি ফুৰা
কণুৱা চৰাইটো
কণুৱা চৰাইটোৰ বুকুতো
আছে —
ৰণুৱা তেজ।
প্ৰয়োজন হলেই বুকুচিৰি
দেখুৱাব পাৰে

বন্ধু —
তুমিও লাচিত
মইও লাচিত।
এইখন মোৰ আইৰ দেশ
এইখন মোৰ জয়া-লাচিতৰ দেশ
কোনে ক'লে বন্ধু —
লোহাৰ শৃংখলে কাক কোনে
বন্দী কৰি ৰাখিব পাৰে?
জুইৰে জুইক জানো
কোনোৱাই নুমুৱাব পাৰে?
এইকুৰা জুই কলিজাৰ জুই


বন্ধু —
কলিজাৰ জুইকুৰা এনেকৈয়ে জ্বলে,
নীলা শিখা হৈ...... ।

# আবৰ্জনাবোৰ

নিৰঞ্জন দেউৰী
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

মনত পৰিছে আজি —
এদিন শত শ্বহীদৰ আগত
মৃত্যুৰ শপত খাই কৈছিলো,
জননীৰ চকুলো মচি
বিপ্লৱেৰে সৃষ্টি কৰিম
প্ৰৱল ধুমুহা।
উৰুৱাই লৈ যাম
আইৰ বুকুত মলিয়ন হৈ থকা
সাতাম পুৰুষীয়া আবৰ্জনাবোৰ।
কিন্তু আজিও শেষ হোৱা নাই
জীয়াই থকাৰ এই সংগ্ৰাম।

আজিও লাঞ্ছিত, বঞ্চিত
মোৰ দেশৰ মানুহ
এতিয়াও দেখোন আবৰ্জনাৰে ভৰা
মোৰ দেশৰ মাটি।
সেয়েহে নিৰৱে নিৰৱে
আজিও বাজিছে বিপ্লৱ ধ্বনি
আৰু বাজিয়েই থাকিব
সিদিনালৈকে —
যিদিনালৈকে নাহে
এটি সুন্দৰ পোহৰ পুৱা। ❁



# নিয়ৰৰ কবিতা

মাণিক বৰুৱা
তৃতীয় বাৰ্ষিক (কলা)

ৰাতি কিয় ফুলে
শেৱালি ফুলৰ পাহি
নিয়ৰ কিয় সৰে
শীতৰ সেমেকা ৰাতি!

শেৱালি সুবাস কিয়
বিলায় নিয়ৰক সদায়
পুৱাৰ সূৰুযে কিয়
মুকুতা মালা পিন্ধায়!

জোনাক কিয় নামে
উজলাই ধৰাখনি
জোনালী কিয় আহে
বজায় নূপুৰ ধ্বনি!

দূৰৈত শুনো কিয়
বাঁহীৰ করুণ সুৰ
উজাগৰী ৰাতি কিয়
বিৰহত ইমান আতুৰ। ●

# সোণালী ভেটি প্ৰত্যয়ৰ


অধ্যাপক বিকাশ বৰুৱা

নীলা আকাশ ঘোলা হৈ গ'ল
আশাৰ চাকিটি জ্বলে
প্ৰবল বতাহত,
সেউজী বননিত পৰিলে এবুকু পলস,
শৰত আহি বৈ গ'ল
আকাশ আৰু পৃথিবীৰ মাজভাগত
জ্বলি জ্বলি শেষ হৈ যায়
শেৱালী শৰতৰ পৃথিবী
জীৱন বীনাৰ তাঁৰ বেসুৰা আজি
জনতাৰ কোলাহল
ৰজনজনাই এইয়া শৰতৰ আকাশ
বাজি উঠে, নিজম ৰাতিৰ করুণ বাঁহী
মহাজনৰ ভড়ালত আবদ্ধ থকা
মানিকী মধুৰী আৰু সুৱাগমণি
আঁজুৰি আনি সিঁচি দিম মন পথাৰত
আত্মবিশ্বাসৰ বহুল ভূমিত
উদয় হব ভানু, এইবাৰ শৰততে
সদলবলে
বান্ধিলো সোণালী ভেটি প্ৰত্যয়ৰ। ●

# এই পথ

বৈদ্যনাথ শইকীয়া
স্নাতক ১ম বাৰ্ষিক (কলা)

আমি বিচাৰো জীৱনৰ সঠিক পথ
হৃদয় সংগ্ৰামৰ নাচোনৰ তালে তালে
মন যায় যাবলৈ সহস্ৰ জনতাৰ একতাৰে
সংগ্ৰামৰ, বাধাহীন পথেৰে।
বিশ্বৰ জনতাক কৰিম আমি সংগঠন
মাতৃৰ ৰক্ষাৰ্থে দিম প্ৰাণ বিসৰ্জন
শত্ৰুৰ বিৰুদ্ধে আমাৰ কেঁচা তেজ
আৰু মিত্ৰৰ হকে সহস্ৰ; হৃদয়ৰ মৰম
এক মহান জীৱনৰ লক্ষ্য আমাৰ
দুৰ্জ্জয় বীৰৰ দৰে শক্তি অপাৰ
ভয় নাই, বিশ্বৰ জনতা
বিপুল জনতাক লৈ আগবাঢ়ি যাম
এক মহান অৰ্থপূৰ্ণ সংগ্ৰামৰ
সঠিক পথেৰে। ●



# শান্তি

ৰঞ্জিত ফুকন
স্নাতক ২য় বাৰ্ষিক (বাণিজ্য)

(ৰিগান গৰ্বাচেভৰ শান্তি চুক্তি প্ৰকৃত শান্তিৰ বাহক হওক)

সেমেকিছে অন্তৰভাগ
হিম চেচাঁ নিয়ৰত
বজ্ৰাহত অনুৰাগ

আচলতে কি জানা?
সিদিনাখন তুমি লগোৱা
সেই বিজ্ঞাপনবোৰৰ নিৰ্বাক শব্দবোৰ
উপৰ্যুপৰি নিৰ্জ্জীৱ নিয়ৰৰ
হেঁচাত

ৰক্তজবা কাঁইটৰ আচোঁৰত
নিগৰাদি নিগৰিছে
ৰঙবোৰ তেজ হৈ।

সিন্ধুৰ হৈ মত্ত ঢৌবোৰে
কালি কি কৰিলে জানা?
নিমজ্জ যাত্ৰীবাহীত
খুন্দামাৰি খলপাখলপে
নিঃচিহ্ন কৰাৰ বিপৰীতে
আদামৰ সন্তানক নিৰাপত্তা দিব। ●

গল্প

# নিমিলা অঙ্ক

(হেমন্ত শৰ্মা)
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

এটি পৰিয়াল। সাতোটা প্ৰাণীৰে ধনৰ, মনৰ অসুখী এটি বিশৃংখল পৰিয়াল। ভাই-ককাই ছয় জন আৰু বৃদ্ধা মাকজনী। ভনীয়েক নাই। বৃদ্ধ পিতৃ আজি প্ৰায় সাত বছৰৰ আগতেই ইহসংসাৰৰ পৰা মুক্ত হৈ এখন অজান দেশলৈ আঁতৰি গৈছে। যিখন দেশলৈ এদিন আমি সকলোৱে যাব লাগিব। গোটেই ঘৰখন অসহায়, উপায়হীন, অৰ্থহীন, নিবন্নুৱা ললিতৰ হাতত। সিয়ে ঘৰখনৰ ডাঙৰ ল'ৰা। আজি সাতবছৰে চাকৰি চাকৰি কৰি ঘূৰি ফুৰোতে আটাইতকৈ সৰু দহবছৰীয়া ভায়েকটোৰো বয়সৰ হিচাপ সোতৰ বছৰ হ'ল। সিও চাকৰি বিচাৰি নোপোৱাৰ অসহায় অৱস্থাটো বাৰুকৈয়ে উপলব্ধি কৰিব পৰা হ'ল। সি পঢ়ি আছে। তাক দেখিলে ললিতৰ অন্তৰৰ কোনোবা এটুকুৰা ঠাই বিষাই উঠে। প্ৰাক্‌বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ এজনে নিজৰ ঘৰখনৰ ওপৰত যথেষ্টখিনি টকাৰ তাগিদা দিয়ে। অথচ তাৰ সৰু ভায়েকজনে বুজিব পৰা হোৱাৰে পৰা আজিলৈকে টকাৰ কথা কোৱা ললিতে মনত পেলাব নোৱাৰে। ললিতে ভাবে এইয়া যেন তাৰ প্ৰতি দেখুওৱা পুতৌহে। ললিতে এই পুতৌ শব্দটোলৈ বৰ ভয় কৰে। সৰুতে কিতাপত পঢ়িছিল, "দুখীয়াক পুতৌ কৰিবা"। আজি তাৰ ভায়েক অলকে তাৰ পৰা এটা টকাও হাতত পালে কিতাপৰ সেই নিষ্ঠুৰ, ভয় লগা, অস্বস্তিকৰ শব্দ গাঠনিটোক আখৰে আখৰে পালন কৰিছে যেন লাগে। এৰা, সি আজিলৈকে ঘৰখনক কি দিলে? প্ৰশ্নটোৰ উত্তৰ বিচাৰি বিচাৰি সি বাৰেবাৰে এটা বৃহৎ শূন্যত খুন্দা খাইছে। সেই বৃহৎ শূন্য তাৰ বাবে এক অপমানৰ চিহ্ন। এৰা, অপমান। জীৱনৰ এক চৰম অপমান। বিশ্ববিদ্যালয়ৰ ডিগ্ৰী এটা মূৰত লৈ, এটা এটাকৈ চাৰিটা সংস্থানহীন ভাতৃৰ জ্যেষ্ঠজন হৈ সি আজি ঘৰখনক একো দিব পৰা নাই। কিন্তু কিয়? এই খিনিতে সি এডাল প্ৰকাণ্ড প্ৰশ্নবোধকত উজুটি খাইছে। উজুটি খাই সি পিছহুহুকি আহিছে। চাৰিওফালে অন্ধকাৰ দেখিছে।

ঃ ললিতদা, তিনি কাপ চাহ। জিলাপিও দিব। একাপত চেনি নিদিব।

হঠাতে শুনা মাতটোত সি বাস্তৱ জগতলৈ ঘূৰি আহিল। এৰা, এঘাৰ বাজিলেই। ওচৰৰ কলেজখনৰ পৰা ল'ৰা তিনিজন আহি ললিতৰ চাহ দোকানত বহিলহি। ললিতে চাহ জিলাপি দিলে। চিগাৰেটৰ ধোঁৱাৰে ৰিং পকাই পকাই ল'ৰা কেইজনে তিনিটা টকা দি আঁতৰি গৈছে। এয়াই ললিতৰ জীৱনৰ উপাৰ্জনৰ পথ। এখন সৰু চাহৰ দোকান। সস্তীয়া দুবিধমান বিস্কুট, পপ, মটৰৰ ঘুগুনি। দিনত চল্লিছ টকামান বিক্ৰী হয়। লাভৰ ঘৰত বাৰ টকাৰ পৰা পোন্ধৰ টকামান থাকে। বিয়া কৰোৱা বয়স পাৰ হৈ গৈছে। অভাগিনী মাকজনীয়ে বোৱাৰীয়েকৰ মৰম পাবলৈ ইচ্ছা নকৰাকৈ থকা নাছিল। পিছে ললিতে এইটো ক্ষেত্ৰত মাকক দুখ দিছিল, যদিও সৰুৰে পৰা মৰমৰ বশ হৈ মাকৰ বাধ্য ল'ৰাজনে প্ৰথম বাৰৰ বাবে মাকৰ অবাধ্য হবলৈ বহুখিনি চেষ্টা কৰিবলগীয়া হৈছিল। এটা সময়ত মাকেও তাক কবলৈ বাদ দিছিল। পুতেকৰ অসহায় অৱস্থাটো হয়তো মাকে বুজিছিল; বুজিবলৈ চেষ্টা কৰিছিল। সেই সময়ত মাকৰ মুখখন চাবলৈ তাৰ বৰ ভয় লাগিছিল। মৰমৰ পুতেকটোৱে কৰা দোষৰ বাবে মাক-বাপেকে গালি, শপনি পাৰিলে ল'ৰাজনৰ অন্তৰত যিমান দুখ লাগে তাতকৈ বেছি দুখ লাগে যেতিয়া দুখটো মাক-বাপেকে দেখিও সেইখিনি নিজৰ ভাগ্যৰ ফল বুলিয়ে ভাবি লয়। ললিতৰো সেয়ে হৈছিল। কিন্তু মানুহে কেতিয়াবা প্ৰিয়জনৰ ভবিষ্যতলৈ

চাই বৰ্তমানক অলপ দুখ দিয়াটোকে উচিত বুলি ভাবে। ললিতেও তেনেকৈয়ে ভাবিছিল । সাতজন মানুহৰেই দুবেলা দুমুঠি খাবলৈ নোজোৰে, আকৌ এটা সদস্য বঢ়াই লৈ ভবিষ্যতলৈ পৰিয়ালৰ সংখ্যা আৰু দুটা তিনিটা বেছি কৰি অনাহাৰত মৃত্যুক ওচৰ চপাই অনাটো তাৰ পাপ হব ।

: ললিত দা, দুই প্লেট ঘুগুনি । আপুনি ইমানকৈ কিনো চিন্তা কৰিছে ? আমি দুজন মানুহ আহি ইয়াত বহি আছো আপোনাৰ খবৰেই নাই ।

: এজন গৰীব পাগলে যিবোৰ চিন্তা নকৰে, মই সেই-বোৰকে চিন্তা কৰিছো । চমু অথচ অসাধাৰণ উত্তৰ এটা দি ললিতে মানুহ দুজনলৈ ঘুগুনি দুই প্লেট আগবঢ়াই দিলে। তাৰ পিছত সি দিয়া উত্তৰটোৰ উত্তৰ হ'লনে বলিয়ালি হ'ল তাকেই এবাৰ জুকিয়াই চালে তাৰ নিজকে বিশ্বাস কৰিবলৈ অসুবিধা লাগিল । সি সঁচাকৈ পাগল হৈ গল নেকি ? নাই হোৱা, সি যিমানখিনি কথা ভাবে, চিন্তা কৰে, এজন পাগলে নিশ্চয় নকৰে; কৰিব নোৱাৰে । মানুহ দুজনে টকা দুটা দি গ'লগৈ । ওচৰৰ মৰিশালি-খনৰ মৰাশ পোৰা গোন্ধ এটা তাৰ নাকত লাগিল । আগতে সেই গোন্ধটোলৈ সি ভয় কৰিছিল, অসহ্য লাগিছিল । কিন্তু তাৰ দেউতাকৰ মৃত্যুৰ পিছৰ পৰা এই গোন্ধটো তাৰ চিনাকি হৈ গল । নিজ হাতেৰে সি তাৰ মৃত দেউতাকৰ মুখত জুই দিছিল । সি বহুত কান্দিছিল সেইদিনা । দেউতাকে সিহঁতক দুখ লগাকৈ ফাঁকি দি গুচি গৈছিল । চিন্তাত শুকাই যোৱা দেউতাকৰ মুখখন তাৰ মনত পৰি গল । চকুদুটা সেমেকি উঠা যেন অনুভৱ কৰিলে সি । বাওঁহাতখন তাৰ অজানিতে গৈ চকুদুটা হেঁচি ধৰিলে । সেই সুযোগতে তাৰ দুচকুৰ পৰা তপত পানী দুটোপাল আহি তাৰ দুই ভৰিৰ মাজৰ মাটিখিনিত পৰিল । চকু পানীৰ টোপাল দুটা মাটিত পৰি বহলকৈ বিয়পি গ'ল । চকুলো দুটোপালৰ নিচিনাকৈ তাৰ অন্তৰৰ ব্যথাখিনিও বাঢ়ি গ'ল । মাকৰ শিৰৰ ৰঙা সেন্দুৰৰ ফোঁটটিৰ অনুপস্থিতিটো বেছিকৈ অনুভৱ হ'ল । দেউতাকৰ মৃত্যুৰ পিছত মাকে সিহঁতক বেছিকৈ মৰম কৰিবলৈ ললে । সিহঁতৰ দুখৰ বোজাটো বেছি গধুৰ হৈ আহিবলৈ ধৰিলে । জীৱনত ললিতে আটাইতকৈ দুখ পাইছিল সেইদিনা; যিদিনা মাকে তাক প্ৰথমবাৰৰ বাবে কৈছিল, "বোপাই, কিবা এটা কৰ। অলপ শিক্ষা থকা হলে ময়েই কিবা এটা কৰিবলৈ চেষ্টা কৰিলো-হেতেন । অন্য কাম কৰিবলৈ শৰীৰত শক্তিও নাই ।" তাৰ পিচৰ পৰাই ললিতে চাকৰি বিচাৰিছিল । অহৰহ । কিন্তু নাপালে, যেনেকৈ নাই পোৱা তাৰ অৰ্দ্ধ শিক্ষিত ভায়েককেইটাই। যেনেকৈ নাই পোৱা দেশখনৰ হাজাৰ হাজাৰ শিক্ষিত ডেকাই ।

বাহিৰত গধূলি নামিছে । ললিতে দোকানৰ পাতকেইটা লগাই দিয়ে । ৰঙা সৰু টিঙৰ বাকচটো খুলি চালে । টকাকেইটা হিচাপ কৰিলে, আঠষষ্টি টকা পঁচিশ পইচা । ইয়াৰ ত্ৰিশ টকাৰে কালিলৈৰ কাৰণে মটৰ, বিস্কুট আদি লব লাগিব । বাকী আঠত্ৰিশ টকাৰে ৰাতিটো আৰু কালিলৈৰ কাৰণে চাউল, ডাইল লব লাগিব । মাকৰ চাদৰখনো টাপলি মাৰিবলৈ ঠাই নাইকিয়া হৈছে । পাৰিলে এখন চাদৰো কিনিব লাগিব । অঙ্কটো মিলাবলৈ চেষ্টা কৰি হাতত থকা সিকিটোৰে এটা চিগাৰেট কিনি জ্বলাই ললে ললিতে ।

# জীৱনৰ অন্য নাম

নাজী বেগম
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

বৰবাইদেউ স্থানীয় ছোৱালী বিদ্যালয়খনৰ বৰবাইদেউ অলকানন্দা বৰবৰা। শান্ত চেহেৰাৰ এগৰাকী মধ্য বয়সীয়া মহিলা। বয়স তথা সন্মানে আনি দিছে বিনয় তথা গাম্ভীৰ্য, ছাত্ৰীবোৰৰ শ্ৰদ্ধাৰ, সমীহৰ বৰবাইদেউ।

শিক্ষাদানৰ বাবে থকা অসীম আগ্ৰহৰ বাবে অলকানন্দা বৰবৰাই নিজৰ সংসাৰৰ বাবে আগ্ৰহী হোৱাৰ সময়েই নেপালে। সকলোৱে এই কথা জানে। কিন্তু নেজানে একমাত্ৰ অধ্যয়ন পিপাসু মনৰ অধিকাৰী বাইদেউৰ আনটো মনৰ কথা। নেজানে বাইদেউৰ অতীতৰ কথা। ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে পুৰস্কৃত সকলোৱে শ্ৰদ্ধাৰ পাত্ৰী বাইদেউৰ মনৰ নিঃসঙ্গতাৰ বেদনা কোনেও নুবুজে, কোনেও নেজানে।

নিজৰ অফিছ ৰুমৰ পৰা বৰবাইদেউ অলকানন্দা বৰবৰাই নিবিষ্টমনে চাই আছে বন ফৰিঙৰ দৰে জপিয়াই ফুৰা ছোৱালীজাকলৈ। সিহঁতৰ হাঁহিৰ খলকনি শুনি বাইদেউৰ অন্তৰখনে বেদনাত হাঁহাকাৰ কৰি উঠিল। এতিয়াই গৈ যেন তেওঁ চিঞৰি উঠিব। তোমালোকে এনেদৰে নেহাঁহিবা নহ'লে হয়তো মোৰ দৰেই কৃত্ৰিম হাঁহিৰ মাজত, গাম্ভীৰ্যৰ মাজত নিজৰ বেদনা ঢাকি জীয়াই থাকিব লাগিব। তোমালোকে নেহাঁহিবা। আকৌ হাঁহিৰ খিলখিলনিয়ে আহি বাইদেউৰ কৰ্ণকুহৰত আঘাত কৰিলে। বাইদেউ তৎক্ষণাত বহাৰ পৰা উঠিল আৰু ছোৱালীজাকৰ ওচৰ পালেগৈ। বৰবাদেউক দেখি ছোৱালীজাকৰ হাঁহি বন্ধ হৈ গ'ল। অলকানন্দা বৰবৰাই সিহঁতৰ ওচৰ পাই চিঞৰি উঠিল — ইমান হাঁহি ইমান গণ্ডগোল কিয়? এইখন স্কুল নে আন কিবা? যোৱা, আটাইবোৰে মনে মনে ক্লাছলৈ যোৱা। বৰবাইদেউৰ এই আকস্মিক ধমকিত ছোৱালীবোৰ আচৰিত হ'ল। হাঁহিত উজ্বলি থকা সিহঁতৰ মুখবোৰ শেতা পৰি গ'ল। লাহে লাহে ছোৱালীবোৰ নিজৰ কোঠালৈ উভতিল। ছোৱালীজাকৰ মুখবোৰ তেওঁৰ চকুৰ আগেদি পাৰহৈ গ'ল। অনুশোচনাত তেওঁৰ মনটো সেমেকি গ'ল।

ক্লান্ত দেহাটো তেওঁ এৰি দিলে নিজৰ চকীখনত। তেওঁৰ বিষণ্ণ মনটো উৰা মাৰিলে তেওঁৰ সোণোৱালী অতীতলৈ। এই ছোৱালীজাকৰ দৰে তেওঁতো হাঁহিছিল।

অলকানন্দা বৰবৰা মাক-দেউতাকৰ মৰমৰ নন্দা। বান্ধৱীবৰ্গৰ অলকা আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰিয় ছাত্ৰী অলকানন্দা। শান্ত, অমায়িক অলকানন্দা সিহঁতৰ সৰু গাঁওখনৰ সকলোৰে মৰমৰ আছিল। স্কুলৰ কোনো কাম নহৈছিল অলকানন্দা নহ'লে। গাঁওখনৰ প্ৰতি ঘৰৰে প্ৰতিটো কামতে অলকানন্দাই অকুণ্ঠ সহায় সহযোগ আগবঢ়াইছিল। উদ্দাম গতিশীলতা, প্ৰাণচঞ্চলতাৰে ভৰপূৰ ছোৱালীজনী। হাঁহি হাঁহি সকলো কৰি গৈছিল। ভাগৰ নাছিল। উৎসাহৰ অন্ত নাছিল।

মধ্যবিত্ত পৰিয়াল এটাৰ অলকানন্দা আছিল চতুৰ্থ সন্তান। মধ্যবিত্ত পৰিয়ালৰ সাধাৰণতে যি সমস্যা থাকে সেই সমস্যা তেওঁলোকৰো আছিল। চাৰিজনীকৈ ছোৱালী লৈ দেউতাক মহা সমস্যাত পৰিছিল। একমাত্ৰ পুত্ৰ-সন্তানটিও অবাটে গৈছিল। অলকানন্দা আছিল সৰুৰে পৰা তীক্ষ্ণবুদ্ধিসম্পন্না। তেওঁৰ আগ্ৰহত দেউতাকে অতি কষ্টৰে তেওঁৰ পঢ়াৰ খৰছ যোগাইছিল। দেউতাকে হয়তো অলকানন্দাৰ ভয়াবহ ভৱিষ্যতৰ কথা ভাবিয়েই তেওঁৰ জীৱন গঢ়ি তোলাত সহায় কৰিছিল। বায়েক তুগৰাকীক বিয়া দি উলিয়াই দিয়াৰ পিছত তেওঁলোকৰ ঘৰৰ অৱস্থা আৰু বেয়া হৈ গৈছিল। দেউতাকৰ অৱস্থা দেখি তেওঁ নপঢ়াটোকে ঠিক কৰিছিল। কিন্তু মান্তি হোৱা নাছিল দেউতাক। নানা ধৰণে তেওঁক বুজাইছিল। বুজাই থকা অৱস্থাত দেউতাকৰ প্ৰধান কথা আছিল অলকানন্দাৰ ভৱিষ্যত। অলকানন্দাই বুজা নাছিল তেওঁৰ ভৱিষ্যত সম্পৰ্কে দেউতাক ইমান চিন্তিত কিয়? বুজিছিল বহু

পলমকৈ। ........ আৰু এদিন কৃতী ছাত্ৰী অলকানন্দাই কৃতিত্বৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ওচৰৰ টাউনৰ কলেজত কলেজীয়া জীৱন আৰম্ভ কৰিছিল।

স্কুলৰ ঘণ্টাৰ শব্দত বৰবাইদেউৰ তন্ময়তা ভাগিল। নিজৰ তন্ময় অৱস্থাৰ কথা ভাবি তেওঁ অপ্ৰস্তুত হ'ল। আজি বাৰু কি হৈছে মোৰ? নিজকে প্ৰশ্ন কৰিলে বৰবাইদেউৱে। দুদিনমানৰ আগতে ভনীয়েকক লগ পাই অহাৰ পাছত, ভনীয়েকৰ ঘৰত পাই অহা ব্যৱহাৰবোৰে তেওঁৰ মনটো উদভ্ৰান্ত কৰি পেলালে। ভনীয়েকৰ ব্যৱহাৰেই তেওঁৰ মন লৈ গৈছে অতীতলৈ। ভনীয়েকৰ সুখেৰে ভৰা সংসাৰখনলৈ তেওঁ গৈছিল দুদিনমান সুখেৰে থকাৰ আশাত। কিন্তু সকলো উলট-পালট হৈ গ'ল। নিজৰ সপোন, সপোন হৈয়ে ৰ'ল তেওঁৰ। অলকানন্দা বৰবৰাই সপোন দেখিছিল এখন সুখী সংসাৰৰ, এজন মৰমীয়াল স্বামীৰ। তেওঁৰ সপোন কিন্তু সপোন হৈয়ে ৰ'ল। কাৰো আগমন নঘটিল তেওঁৰ জীৱনলৈ। তেওঁৰ অভাৱেই হয়তো ইয়াৰ কাৰণ, কলেজত পঢ়ি থকা অৱস্থাতো তেওঁৰ কাষ চাপিবলৈ সকলোৱে ভয় কৰিছিল। এতিয়া তেওঁ ভাবে সেইয়া জানো সঁচাকৈয়ে ভয় আছিল। হয়তো সেইয়া ভয় নাছিল। আছিল ঘৃণা। কেতিয়াবা তেওঁ ভাবিছিল, তেওঁৰ কাষলৈও কোনোবা আহক, তেওঁৰ সুখ-দুখৰ বতৰা লবলৈ। কিন্তু কোনো নাহিল। নিঃসঙ্গতাৰ মাজেৰেই তেওঁৰ জীৱন পাৰ হৈ গ'ল।

নিজৰ অতীত জীৱনত বুৰ গৈ আছে অলকানন্দা। কেইবাগৰাকী শিক্ষয়িত্ৰী আহি ঘূৰি গৈছে তেওঁৰ কমৰ ওচৰৰ পৰা। বৰবাইদেউৰ সেই তন্ময়তা ভঙাৰ সাহস কাৰো নহয়। সকলোৱে লক্ষ্য কৰিছে আজি দুদিনমানৰ পৰা বাইদেউৰ উদাসীনতা। আকৌ বাজি উঠা ঘণ্টাধ্বনিত তেওঁৰ তন্ময়তা ভাঙিল। নিজৰ মনটো বাস্তৱলৈ ঘূৰাই আনি তেওঁ প্ৰকৃতিস্থ হ'ল।

স্কুল ছুটীৰ পিছত তেওঁ ঘৰলৈ আগবাঢ়িল একেই তন্ময়তাৰে, কামকৰা ছোৱালীজনীয়ে যতনাই দিয়া চাহ-জলপানৰ ভিতৰত অকল চাহকাপ খাই তেওঁ নিজৰ ভিতৰলৈ সোমাই গ'ল। কমৰ ভিতৰত থকা দেউতাকৰ ফটোখনৰ আগত বহি লৈ তেওঁ উচুপি উঠিল। তাৰ পিছত অস্ফুট স্বৰে কৈ উঠিল, — 'দেউতা, তুমি মোক সকলো দিলা, কেৱল এটা বস্তু দিব নোৱাৰিলা কিয় দেউতা? তুমিতো জানিছিলা এইটো বস্তু তুমি মোক কেতিয়াও দিব নোৱাৰা, তেনেহলে কেচুৱাতে তুমি মোক মাৰি নেপেলালা কিয় দেউতা? কিয়? .... কিয়? কিয়?' দেউতাকৰ নিৰ্জীৱ প্ৰতিচ্ছবি নিৰৱ হৈয়ে থাকিল।

কৰিবলগীয়া বহুত কাম আছে যদিও সিদিনা অলকানন্দা বৰবৰাৰ একো কৰিবলৈ মন নগ'ল। এখন কিতাপ হাতত লৈ বিছনাত পৰিল বাইদেউ। মনটো কিন্তু তেওঁৰ কিতাপৰ পাততো নবহিল। মনটো আকৌ গুচি গ'ল তেওঁৰ অতীতলৈ এতিয়াও যেন কাণত বাজি উঠিল দেউতাকৰ উচ্ছাসিত মাত— "নন্দা, তই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছ আই"। সেইদিনা অলকানন্দাই দেখিছিল দেউতাকৰ চকুত আনন্দৰ চকুলো, দেউতাকৰ দুভৰি চুই সেৱা কৰি অলকানন্দাই কৈছিল— "আশীৰ্বাদ কৰিবা দেউতা, আগলৈয়ো যাতে এনেদৰে আগবাঢ়িব পাৰো। শিক্ষাৰ ক্ষেত্ৰত তেওঁ ঠিকেই আগবাঢ়িছিল। আগবাঢ়িব পৰা নাছিল জীৱনৰ পথত।

তাৰপাছত দেউতাকৰ হাজাৰ বাধা স্বত্তেও তেওঁ চাকৰি বিচাৰিছিল। তেওঁ ভাবিছিল চাকৰি কৰি থাকিও তেওঁ পঢ়িব। দেউতাকৰ বয়স হৈছে, তেওঁ জিৰণি ল'ব লাগে। ভনীয়েকক পঢ়ুৱাৰ দায়িত্বও তেওঁ নিজে ললে। শেষত স্থানীয় স্কুলখনতে তেওঁ দেউতাকৰ কামটোতে সোমাইছিল। কামৰ মাজতো তেওঁ নিজৰ অধ্যয়ন চলাই থাকিল। তেওঁ বি, এ পাছ কৰিলে। ভনীয়েক ইলোৰানন্দাইও এদিন এম, এ পাছ কৰিলে। তেওঁৰ বিয়াৰ বাবে সকলো উঠি পৰি লাগিল। অলকানন্দা মান্তি নহ'ল। দেউতাকৰ বুজনিয়েও কাম নিদিলে। আচলতে অলকানন্দাৰ জীৱনলৈ তেতিয়ালৈকে কাৰো আগমনেই ঘটা নাছিল। অলকানন্দাই নিজকে কইনা বেশত সজাই চাইছিল মনে মনে। অদ্ভুত এক তৃপ্তি পাইছিল তেওঁ। মনে মনে কাৰোবাৰ কল্পনা কৰিছিল। কিন্তু কল্পনাৰ ৰাজকুমাৰ পখীঘোঁৰাত উঠি তেওঁৰ কাষলৈ নাহিল। আহিল ভনীয়েক ইলোৰানন্দাৰ কাষলৈহে। প্ৰথমতে ভনীয়েক বিয়াত বহিবলৈ মান্তি হোৱা নাছিল। তেওঁ কৈছিল,' বাইদেউৰ বিয়াৰ পিছতহে মোৰ বিয়া পাতিব দেউতা।' সেই ইলোৰানন্দাৰে আজি ইমান পৰিৱৰ্তন কেনেদৰে হ'ল? তেওঁৰ ওচৰৰ পৰা আঁতৰি যোৱাৰ সময়ত কান্দি-কাটি বাউলি হোৱা সেইজনী ইলোৰানন্দাই জানো বৰ্তমানৰ ইলোৰানন্দা?

ইলোৰানন্দাৰ বিয়াৰ পিছত অলকানন্দা আৰু দেউতাক ঘৰখনত অকলে ৰৈ গ'ল। তেতিয়াও তেওঁ বাট চাইছিল এজন সুস্থ, সবল পুৰুষৰ আগমনলৈ। তেওঁ গম পাইছিল দেউতাকেও তলে তলে চেষ্টা


কৰিছিল; কিন্তু কোনো অহা নাছিল। সকলো হাঁহিমুখে মানি লৈছিল অলকানন্দাই। বুকুত নিঃসঙ্গতাৰ বেদনা লৈ তেওঁ নিৰ্বিকাৰ চিত্তে সকলো কৰি গৈছিল। অধ্যয়নৰ মাজত নিজকে বিলাই দিছিল। ইটোৰ পিছত সিটোকৈ, দুটা তিনিটা ডিগ্ৰী লৈছিল।.... আৰু এদিন তেওঁক অকলশৰীয়া কৰি দেউতাকেও এই পৃথিৱীৰ পৰা আঁতৰি গৈছিল। দেউতাকৰ মৃত্যুৰ সময়ত তেওঁ গম পাইছিল তেওঁৰ জীৱন সত্য, যিটো তেওঁৰ কাম্য নাছিল। তাৰপিছত এই স্কুলখনত চাকৰিটো পাই তেওঁ চিৰদিনৰ কাৰণে গাঁও এৰি আঁতৰি আহিল। এৰি থৈ আহিল গাঁৱৰ চিনাকি মাটিৰ মোহ। আৰু সেই তেতিয়াৰ পৰা তেওঁ এই স্কুলখনৰ লগত জড়িত হৈ পৰিল। শিক্ষকতাৰ মাজত নিজকে বিলীন কৰি পেলালে। তাৰেই স্বীকৃতি স্বৰূপে তেওঁ বৰ্তমান এই স্কুলৰ বৰবাইদেউ। দুবছৰৰ আগতে বৰবাইদেউ অলকানন্দা বৰবৰা ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে পুৰস্কৃত হ'ল। সকলো পাইয়ো নিঃসঙ্গ মন সাগৰত তেওঁ অকলশৰীয়া।

নিঃসঙ্গতাৰ বেদনাই তেওঁৰ মনক আমনি কৰিলে দেউতাকৰ ফটোৰ আগত বহি তেওঁ ঘণ্টাৰ পাছত ঘণ্টা কটাই দিয়ে। সেইদিনা দেউতাকৰ ফটোৰ আগত বহিও তেওঁৰ মনটো শান্ত হোৱা নাছিল। এনে লাগিছিল যেন দেউতাকে উপকাৰৰ নামত অপকাৰহে বেছি কৰিলে। সেয়েহে দুদিনমান ভনীয়েকৰ লগত কটাই অহাৰ আশাৰে তেওঁ ভনীয়েকৰ ঘৰলৈ গ'ল। কিন্তু নোযোৱা হ'লেই হয়তো ভাল আছিল। উচ্চপদস্থ চৰকাৰী বিষয়া ভনীজোৱায়েক অঙ্কুৰে তেওঁৰ উপস্থিতি সহজভাৱে ল'ব পৰা নাছিল। ভনীয়েকো যেন স্বামীৰ লগতে একমত আছিল। দুদিন কৃত্ৰিমতা বজাই ৰখাৰ পিছত তেওঁলোকৰ প্ৰকৃত ব্যৱহাৰ ওলাই পৰিছিল। দ্বিতীয়দিনা ৰাতি তেওঁ শুনাকৈয়ে অঙ্কুৰে সুধিছিল ভনীয়েকক — তোমাৰ বাইদেউৰা কিমান দিন থাকিব? সোনকালে পঠিয়াই দিবা। নহলে বেৰিৰ বাৰ্থদে'ত মানুহৰ আগত কি বুলি চিনাকি দিবা? ইলোৰানন্দাই কি কৈছিল তেওঁ শুনা নাছিল। কেৱল অঙ্কুৰৰ চিঞৰ তেওঁৰ কাণত পৰিছিল — তেওঁ জানো তোমাৰ নিজা বাইদেউ যে বাইদেউ বুলি চিনাকি দিবা, হুঁ। অঙ্কুৰে আৰু কি কৈছিল শুনাৰ সাহস অলকানন্দাৰ নহ'ল। ৰাতিটো কোনোমতে কটাই পিছদিনা ৰাতিপুৱাই তেওঁ গুচি আহিছিল। প্ৰতিবাদৰ ক্ষীণ শব্দ এটাও ইলোৰানন্দাই উচ্চাৰণ কৰা নাছিল।

অঙ্কুৰৰ কথাবোৰ বাৰে বাৰে তেওঁৰ মনত পৰিল। সেইবোৰ কথাই তেওঁৰ মনত অলপো শান্তি দিয়া নাই এইকেইদিন। তেওঁ আৰু ইলোৰানন্দা সহোদৰা নহয়। এই কথা চিৰসত্য। সেই সত্য দেউতাকেও তেওঁক জনাই গ'ল মৃত্যুৰ সময়ত। তেওঁ যে পিতৃ-মাতৃ পৰিচয়হীনা। দেউতাকে তেওঁৰ নিজ সন্তানৰ মৰ্যাদা দিলেও আনে নিদিয়ে। তেওঁ যে কাৰোবাৰ অবৈধ সন্তান।

এদিন দোকমোকালি পৰত কিবা কামত কৰবালৈ যোৱা তেওঁৰ দেউতাক (?) হৃদয়নাথ বৰবৰাই ৰাস্তাৰ দাঁতিত এটি কণমানি শিশুৱে কান্দি থকা দেখি শিশুটিক ঘৰলৈ লৈ আহিছিল। সেই শিশুটোক তেওঁ নিজ সন্তানৰ মৰ্যাদা দি নিজৰ ঘৰতে ৰাখিলে। নানা জনে নানা কথা কৈছিল যদিও তেওঁ তাত কাণ দিয়া নাছিল। সেই কণমানি শিশুটিয়েই হ'ল বৰ্তমান কৃতী শিক্ষয়িত্ৰী অলকানন্দা বৰবৰা। বাইদেউক মৃত্যুশয্যাৰ পৰা দেউতাকে সকলো জনাই গৈছিল। দেউতাকৰ প্ৰতি গভীৰ শ্ৰদ্ধাত বাইদেউৰ মূৰটো দোঁ খাই গ'ল। কিন্তু হঠাৎ তেওঁৰ এনে লাগিল যেন দেউতাকে তেওঁৰ অপকাৰহে কৰিলে। সেইদিনা তেওঁক বুটলি ননা হ'লে, হয়তো বাইদেউৱে আজি নিঃসঙ্গতাৰ বেদনাৰ বোজা বব নেলাগিলহেঁতেন।

বৰবাইদেউ অলকানন্দা বৰবৰাই বাস্তৱলৈ ঘূৰি আহি দেখিলে পৃথিৱীলৈ ইতিমধ্যে ভালকৈয়ে এন্ধাৰ নামি আহিছে। নিঃসীম এন্ধাৰ। ঠিক তেওঁৰ জীৱনলৈ নামি অহা এন্ধাৰৰ দৰে পৃথিৱীখনকো এন্ধাৰে গ্ৰাস কৰি পেলালে। উঠি গৈ লাইটটো জ্বলাবলৈ তেওঁৰ মন নগ'ল। তেওঁ একেদৰেই পৰি ৰ'ল পৰম নিৰ্ভৰশীল দেউতাকৰ ফটোখনত মূৰ গুজি। ●



# প্ৰেমৰ বাবে

খনিল মৰাণ
স্নাতক ১ম বাৰ্ষিক (কলা)

"দিনটো আছিল ১৯৭৯ চনৰ মাৰ্চ মাহৰ শনিবাৰ। ডিব্ৰুগড় মেডিকেল কলেজত পঢ়ি থকা ছাত্ৰ দীপক চহৰীয়াৰ একেটা মেচতে থকা বন্ধু হেমাঙ্কৰ হঠাতে টেলিগ্ৰাম অহাত আবেলি ৩-৩০ বজাৰ নামনি মুখী মেইল-খনত ঘৰলৈ গুচি গল। মেচত অকলে থাকি আমনি লগাত সোনকালেই ভাত-পানী খাই বিচনাত শুই নতুনকৈ কিনি অনা ৰহস্যখনৰ জনপ্ৰিয় লেখক সত্যৰঞ্জন কলিতাৰ এটা ভৌতিক গল্প অতি মনোযোগেৰে পঢ়ি আছিল। মেডিকেল কলেজৰ কাষতে লাগি থকা বাগিচাখনৰ পৰা নিশা দহ বজাৰ ঘণ্টাৰ কোব ভাঁহি আহিল।

টক্-টক্-টক্। হঠাৎ দীপক শুই থকা ৰুমটোৰ দৰ্জাখনত কোনোবা আগন্তুকে টুকুৰিয়ালে। কিন্তু মনোযোগে কিতাপ পঢ়ি থকা দীপকে সেই শব্দ শুনা নাছিল।

টক্-টক্-টক্। আগন্তুকে দ্বিতীয়বাৰ আকৌ টুকুৰিয়ালে। কিন্তু দ্বিতীয়বাৰো দীপকৰ কোনো সাৰশুৰেই নাই। টক্-টক্-টক্। আগন্তুকে এইবাৰ আগৰ দুবাৰতকৈ বেছি জোৰে শব্দ কৰি দৰ্জাত টুকুৰিয়াবলৈ ধৰিলে। হঠাৎ কোনোবাই দৰ্জাত টুকুৰিয়াৰ শব্দ শুনি দীপকে বিছনাত বহি চিন্তা কৰিবলৈ ধৰিলে। এই নিশাখন কোন হব পাৰে ? সি মনতে ভাবিলে। হয়তো হেমাঙ্ক ঘৰৰ পৰা আকৌ ঘূৰি আহিছে। কিন্তু হেমাঙ্কইটো আজিয়েই ঘূৰি অহা কথা নাছিল। তেন্তে এইনিশাৰ আগন্তুক কোন হব পাৰে ? নে কাৰোবাৰ বিপদ হৈছে ? এনেবোৰ নানা চিন্তা কৰি অনিচ্ছা সত্বেও দীপকে বিছনাৰ পৰা উঠি গৈ দৰ্জাখন খুলি দিলে। দৰ্জাৰ সন্মুখত আগন্তুকক দেখি দীপক সঁচাকৈয়ে আচৰিত নহৈ নোৱাৰিলে। আগন্তুক আন কোনো নহয়, দীপকৰ বাল্যকালৰ মৰমৰ বন্ধু ৰমেন ফুকন। ডিব্ৰুগড় মেডিকেল কলেজত পঢ়িবলৈ গুচি অহাৰ পাছত আজি দুবছৰেই দীপকে ৰমেনক লগ পোৱা নাই।

—আৰে, ৰমেন তই ! ইমান নিশাখন তই ক'ৰপৰা আহিলি ?

দীপকৰ কথাৰ উত্তৰ নিদি চিধাই ভিতৰ সোমাই আৰামী চকীখনত নিজৰ গাতো অলসভাৱে এৰি দি ৰমেনে কলে ;

'ঘৰৰ পৰাই আহিলো। নিশাখন তোক আমনি দিবলৈ আহিলো। তই ছাগে আমনিয়ে পাইছ ?' ৰমেনৰ কথাত বাধা দি দীপকে কলে—নাই নাই, কিয় আমনি পাম ?

... তইঁতৰ ডিব্ৰুগড় টাউনখনত ৰৰ সোনকালে দোকান-পোহাৰ বন্ধ হৈ যায় অ', নালীয়াপুলৰ ভিনি আলিত এখনো ৰিক্সা নেপালো। তাৰ পৰা তোৰ এই মেচলৈ কমেও চাৰি কিলোমিটাৰমান হব। ইমান দূৰ খোজ কাঢ়ি অহাত ভৰি দুখন টন-টনাই আহিব ধৰিছে বুইছ, —ৰমেনে চকুদুটা মুদি অনৰ্গল কথা কৈ যাব ধৰিলে।

দীপকে মাজতে কলে—বাৰু ৰমেন, তোৰ জানো ভোক লগা নাই ? ৰ, মই খোৱাৰ ব্যৱস্থা কৰো। তই অলপ আৰাম কৰ।

দীপকৰ কথা শুনি ৰমেনে বাধা দি কলে—খোৱাৰ ব্যৱস্থা আৰু কৰিব নালাগে, মই হোটেলতে খাই আহিছো। তই মিছাতে কষ্টখন নকৰিবি বুইছ। বহ দীপক, তোক আজি দুবছৰে লগ পোৱা নাই। তোক কব লগা বহুত কথা আছে। তইতো জানই, তোৰ বাহিৰে মোৰ আৰু অন্তৰঙ্গ বন্ধু কোনো নাই।

ৰমেনৰ কথাত দীপকে কোনো প্ৰতিবাদ নকৰি মাথো শুনি থাকিল।

ৰমেনে ছিগাৰেট এটা জ্বলাই ধোঁৱাবোৰ ওপৰলৈ এৰি দি কলে—

আজি বিশেষ এটা কামত ডিব্ৰুগড়লৈ আহিলোঁ। হঠাৎ তই ইয়াতে থকা কথাটো মনত পৰাত ভাবিলো, নিশাটো তোৰ তাতে থাকি যাওঁ। দীপক, আজিৰ

পৰা দুটা বছৰৰ ভিতৰত মোৰ জীৱনত কি কি ঘটনা ঘটিলে তইতো একো নেজান । সেই সকলোবোৰ কবলৈকে তোৰ ওচৰলৈ মই এই নিশাখন আহিলো । ৰমেনে কৈ যাব ধৰিলে—

তইতো জান দীপক, প্ৰদীপ মণ্ডলৰ জীয়েক নীলাক্ষি আৰু মোৰ মাজত ভালপোৱাৰ সমন্ধ গঢ়ি উঠাৰ কথা । সৰু কালৰ পৰাই একেলগে দুয়ো খেলি এদিন যৌৱনত ভৰি দিলোঁ । আৰু তেনেদৰেই এদিন যৌৱনৰ গভীৰ সাগৰত দুয়ো সাতুৰিবলৈ ধৰিলো । ভালপোৱা কি বস্তু, মোৰ যৌৱনৰ প্ৰথম প্ৰভাতত একো বুজা নাছিলো । তাইক মই নিজৰ জীৱনতকৈও ভাল পাইছিলো । এদিন এদিন কৰি তাইৰ অকৃত্ৰিম মৰমৰ পৰশত মই গভীৰৰ পৰা গভীৰতৰলৈ সোমাই গ'লো । প্ৰেম, ভালপোৱা, মৰম এইবোৰ কি মই উপলব্ধি কৰিব পৰা নাছিলো । তাৰ পিছৰ পৰাই তাইৰ অজানিতেই মই বহুতো ৰঙীন সপোন ৰচিছিলো । মোৰ মন ফুলনিৰ ফুলেৰে কৰণি ভৰাই কল্পনাৰ মালা গাঁঠিছিলো । কিন্তু মাজ বাটতে মোৰ সকলো শেষ হৈ গ'ল । সপোনৰ আমেজ সাৰ পোৱাৰ পিছত শেষ হৈ যোৱাৰ দৰে, তাইক ভালপোৱা মোৰ জীৱনৰ সমগ্ৰ ৰঙীন সপোনৰ আমেজখিনি হেৰাই গ'ল ক'ৰবাত ।

ৰমেনৰ কথা মৌন হৈ শুনি থকা দীপকে এইবাৰ মাত দিলে—

কি কলি ? সকলো শেষ মানে ! তাই তোক প্ৰতাৰণা কৰা নাইতো ?

ৰমেনে পুনৰ কৈ যাব ধৰিলে— তইতো কাহানিও নাৰীৰ সংস্পৰ্শলৈ অহা নাই দীপক, অহা হ'লে বুজিলিহেতেন । নাৰী জাতিটো যে ইমান স্বাৰ্থপৰ মই সেইকথা বিশ্বাস কৰিব পৰা নাছিলো, তাই ইমান দিনে ভুৱা প্ৰেম যাচি মোক কিয় প্ৰতাৰণা কৰিলে ? টকা পইচাৰে উভৈনদী নহলেও অসীম মৰমে ভৰি থকা মোৰ এখন অন্তৰ আছে । সূৰ্যৰ প্ৰখৰ তাপত লেৰেলি মৰহি যোৱা ফুলৰ দৰেই আজি মোৰ হৃদয়খনো শুকাই মৰহি গ'ল । মৃত্যুৰ বাহিৰে আজি মোৰ আৰু কোনো পথ নাই দীপক । মৰুভূমিৰ মাজতে মৰীচিকা খেদি ভাগৰি পৰা মই এজন ব্যৰ্থ যাত্ৰী ।

দীপকে মাজতে মাত দিলে —

কিন্তু এটা কথা ৰমেন, তই গোটেই নাৰী জাতিটোকে কিয় সাঙুৰি লৈছ ? তোক এজনী নাৰীয়েহে প্ৰতাৰণা কৰিলে । দীপকৰ এই যুক্তি শুনি ৰমেনে এটা বেদনা-মিশ্ৰিত হুমুনিয়াহ কাঢ়ি কলে —

নীলাক্ষিও সেই নাৰীজাতিটোৰ ভিতৰৰে এজনী । সমগ্ৰ নাৰীৰ দৰে তাইৰ শৰীৰটোও তেজ মঙহৰে গঠিত । কাৰণ সাপে খুটিলে কেচুলৈকে ভয় । সেয়েহে মই গোটেই নাৰী জাতিটোকে স্বাৰ্থপৰ বুলি কৈছো ।

চা ৰমেন, নীলাক্ষি আছিল প্ৰদীপ মণ্ডলৰ এক-মাত্ৰ দুহিতা । তাই সৰুৰে পৰা লাহ-বিলাহত ডাঙৰ দীঘল হোৱা । অভাৱ কি বস্তু তাই জীৱনত কোনো দিনেই অনুভৱ কৰা নাছিল । দুখীয়া পৰিয়ালৰ ছোৱালীবোৰতকৈ ধনী পৰিয়ালৰ ছোৱালীবোৰ সাধাৰণতে বেছি স্বাৰ্থপৰ । সেইখিনিতেই আমাৰ ভুল । আমি উঠি অহা ডেকাবোৰে কোনোবা গাভৰুৰ মিঠা হাঁহিত স্থান-কাল সকলো পাহৰি যাওঁ এবাৰো ভাবি নাচাওঁ ভৱিষ্যতৰ জীৱন-টোৰ বাবে । মা-দেউতা, ককাই-ভাই, ওচৰচুবুৰীয়াই আশা কৰে আমি পঢ়ি-শুনি ডাঙৰ মানুহ হোৱাটো । আমি সেইবোৰ কথা কেতিয়াবা জানো চিন্তা কৰি চাওঁ ? কথাৰ ফুলজাৰি বুলি ভাবি হাঁহি উৰুৱাই দিওঁ । শেষত যেতিয়া দ খাবৈত পোত গৈ পাৰত উঠিব নোৱৰা হওঁ, তেতিয়াহে অনুতাপ কৰো ।

ৰমেনে আকৌ ছিগাৰেট এটা জ্বলাই কব ধৰিলে— কিন্তু ভাল পোৱাৰ ক্ষেত্ৰততো কোনো ধনী-দুখীয়াৰ পাৰ্থক্য নাই । কাৰোবাক ভাল পাবলৈ যোৱাটো জানো পাপ ?

পাপ বুলি তোক কোনে কলে ? মই কেৱল এই-টোহে কব বিচাৰিছো যে ঘঁহিলে কেৱল শিলটোৱেই ক্ষয় নাযায়, ঘঁহা বস্তুটোও ক্ষয় যায় । কাৰোবাক ভাল পাবলৈ যোৱাটো মই পাপ বুলি কোৱা নাই । কিন্তু তাৰ আগতে নিজৰ জীৱনটো গঢ়ি লোৱাটো উচিত । নিজৰ ভৰিত নিজে থিয় হব পৰাৰ পাছতহে সেইবোৰত হাত দিয়াটো উচিত । ৰঘুমলাৰ দৰে আনৰ ওপৰত নিৰ্ভৰ কৰি ভৱিষ্যত জীৱন আশা কৰাটো বৰ ডাঙৰ অপৰাধ । চা ৰমেন, নীলাক্ষিৰ দৰে এজনী ধনী দুলালীক ভাল পাবলৈ যোৱাটোৱেই ভুল । বাওনা হৈ চন্দ্ৰলৈ হাত মেলা কাম আমি কেতিয়াবা মূৰ্খৰ দৰে কৰি পেলাওঁ ।

ৰমেনে দীপকৰ কথাবোৰ মৌন হৈ শুনি যাব ধৰিলে । দীপকে পুনৰ আৰম্ভ কৰিলে—

তই এবাৰ ভালদৰে ভাবি চা, আজি বিশেষকৈ আমাৰ অসমীয়া সমাজখনৰ কথা, কি যে পুতৌ লগা অৱস্থা । আজি আমাৰ দৰে মধ্যবিত্ত পৰিয়ালবোৰে চহকী সমাজখনক অনুসৰণ কৰোঁতে কৰোঁতে পানীত হাঁহ নচৰা অৱস্থা হৈছে ।

ধনী সমাজখনক অনুসৰণ নকৰিলেই হ'ল। ৰমেনে খাই থকা চিগাৰেটটোৰ শেষ অংশ মাটিত পেলাই দি গোৰোহাৰে মোহাৰি মোহাৰি কলে—।

তই ঠিকেই কৈছ, অনুসৰণ নকৰিলেই হয়। কিন্তু কৰিবলৈ পৰিস্থিতিয়ে বাধ্য কৰাইছে। অভিজাত পৰিয়ালবোৰৰ ঘৰে ঘৰে আজি মাৰুতি, টি,ভি, ফ্ৰিজ, মটৰ চাইকেল, স্কুটাৰ, গদৰেজ আলমাৰি আদি থাকিলেই নিজকে চাহাবী ভাব এটাৰে আনৰ আগত অহঙ্কাৰ কৰিব বিচাৰে। সিহঁতৰ বিলাসিতাবোৰ দেখি আমাৰ দৰে সাধাৰণ মধ্যবিত্ত পৰিয়ালবোৰেও সেইবোৰ কিনিব ধৰিছে। যদি সেইবোৰ বস্তুৰে ঘৰখন শুৱনি কৰিব নোৱাৰে, তেনেহলে ঘৈণীয়েকৰ খেচ-খেচনিত থাকিব নোৱাৰি ব্ৰহ্মচাৰী হ'ব লাগিব। অবাবত অপ্ৰয়োজনীয় বস্তুবোৰ কিনি ঘৰখন শুৱনি কৰিবলৈ যাওঁতে দৰমহাৰ টকাৰে মাহটোৰ পোন্ধৰদিন চলিবলৈ নহয়। তাৰ ফলত বেছিভাগ পৰিয়ালে অনাঅসমীয়া দোকান-বোৰত ধাৰ খাই ধাৰত পোত যাব লগা হয়। বাৰু ৰমেন, মই দেখোন তোৰ কথা শুনিবলৈ এৰি লোকৰ কথাকে সমালোচনা কৰিছো। মই কিন্তু সঁচা কথাকে কৈছো। মানুহে শুনিলে ক'ব—লোকৰ দোষ খুচৰিবলৈ কি দৰকাৰ। বাৰু এইবোৰ বাদ দে। এতিয়া আচল কথালৈ আহো। তই যে কৈছিলি নীলাক্ষিয়ে তোক প্ৰতাৰণা কৰিলে বুলি, এতিয়া ক'চোন, তাই তোক কিয় ফাকি দিলে, কিয় বিশ্বাসঘাটকতা কৰিলে?

ৰমেনে এটা দুখৰ হুমুনিয়াহ কাঢ়ি কৈ যাব ধৰিলে—

অভিজিৎ বৰুৱা এজন ন-ধনী ব্যৱসায়ী। অভিজাত পৰিয়ালত থাকিবলগীয়া সকলোবোৰেই তেওঁৰ আছে। ধন-ধান, টকা-পইচাৰে উভৈনদী। এজন সুদৰ্শন যুৱক, পুৰুষসুলভ সকলোবোৰ গুণেই অভিজিতৰ আছে। এজনী গাভৰুৰ মন ভুলাব পৰা চেহেৰা। ঘৰ শিৱসাগৰত, বয়স চল্লিচৰ কম নহয়। কিন্তু লাহ-বিলাহত ডাঙৰ হোৱা বাবে বয়সে আঁচোৰ পেলাব পৰা নাই। সেইজন অভিজিৎ বৰুৱাৰ লগত এদিন নীলাক্ষিৰ চিনাকি হৈছিল। চকুৰ চিনাকিৰ পৰাই এদিন দুদিনকৈ বহুদূৰ আগবাঢ়ি গৈছিল আৰু অৱশেষত...................... ।

ৰমেনে বাক্যটো সম্পূৰ্ণ নকৰাত দীপকে আচৰিত হৈ সুধিলে —

অৱশেষত কি হল ৰমেন? তই নিমাত কিয়? ৰমেনে দীপকৰ প্ৰশ্নৰ উত্তৰ নিদি একেথৰে চিলিঙৰ ওপৰত এটা জেঠিয়ে তাৰ চিকাৰ ধৰিবলৈ সাজু হোৱা দৃশ্যটো চাই থাকিব ধৰিলে। দীপকে বহাৰ পৰা উঠি ৰমেনৰ ওচৰলৈ গৈ দেখিলে ৰমেনৰ দুগালেদি বৈ আহিছে দুধাৰি অশ্ৰু। ৰমেনৰ চকুত অশ্ৰু দেখি দীপকেও মনে মনে চকুলো টুকিলে।

ৰমেন, তাৰ মানে অৱশেষত অভিজিতৰ লগত নীলাক্ষিৰ বিয়া হৈ গল?

অ দীপক, নীলাক্ষিয়ে মোৰ বুকুত চুৰি মাৰি অভিজিতৰ জীৱনসঙ্গিনী হল। কথাষাৰ কৈ ৰমেনে হুকহুকাই কান্দি দিলে। দীপকে ৰমেনক গাত ধৰি সান্তনা দি কলে —

দুখ কৰি একো লাভ নাই ৰমেন। তই আজি এজন পৰাজিত নায়ক। অধৈৰ্য নহবি বন্ধু। এজনী নীলাক্ষিয়ে তোক প্ৰতাৰণা কৰিলে, পৃথিবীত আৰু হাজাজনী নীলাক্ষি আছে। তাই যদি তোৰ মৰমক নেওচি আনলৈ গুচি যাব পাৰিলে, তয়ো তাইক পাহৰি যাব পাৰিব লাগিব। তই কিয় নোৱাৰিবি। ক বন্ধু, তই মাত্ৰ এবাৰ ক পাৰিম বুলি।

পাৰিম বন্ধু পাৰিম............... । ৰমেনে আৰু কব নোৱাৰিলে। বেজাৰত ভাগি পৰিল। ওচৰৰ বাগানত ৰাতি দুই বজাৰ সংকেত ধ্বনি পৰিছিল।

বেজাৰ নকৰিবি ৰমেন। ৰাতি দুটা বাজিল। এতিয়া শুই থাক। জীৱনত আৰু তেনেকুৱা ভুল নকৰিবি।

দীপক, আজি মোৰ শুবলৈ অকণো মন যোৱা নাই। গোটেই ৰাতিটো এইদৰেই পাৰ কৰি দিম।

'তই এইদৰে ভাবি থাকিলে পাগল হৈ যাবি বুইছ। আহ, শুই থাক। আমাৰ দৰে দুৰ্ভগীয়া পুৰুষবোৰৰ মৰম, ভালপোৱাৰ কোনো মূল্য নাই নেকি' বুলি কৈ দীপকে নিজৰ অজানিতেই নিজৰ চুলি খামোচ মাৰি ধৰিলে। নাই, ৰমেন নাই! আজিৰ ধনতান্ত্ৰিক যুগত ধন থাকিলে তই যি ইচ্ছা কৰ তাকে কৰিব পাৰিবি। ধন নহলে সকলো মিছা। অভিজিৎ বৰুৱাৰ ধন আছে কাৰণে নীলাক্ষিৰ দৰে টকাৰ পিছে পিছে দৌৰি ফুৰা এজনী নাৰীক অনায়াসে কিনিব পাৰিলে। আজি যদি তই অভিজিতৰ দৰে ধনী হলিহেতেন, তেন্তে নীলাক্ষিয়ে তোৰ প্ৰেমক নেওচা দি কেতিয়াও আঁতৰি নগলহেতেন পৃথিবীত দুবিধ নাৰী আছে। এবিধে ধনৰ বিনিময়ত বাপেকৰ বয়সৰ পুৰুষকো স্বামী বৰণ কৰে, আনবিধে ধনৰ পিছে পিছে দৌৰ নেমাৰে। সিহঁতে কেৱল পুৰুষজনৰ চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়ে। লাগিলে পুৰুষজন

তোৰ মোৰ দৰেই হওঁক। প্ৰেম স্বৰ্গীয়। প্ৰকৃত প্ৰেমৰ যে সঁচাই মূল্য আছে সেইটোকে সমাজৰ আগত দেখুৱাব খোজে। দীপকে অনৰ্গল কথা কৈ যোৱাত গড়ালত বন্দীহৈ থকা বাঘৰ দৰে ফোপাঁব ধৰিলে। দীপকৰ যুক্তিবোৰ শুনি ৰমেনে বিস্ময়ত হতবাক নহৈ নোৱাৰিলে।

তোক আজি মই ধন্য মানিছো দীপক। নাৰীৰ সংস্পৰ্শলৈ নোযোৱাকৈয়ে তই ইমানবোৰ কথা শিকিলি! মই এইবোৰ কথা আগতে যদি জানিলোহেতেন, তেতিয়া-হলে প্ৰেমৰ চাকনৈয়াত ককবক কৰিব নালাগিলহেতেন। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গলেও যে মৰুভূমিৰ মাজত পানী পোৱা নাযায়, সেই কথা জানিও কিয় ভুল কৰিলো? — কথাষাৰ কৈ ৰমেনে এটা হুমুনিয়াহ কাঢ়িলে।

আঢ়ৈ বাজিবৰ হ'ল, আহ ৰমেন, শুই থাক। এইদৰে টোপনি খতি কৰিলে শৰীৰ দুৰ্বল হব।

'এৰা, শুব লাগে, বুলি কৈ দুয়ো শুই পৰিল। বিছনাত পৰাৰ কিছু সময় পিছতেই দীপকে টোপনিত লাল-কাল দিলে। ৰমেনৰ কিন্তু টোপনি অহা নাই। জ্বলি থকা লাইটটো অফ কৰি শুই-শুই কিছুমান কথা চিন্তা কৰি থাকিল।

ঢং-ঢং-ঢং ঢং। বাগানৰ চকীদাৰে পুনৰ চাৰি বজাৰ সংকেত দিলে। ৰমেনে লাহেকৈ বিছনাত বহী দীপকৰ ফালে চালে। দীপক গভীৰ টোপনিত। ৰমেনৰ দুই ওঁঠৰ মাজেদি এটা হাঁহি খেলি গ'ল। লাহেকৈ বিছনাৰ পৰা নামি এখন বহী উলিয়াই ল'লে। তাৰ পিছত পেন এটাৰে লিখি গ'ল—

মৰমৰ বন্ধু,

গোটেই নিশা তোক আমনি দিয়া বাবে বেয়া নাপাবি। এটা জৰুৰী কাম থকাৰ বাবে তোক টোপনিৰ পৰা নজগোৱাকৈ গুচি আহিলো। পুনৰ লগ পোৱাৰ আশা কম। বিঃ নাই —।

ইতি,
ৰমেন

লিখা হ'লত ৰমেনে কাগজখিলা বহীখনৰ পৰা ফালি পেনটোৰে হেচা দি টেবুলৰ ওপৰত থলে। অতি সাৱধানে দৰ্জাখন খুলি বাহিৰ ওলাই আন্ধাৰৰ লগত মিলি গল ··।

লাহে লাহে ৰাতি শেষ হৈ আহিল। ধৰাৰ বুকুলৈ নামি আহিল পুৱাৰ পোহৰ। লাহে লাহে প্ৰভাতী সূৰুযৰ সেন্দুৰীয়া কিৰণে সাৱতি ধৰিলে গোটেই ধৰাখনিকে। জন্ম হ'ল এটা নতুন দিনৰ। পুৱাৰ পক্ষীৰ হৃদয়ভৰা গানত হঠাতে দীপকে টোপনিৰ পৰা সাৰ পালে। লগতে শুই থকা ৰমেনক নেদেখি নিজকে কোৱাদি কলে —

ৰমেনটো যে কি ধৰণৰ ল'ৰা। নিজে উঠোতে মোকোতো জগাই দিব পাৰে। প্ৰাতঃভ্ৰমণৰ বাবে কেতিয়াবাই ওলাই গ'ল নেকি বাৰু! বিছনাৰ পৰা উঠি বাথ ৰুমলৈ বুলি ঘূৰোতেই টেবুলত থকা কাগজখিলা দেখি খপকৰে উঠাই লৈ পঢ়ি যাব ধৰিলে। চিঠিখন পঢ়ি ভাবিব ধৰিলে — ৰমেনটো সঁচাই বৰ আচৰিত ল ৰা, চিঠি নিলিখি মুখেৰে কৈ যোৱা হলেওতো হয়। বুৰ্বক ক'ৰবাৰ, নিশাতেই আহি নিশাতেই গুচি গ'ল। ভাত-পানী খাই দীপক কলেজলৈ গ'ল যদিও কলেজত মন নবহাত দুদিনৰ বাবে ছুটীলৈ মেছলৈ ঘূৰি আহিল। নেভাবোঁ নেভাবোঁ বুলি থাকিলেও দীপকৰ বাৰে বাৰে ৰমেনৰ কথাবোৰ মনলৈ আহিবলৈ ধৰিলে। দুটা দিন পাৰ হৈ গ'ল। তৃতীয় দিনা চাহ খাই আধা পঢ়া গল্পটো পঢ়ো বুলি চকীত বহিছিলহে সেই সময়তে হেমাঙ্ক আহি ওলালহি। হেমাঙ্কক দেখি প্ৰথমে দীপকে মাত লগালে —

হেমাঙ্ক, কচোন খবৰ কি?

কান্ধৰ পৰা বেগটো নমাই হেমাঙ্কই উত্তৰ দিলে — খবৰ সকলো ভাল। কিন্তু এটা খবৰ শুনি মনটো বৰ বেয়া লাগিল।

কি খবৰ হেমাঙ্ক?

হেমাঙ্কই থোকা-থুকি মাতেৰে ক'লে—সেই খবৰ তোৰ আগত ক'বলৈ শক্তি হেৰাই গৈছে দীপক। কেনেকৈ কওঁ সেই বিষাদ ভৰা কাহিনী। তই শুনিলে পাগল হৈ যাবি। হেমাঙ্ক বেজাৰত উচুপি উঠিল।

নকব কেলৈ কি হ'ল? আমাৰ ঘৰত কিবা বিপদ হোৱা নাইতো। নে তোৰ ঘৰত হৈছে? ক হেমাঙ্ক, তই নিমাত কিয়?

হেমাঙ্কই বেজাৰত সেপঢুকি কোনোমতে ক'লে— ৰমেন আৰু এই পৃথিবীত নাই দীপক।

হেমাঙ্কৰ মুখত ৰমেনৰ নাম শুনি দীপকে বহাৰ পৰা জাপমাৰি উঠি চিঞৰি ক'লে—এইয়া তই মোক কি শুনালি হেমাঙ্ক। এই খবৰ শুনাৰ আগতে মোৰ কাণ দুখন কলা হৈ নগ'ল কিয়? দীপকে চাৰিওফালে অন্ধকাৰ দেখিলে। তাক যেন এটা সুৰঙ্গৰ ভিতৰতহে বন্ধ কৰি থৈছে। হাজাৰ হাজাৰ বৰলে

যেন একেলগে তাৰ কাণৰ ওচৰত গুণগুণাব ধৰিলে। কোনোবাই যেন এপাট চোকা অস্ত্ৰ বুকুত ভৰাই দিলে। তাৰ পাছত দীপকৰ আৰু একো মনত নাই। জ্ঞান শূন্য হৈ দীপক মাটিত ঢলি পৰিল। হেমাঙ্কই দীপকৰ মূৰত পানী ঢালি দি বিছনাত শুৱাই দিলে। কিছুসময়ৰ পাছত দীপকে চকু মেলিলে। সন্মুখত হেমাঙ্কক দেখি সুধিলে—মোৰ কি হৈছিল হেমাঙ্ক?

তই ৰমেনৰ মৃত্যুৰ খবৰ শুনি জ্ঞান শূন্য হৈ পৰিছিলি। দীপকে বেজাৰ মনেৰে ক'লে—সি আৰু কোনোদিন ঘূৰি নাহে হেমাঙ্ক। সি আমাক এৰি চিৰদিনৰ কাৰণে গুচি গ'ল।

নিয়তিৰ কি পৰিহাস? তই যোৱাৰ দিনা নিশা ৰমেন মোৰ ওচৰলৈ আহিছিল—দীপকৰ কথা শুনি হেমাঙ্কই হতবাক হৈ ক'লে—এইয়া তই কি কৈছ দীপক, ৰমেনৰ মৃত্যু আজি দুসপ্তাহৰ আগতেই হৈছে।

কি কলি তই, দুসপ্তাহৰ আগতেই হৈছে! তেনেহ'লে পৰহি গোটেই নিশা মই ভূতৰ লগত কটাই দিলো। হাঁয় প্ৰভু। দীপকে ভয়ত কঁপিব ধৰিলে। সি জীৱনত এনেকৈ কাহানিও ভয় খোৱা নাছিল। ভূত-প্ৰেতৰ অস্তিত্বও সি বিশ্বাস কৰা নাছিল। চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হিচাপে কলেজত ভৰ্তি হোৱাৰ দিনৰে পৰা মানুহৰ কঙ্কাল আগত লৈ শেষ নিশাও অকলে অকলে শৰীৰতত্বৰ কথা বুজিবলৈ চেষ্টা কৰিছিল। ভূত-প্ৰেত থকাৰ কথা সি কোনোদিন বিশ্বাস কৰা নাছিল যদিও আজি সি বিশ্বাস কৰিবলৈ বাধ্য হ'ল। দীপকে বেজাৰ মনেৰে সুধিলে—ৰমেনৰ কেনেকৈ মৃত্যু হ'ল হেমাঙ্ক?

এটা দুখৰ হুমুনিয়াহ কাঢ়ি হেমাঙ্কই আৰম্ভ কৰিলে —

সেইদিনা নিশা ন মান বজাত ৰমেন ক'ৰবাৰ পৰা আহি আছিল। বিপৰীত ফালৰ পৰা গাড়ীৰে গৈ আছিল অভিজিৎ বৰুৱা। যিজনে ৰমেনৰ বুকুৰ পৰা নীলাক্ষিক কাঢ়ি নিছিল। ৰমেনে অভিজিতক টান কথা শুনাইছিল। প্ৰতিশোধৰ ফলস্বৰূপে অভিজিতে ৰমেনক গাড়ীৰে খুন্দিয়াই থৈ যায় আমাৰ গাঁৱৰ কাষত থকা ৰিজাৰ্ভটোৰ মাজৰ দলংখনত। ৰমেনে সেই ঠাইতে মৃত্যুক সাৱতি লয়। টকাৰ জোৰত অভিজিৎ সাৰি যায়। কিন্তু তিনিদিনৰ পাছত নিশা ক'ৰবাৰ পৰা আহি থাকোতে সেইখন দলঙতে খুন্দামাৰি অভিজিতৰ থিতাতে মৃত্যু হয়। টকাৰ পাছে পাছে দৌৰি ফুৰা নীলাক্ষি এতিয়া বিধবা সাজেৰে দেউতাকৰ ঘৰতে আছে। ৰাইজে কয়, অভিজিতৰ মৃত্যুৰ কাৰণ ৰমেনৰ প্ৰেতাত্মা। হেমাঙ্ক ৰৈ গ'ল। দীপকে হিয়া ঢাকুৰি কান্দিলে।

পিছদিনা দীপকে ঘৰলৈ বুলি যাত্ৰা কৰিলে। বাটত গোটেই বাটছোৱা ৰমেনৰ কথাকে চিন্তা কৰি আহিল। বাচৰ পৰা নামি দীপকে বেজাৰ মনেৰে ঘৰলৈ খোজ ল'লে। ●

# ঘৰাতে পৰ

বুপ্রিন শইকীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

মানুহজন ওখ লেঙলেঙীয়া। সেইবাবে তেওঁৰ নাম দীঘলা হ'ল ছাগে। বুকুৰ হাড়বোৰ লেখিব পাৰি। দীঘলাই ৰামলাল ডুবেৰ কাৰখানাত মজুৱৰ কৰে। সপ্তাহটোৰ মূৰত দৰমহা হিচাপত কেইটকামান পায়। সপ্তাহটো কোনোমতে টানিটুনি চলে; মাছ-মাংস খাওঁ বুলি কলে চাৰিসাজমান লঘোনে থাকিব লাগিব। চাৰিটা ল'ৰা-ছোৱালীৰ সৈতে দীঘলাৰ পৰিয়ালটোৰ মুঠ খাওঁতা ছয়জন।

বাপেকৰ দিনৰে ডুকঠামান মাটি দীঘলাৰ ভাগত পৰিছিল। তাতে কোনোমতে খেৰৰ জুপুৰি এটাত দীঘলাৰ সংসাৰখন সোমাই থাকে। ডবা পিতা বৰষুণ দিলে জুপুৰিটোৰ ভিতৰত পানীৰ ডোঙা বান্ধে। ৰাতি বৰষুণ দিলে দীঘলাৰ পৰিয়ালটো উজাগৰে থাকিবলগীয়া হয়। জোনাক ৰাতি জোনৰ মনোৰম পোহৰ সোমাই জুপুৰিটো পোহৰাই তোলে। সেইদৰে কৃষ্ণপক্ষৰ ৰাতি কেতিয়াবা জোনাকী পৰুৱা সোমাই জুপুৰিটোৰ চুক-কোণে পোহৰাই তোলে। পূবে ৰাতিপুৱাৰ বেলিটো ট ট কৈ ওলাই আহিছে। আনদিনাৰ দৰে আজিও দীঘলাই পুৰণি খাকী ৰঙৰ ফটা পেণ্ট-চোলাযোৰ পিন্ধি কাৰখানালৈ বুলি যাবলৈ ধৰিলে। দীঘলাৰ মনলৈ আহিল বিহুলৈ আৰু বেছি দিন নাই। লগে লগে নানা ভাব-চিন্তাই দীঘলাক জুমুৰি দি ধৰিলে।

দীঘলাই দূৰৰ পৰা দেখাপালে যে কাৰখানাৰ গেটৰ সন্মুখত মানুহ এজুম গোট খাই আছে। লগে লগে দীঘলাই দীঘল ভৰি দুটা আৰু অলপ মেলি খৰ গতিৰে যাবলৈ ধৰিলে। দীঘলাই কাৰখানাৰ সন্মুখ পাই সুধি-পুচি গম পালে যে যোৱাকালি কাৰখানাত জখম হোৱা মানুহজন মৰিল। যদিহে মানুহজনক চিকিৎসালয়লৈ নিয়া হ'লহেতেন মানুহজন কেতিয়াও নমৰিলহেতেন। সেইয়ে কাৰখানাৰ মজদুৰসকলে মিলি আজিৰ পৰা অনিৰ্দিষ্ট কাললৈ ধৰ্মঘট আৰম্ভ কৰিছে। যেতিয়ালৈকে কাৰখানাৰ মালিকে মজদুৰসকলৰ লগত চুক্তিত স্বাক্ষৰ নকৰে তেতিয়ালৈকে ধৰ্মঘট অব্যাহত থাকিব।

এক নম্বৰ দফা হ'ল ভৱিষ্যতে কাৰখানাত জখম হোৱা মানুহক বিনামূলীয়া চিকিৎসা কৰা। দুই নম্বৰ হ'ল কাৰখানাত জখম হৈ মৃত্যু হোৱা মানুহক বিছ হাজাৰকৈ টকা দিব লাগিব নতুবা পৰিয়ালটোৰ ভৰণ-পোষণৰ ব্যৱস্থা ল'ব লাগিব। তৃতীয়তে বৰ্তমানে চলি থকা প্ৰতিজন মজদুৰৰ হাজিৰা দহ টকাৰ পৰা তেৰ টকা কৰিব লাগে আৰু চতুৰ্থতে কাৰখানাৰ মজদুৰসকলক বছৰেকৰ মূৰত দুযোৰকৈ ড্ৰেচ দিব লাগিব।

ইমানবোৰ হুলস্থূলৰ মাজতো দীঘলাৰ চিন্তা সপ্তাহ-টোৰ এদিন হৈ গৈছিলহে, আজিৰ পৰা যদি কাৰখানা অনিৰ্দিষ্ট কাললৈ বন্ধ হয়। অহাটো সপ্তাহত মই কেনেকৈ চলিম। দোকানতো বাকী নিদিয়া হ'ল। বহুত বাকী টকা এতিয়াও দিবলগীয়া আছে। দোকানখনৰ আগেদি অহা-যোৱা কৰি থাকিবলৈ দীঘলাৰ ভয় লাগে জানোচা দোকানৰ মালিকে মাতি আনৰ আগত দু-আষাৰ শুনায়। দীঘলাৰ মনলৈ আহিল—মৰাটো মৰিল; জীয়াই থকাবোৰে এইবাৰ জীয়াতু ভুগিব লাগিব।

সকলোৰে ধ্বনি দিছে, চিঞৰিছে—মজদুৰ ইউনিয়ন জিন্দাবাদ, জিন্দাবাদ; আমাৰ দাবী মানিবই লাগিব। কিন্তু দীঘলাৰ কোনো কাণসাৰেই নাই। সি যেন একোৱেই শুনা নাই। সি শুনিছে মাথো ল'ৰা-ছোৱালীকেইটাই ওপৰাওপৰিকৈ চিঞৰা চিঞৰবোৰ আৰু কান্দোনবোৰ— দেউতা মোক পেণ্ট এটা লাগে; ইটোৱে কৈছে; দেউতা মোক চোলা এটা লাগে। ছোৱালীজনীয়ে চিঞৰিছে, দেউতা মোক ফ্ৰক এটা লাগে, মাজতে কেচুৱাটোৱে হেপাহ পলুৱাই মাকৰ পিয়াহ খাবলৈ নাপায় চিঞৰি চিঞৰি কন্দা কান্দোনবোৰ। দীঘলাৰ গাটো জোকাৰি দুই এজনে চিঞৰিবলৈ কোৱাত সিয়ো লগতে সুৰ মিলাই দুই এবাৰ চিঞৰে। কিন্তু দীঘলাৰ মুখৰ পৰা স্পষ্টকৈ চিঞৰটো নোলায়।

অলপ সময়ৰ পাছত পুলিচ আহিল। সকলো পুলুঙা পুলুঙ কৈ ঘৰাঘৰি গুছি গ'ল। থাকিল মাথো নেতাৰূপী দুজনমান। সেই কেইজনক পুলিচে ধৰি লৈ গ'ল। দীঘলাই নানা ভাৱ চিন্তাৰে কেতিয়া গৈ ঘৰৰ বাৰান্দাত বহিলগৈ গমকে নাপালে।

"কি হ'ল, আপুনি কাম নকৰি গুছি আহিল যে"— মনেশ্বৰীয়ে সুধিলে। দীঘলাই সকলো কথা মনেশ্বৰীক ভাঙি-পাতি কলে। কথাবোৰ শুনাৰ পাছত মনেশ্বৰীয়ে হামি এটা কাঢ়ি ভিতৰলৈ সোমাই গ'ল।

এসপ্তাহ পাৰ হৈ গ'ল। কাৰখানাৰ মালিকৰ কোনো মাতেই নাই। দীঘলাই এই কেইটা দিন এনেয়ে ঘৰত বহি পাৰ কৰিছে। ক'ৰবাত হাজিৰা কৰিবলৈও এইকেইটা দিনত ক'তো কাম এটাও নাই। দীঘলাৰ চিন্তাই দুগুণকৈ বেৰি ধৰিলে।

মনেশ্বৰীয়ে কলে, "আজি খাবলৈ একো এটা নাই। খুদকণ যি কেইটামান আছিল তাকো শেষ হ'ল। দোকানলৈ যাব লাগে।" কিন্তু দোকানলৈ দীঘলাই যায় কেনেকৈ? আগৰে ইমানবোৰ বাকী আছে! দোকানীয়ে আকৌ দিব কেনেকৈ ....। বহুতো ভাবি-চিন্তি শেষত উপায়-বিহীন হৈ দীঘলা এখোজ দুখোজ কৈ দোকানলৈ বুলি ওলাই গ'ল। দোকানীক দীঘলাই কি কব কি নকব একো গত লগাবকে পৰা নাই। সন্ধিয়া নামি আহিছে। কেউফালে ক'লা ডাৱৰে আৱৰি আহিছে। দীঘলাই আকাশখনলৈ চাই মনতে ভাবিব ধৰিলে, আজি নিশ্চয় ডবা-পিতা বৰষুণ আহিব। খেলিমেলি চিন্তাৰে কেতিয়া গৈ দীঘলাই দোকান পালেগৈ গমকে নেপালে। দোকানত গ্ৰাহকৰ ভীৰ বেছি হৈছে। দীঘলা বহুত সময় দোকানৰ দুৱাৰৰ কাষত ৰৈ থাকিল। যেতিয়া গ্ৰাহকৰ ভীৰ পাতলিল তেতিয়া অসমীয়া ভাষা ভালকৈ ক'ব নজনা দেবনাথ মহাজনে মাত লগালে—"কি দীঘলা ককাই, আপনাকে কি দিম কোৱক। কিন্তু বাকী দিব নোৱাৰিম। আগৰ বাকী টকাখিনি দিব নেকি?"

দীঘলাৰ বুকুখন চিৰিংকৈ কপি উঠিল .... "দীঘলা ককাই, আপনাৰ আগৰ বাকী নব্বৈ টকা আছে। সেই টকা পৰিশোধ কৰিলে আকৌ বাকী দিব পাৰিম।" দীঘলাই প্ৰথমে সেমেনা-সেমেনি কৰিবলৈ ধৰিলে কিয়নো এতিয়াও দোকানত দুজনমান গ্ৰাহক আছে। দীঘলাই হাতযোৰ কৰাৰ দৰে মহাজনক ক'বলৈ ধৰিলে, "মই কাতৰ অনুৰোধ কৰিছো, মোৰ হাতত এতিয়া টকা একেবাৰেই নাই। মই যিকোনো উপায়ে আপোনাৰ টকাখিনি পৰিশোধ কৰিম। এতিয়া যেনেতেনে দুদিনমানৰ কাৰণে বাকী দিয়ক।"

মূৰ জোকাৰি দেৱনাথ মহাজনে ক'লে, 'নহব, নহব, নোৱাৰিম, আগৰ টাকাই পোৱা নাই, এতিয়া আকৌ আপনাক বাকী দিম কেনেকৈ ....... আপনালোকৰ কামো বন্ধ হৈয়ে গৈছে। কেতিয়া কাম আৰম্ভ হ'ব আৰু মই কেতিয়া টাকা পাম। মোৰ কি টাকা গাছত লাগিছে .... আগৰ টাকাখিনি সোনকালে দি দিব নহ'লে পাছত মই সুতে মূলে ল'ম। চিধা আঙুলে ঘিউ নোলালে মই তেৰা আঙুলে ঘিউ উলিয়াম।'

দীঘলাই আকৌ ক'বলৈ ধৰিলে, 'মোক আপুনি যেনেতেনে আজিতো বাকী দিয়ক।'

"মই কৈছো নহয়, মই নোৱাৰিম। আগৰ টাকা-খিনিয়েই পোৱা নাই এতিয়া আকৌ কেনেকৈ দিওঁ। আপনালোকৰ কাৰণে আমি ইয়াত ধৰমচালা খুলি থোৱা নাই নহয়। কম পানীত মাছে যিমান ছটফটালেও কোনো কামত নাহে সেইবাবে দীঘলাই মহাজনৰ মুখত কোনো কথা নকৈ বোবা হৈ থাকিল। অলপ সময়ৰ পাছত দেবনাথ মহাজনে সুধিলে, "আচ্ছা, আপনাৰ লৰাটো কিমান ডাঙৰ হৈছে ....?"

'আঠ বছৰ হৈছে।'

'ঘৰত কি কৰে সি?'

'সি দ্বিতীয়মান শ্ৰেণীত পঢ়ি আছে।'

"আৰে ৰাম ৰাম, গাত নাই ছাল বাকলি আৰু ল'ৰাক পঢ়াই পণ্ডিত বনাবলৈ আহিছে। কালিৰ পৰা তাক মোৰ ইয়ালৈ কাম কৰিবলৈ পঠিয়াই দিবি।"

দীঘলাই থৰ লাগি মহাজনলৈ চাব ধৰিলে ....

"কি চাইছ, তাক মোৰ ঘৰলৈ পঠিয়াই দিবি.... ঘৰত দুটা এটা কাম কৰিব আৰু পথাৰত গৰু চাব। মোৰ ইয়াত খাই ৰৈ থাকিব পাৰিব। কাপোৰ দিম। এক মাচ-দুই মাচৰ পৰে টাকা দিম। কালিলৈ তাক পঠিয়াই দিবি আৰু এতিয়া কি কি বস্তু লাগে লৈ যা।"

'কিন্তু তাৰ পঢ়া কি হ'ব ....?'

'ৰাম ৰাম, পঢ়ি ফালিব নেলাগে। ভালকৈ খাবলৈ পিন্ধিবলৈ না-পাইলে কেনেকৈ পঢ়িব।'

শেষত দীঘলাই চকু চলচলীয়া কৰি থোকাথুকি মাতেৰে ক'লে, 'ঠিক আছে তাক কালিলৈ লৈ আহিম।'

হাতত বজাৰৰ মোনাটো লৈ ঘৰলৈ আহোঁতে দীঘলাৰ মুখখন বিজুলী ঢেৰেকণিৰে ক'লা কৰি পেলাইছিল

আৰু দীঘলাই ভাবি আচৰিত হৈছিল অহা কালিৰ পৰা পুতেকে মহাজনৰ ঘৰত চাকৰ খাটিবলৈ যাব; নুমলীয়া অৱস্থাতে পুতেকৰ এনে বিলৈ! এতিয়াৰ পৰাই যদি আনৰ ঘৰত এনে কামৰ বোজা লবলগীয়া হয়, সেই বোজাৰ ভৰত জানো সি মানুহ হৈ উঠিব? দীঘলাৰ নিজৰ গাতেই সম্পূৰ্ণ ভুল। এনে মানুহ জীয়াই থকাতকৈ নথকাই ভাল। মই কিয় সিহঁতক জন্ম দিছিলো—দীঘলাৰ বুকু ভুকুৱাই কান্দিবলৈ মন গ'ল। মনেশ্বৰীক দীঘলাই কথাটো ক'লে। মনেশ্বৰীয়ে ক'লে, 'এইবাৰ সি শ্ৰেণীৰ ভিতৰত প্ৰথম হৈ পাছ কৰিছে। তাৰো পঢ়াৰ খুউব ইচ্ছা আছে। তাক কেনেকৈ এই কুমলীয়া বয়সতে আনৰ ঘৰত চাকৰ খটুৱাই জীৱনটো ধ্বংস কৰো?'

মনেশ্বৰীৰ মৰমৰ ডাঙৰ বাপুক আনৰ ঘৰলৈ পঠিয়াবলৈ অকণো মন নাই।

দীঘলাই ক'লে, 'উপায় নাই, ভালকৈ খাবলৈ নাপালে, ভালকৈ পিন্ধিবলৈ নাপালে, পঢ়িবলৈ সময়মতে কিতাপপত্ৰ নেপালে কেনেকৈ পঢ়িব। এনে অশান্তিত জানো ল'ৰাই পঢ়িব পাৰে আৰু আজিকালি দিনত দুটামান শ্ৰেণী পঢ়িয়েইবা কিটো লাভ হ'ব? আমি জানো তাক সম্পূৰ্ণকৈ পঢ়াব পাৰিম। সেইবাবে মই কওঁ সি আৰু পঢ়িব নালাগে।'

মনেশ্বৰীয়ে কথাবোৰ ছাগে বুজি পালে। সেইবাবে কোনো মাত নামাতিলে। মাথো মন মাৰি বহি থাকিল। ডাঙৰ বাপুক দীঘলাই বহুতো বুজাই বঢ়াই অৱশেষত সৈমান কৰোৱালে। পিছদিনাখন ডাঙৰ বাপু যোৱাৰ সময়ত চোতালত মাক মনেশ্বৰীয়ে ফুচফুচাই কান্দিবলৈ ধৰিলে। মাকৰ চাদৰৰ আচলত ধৰি ডাঙৰ বাপুৰ মৰমৰ সৰু ভায়েক-ভনীয়েক দুলেশ্বৰ আৰু জেতুকীয়েও কান্দিবলৈ ধৰিলে। সিহঁতে ভাবিছে মৰমৰ ককাইদেউ ঘৰলৈ আৰু কোনোকালে নাহে। আমি কাৰ লগত খেলিম, কোনে আমাক গছৰ পৰা আম, জামু পাৰি দিব। ডাঙৰ বাপুৱে চকু মোহাৰি মোহাৰি দীঘলাৰ লগত যাবলৈ ধৰিলে।

এদিন দুদিনকৈ দিন বাগৰি গৈ আজি সম্পূৰ্ণ পচিছ দিনৰ মূৰত কাৰখানাত কাম আৰম্ভ হৈছে। কাৰখানাৰ মালিকে হেনো মজদুৰৰ দাবী মানি লৈছে। দীঘলাই কথাবোৰ মনতে ভাবিছে। কাৰখানাৰ মালিক ৰামলালডুবে, যিটোৱে নেকি পাই পাই হিচাপ ৰাখে সি জানো এইবোৰ চুক্তি মানি লৈছে। মানি ল'লে কি হ'ব। হাতে কামে কেতিয়াও নহ'ব। তেওঁৰ মন গ'লে মানিব আৰু মন নগ'লে নামানে। নিজস্ব ব্যৱসায়। আন ঠাইৰ পৰা মানুহ আনি কাম কৰাব। আজিকালিৰ দিনত কাম কৰা মানুহৰ কি অভাৱ। জাকেজাকে পঢ়া-শুনা মানুহেই ওলাব। শুনিছিলো অসম আন্দোলনৰ চুক্তি ৰাজীৱ গান্ধী চৰকাৰে মানি ল'লে বুলি, ক'তা আজিলৈকে জানো হৈ উঠিল। সকলো ফুটুকাৰ ফেন হৈ থাকিল। এইবোৰ ভাবি লাভ নাই বুলি দীঘলাই লোহাডালত হাতুৰীটোৱে জোৰকৈ কোব মাৰি মাৰি চেপেটা কৰিবলৈ ধৰিলে। এনেকৈয়ে দিন বাগৰি বছৰ পাৰ হৈ গ'ল। ডাঙৰ বাপু দেবনাথ মহাজনৰ ঘৰত চাকৰ খটা আজি এবছৰেই হ'ল। ডাঙৰ বাপুৱে কাঁহি-বাতি ধোৱাৰ পৰা পথাৰত হাল কোৰ-মৰালৈকে কামবোৰ কৰি দিয়ে। ডাঙৰ বাপুৱে দুবেলা দুমুঠি খাবলৈ পালেও তাৰ মনত শান্তি বোলা বস্তুটো একেবাৰেই নাই। অনবৰত কামৰ পৰা আহৰিয়েই নাপায়। মহাজনৰ পুতেকহঁতে খেলা দূৰৈৰ পৰা কেতিয়াবা বাপুৱে চাই থাকে। চাৰি-পাচমাহৰ মূৰত ঘৰলৈ গৈ ডাঙৰ বাপুৱে স্নেহময়ী মাক আৰু ভায়েক-ভনীয়েকহঁতক চাই আহে। এদিন হঠাৎ ঘটা ঘটনা এটাই গতানুগতিক দিনবোৰ ওলট-পালট কৰি পেলালে। ৰাতিপুৱা মহাজনৰ ঘৰত হুলস্থুল লাগিল। মহাজনৰ জীয়েকৰ সোণৰ হাড় এডাল হেৰাল। ইফালে-সিফালে বিচাৰি চলাথ কৰিছে। লিগিৰা-লিগিৰিহঁতক মাতি সুধিলে সকলোৱে নাই দেখা, নাই লোৱা বুলি ক'লে।

মহাজনে পোনেই ডাঙৰ বাপুক ধৰিলে—'তয়েই নিছ, ক, ক'ত লুকুৱাই ৰাখিছ, উলিয়াই দে' বুলি তাক ডবিয়াই গতিয়াই মাৰপিত কৰিব ধৰিলে: মাৰি-পিতিও ক্ষান্ত নাথাকিল। ডাঙৰ বাপুৱেই হাড়ডাল চুৰ কৰিছে বুলি পুলিচৰ হাতত গতাই দিলে। থানাত পুলিচে বাপুক মাৰি পিতি লক-আপত বন্দী কৰি থলে।

ডাঙৰ বাপুক পুলিচে ধৰি নিয়া বুলি শুনি দীঘলাই ঘৰৰ পৰা লৰি ঢাপৰি আহি একেবাৰে মহাজনৰ ঘৰ ওলালহি। দীঘলাই মহাজনৰ ভৰিত দীঘল দি পৰি কাকুতি-মিনতি কৰি ক'বলৈ ধৰিলে। মোৰ ল'ৰা বাপুৱে কেতিয়াও চুৰ নকৰে। সি তেনেকুৱা নহয়। মই আপোনাৰ ভৰিত ধৰিছো। মোৰ বাপুক আপুনি থানাৰ পৰা উলিয়াই আনক।

মহাজনে ক'লে, তোৰ ল'ৰাই চুৰ কৰিছে। সি উচিত শাস্তি পাব লাগে। কমলিহঁতেও দেখিছো বুলি সাক্ষী দিছে। সি চেইনডাল নিদিয়া পৰ্যন্ত আমি তাক নেৰিম।

দীঘলাই মহাজনক কৰা কাকুতি-মিনতিত কোনো ফল নধৰিল। শেষত উপায়বিহীন হৈ দীঘলা থানালৈ

গ'ল। থানালৈ গৈ কন্দনামুৱা হৈ দীঘলাই থানাৰ মূৰব্বী বিষয়াক ক'বলৈ ধৰিলে—মোৰ ল'ৰাই কেতিয়াও চুৰ নকৰে। সি তেনেকুৱা নহয়। আমি দুখীয়া মানুহ, কিন্তু চোৰ নহয়। এই দুখন হাতে যিমান পাৰো সিমান আঁজুৰি খাওঁ। সি সৰুল'ৰা, একেবাৰে নাজানে। ৰাতিপুৱাৰ পৰা গধূলিলৈকে মাথো কাম কৰি থাকে। মই আপোনাৰ ভৰিত ধৰিছো, মোৰ বাপুক এৰি দিয়ক।

থানাৰ মূৰব্বী বিষয়াজনে ক'লে, নহ'ব, তাক আমি এৰিব নোৱাৰিম। হাড়ডাল উলিয়াই দিলেহে আমি তাক এৰিব পাৰিম। নতুবা এটা কাম কৰিব লাগিব। হাড়দালৰ সম্পূৰ্ণ দাম দিব লাগিব আৰু লগতে এহেজাৰ টকা জামিন ভৰিব লাগিব। তেতিয়াহে মই এৰিব পাৰিম।

দীঘলাই ক'লে, কিন্তু মই ইমান টকা পাওঁ ক'ত? মই দুখীয়া মানুহ। দিন হাজিৰা কৰি খোৱা মানুহ। কিন্তু থানাৰ মূৰব্বীজনে দীঘলাৰ কোনো কথাতে কাণ-সাৰ নিদিলে। উপায়বিহীন হৈ দীঘলা আকৌ মহাজনৰ ওচৰলৈ আহি টকা খুজিব ধৰিলে।

"মই টকা তোক ক'ব পৰা দিম। তোৰ দোকানৰ বাকীয়েই বহুত আছে। এতিয়া তিনিহাজাৰ টকা মই কেনেকৈ দিওঁ" ক্ষন্তেক সময় দুয়ো নিৰৱ হৈ থাকিল। মহাজনে ক'লে, মই তোক টকা দিব পাৰিম কিন্তু এটা স্বৰ্তত....মানে টাকাৰ বাবত তই মোক কি দিবি....?

তোৰ মাটিখিনিৰ বাহিৰে দিবলগীয়া আছেই বা কিটো? যদি মাটিখিনি দিম বুলি কৱ তেতিয়া টকা দিব পাৰো। দীঘলা থৰ লাগিল। দীঘলাই মূৰটো জোকাৰি ক'বলৈ ধৰিলে—নাই নাই, মই মোৰ পৈত্তিক সম্পত্তি মাটিখিনি বেচিব নোৱাৰো। মাটিখিনি বেচিলে মই ক'ত থাকিম?

মোৰ ল'ৰা-ছোৱালী ক ত থাকিব? — দীঘলাই কথাবোৰ কৈ কৈ দুয়োখন হাতেৰে মূৰত ধৰি বাৰাণ্ডাত বহি পৰিল।

মহাজনে পেটটো মোহাৰি মোহাৰি ক'লে—'থকাটো আমি ব্যৱস্থা কৰিয়া দিমু। মানে তই তাতেই থাকিবি, তই মাথো দলিলত চহীটো কৰি দিবি। মাটিখিনি আমাৰ নামে থাকিব। পিছে পাৰিলে টাকাখিনি সুতে-মূলে আদায় কৰিয়া আকৌ মাটিখিনি লৈয়া লবি।'

দীঘলাই খেলিমেলি মনেৰে চিন্তা কৰিবলৈ ধৰিলে; মাটিখিনি যদি বেচা নাযায় ইমান টকা পোৱাৰ কোনো ৰাস্তাই নাই। দীঘলাৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। মহাজনক কাটি মাৰিয়েই পেলাওঁ নেকি....আকৌ মহাজনক মাৰিলে মোৰ বাপু কেনেকৈ জেলৰ পৰা ওলাই আহিব। মোক পুলিচে ধৰি লৈ যাব...।

শেষত দীঘলাই মাটিখিনিকে বিক্ৰী কৰাৰ সিদ্ধান্ত ল'লে। দীঘলাই দলিলত চহী কৰি দিয়াৰ পাছত মহাজনে টকা দুহেজাৰ উলিয়াই দিলে আৰু ক'লে—মই এই চিঠিখন পুলিচ অফিচাৰলৈ লেখি পঠিয়াইছো, তই এক হাজাৰ টকা দিলে বাপুক উলিয়াই দিব, যা....।

দীঘলাই সুধিলে—চিঠিত কি লিখা আছে?

মহাজনে ক'লে—চিঠিত লিখা আছে যে চেইনটাৰ টাকা টা দীঘলাই আমাকে দিয়া দিছে। চেইনটা আমি পাইছি বুলি ধৰি লৈছো। বাপুকে এৰি দিতে পাৰে। দীঘলা লাহেলাহে টকাখিনি লৈ ওলাই গ'ল। দীঘলা যোৱাৰ ফাললৈ চাই মহাজনে ৰেকা হাঁহি এটা মাৰি ক'বলৈ ধৰিলে—চিধা আঙুলে ঘিউ নোলালে আমি তেৰা আঙুলে ঘিউ উলিয়াব জানো।

দীঘলাই থানাৰ পৰা ডাঙৰ বাপুক লৈ আহিল। মনেশ্বৰীয়ে বাপুক সাৱতি ধৰি কান্দিবলৈ ধৰিলে। আৰু বাপুৱেও কান্দি কান্দি ক'ব ধৰিলে—মই হাড়ডাল চুৰ কৰা নাই মা....মোক এনেয়ে সিহঁতে চোৰ বুলি কৈছে।

ইচ ইচ, মোৰ বাপুক মাৰি গোটেই বখলা-বখলকৈ ফুলাই থৈছে। চাওঁকচোন চাওঁকহি বুলি মনেশ্বৰীয়ে বাপুৰ পিঠিখন মোহাৰি মোহাৰি কান্দিবলৈ ধৰিলে। মানুহে পুত্ৰৰ শোক পাহৰিব পাৰে, সম্পত্তিৰ দুখ ইমান সোনকালে কেতিয়াও পাহৰিব নোৱাৰে। সেয়ে হ'বলা দীঘলাই পিৰালিত বহি সন্ধিয়াৰ মাৰ যাব ধৰা ৰঙা বেলিটোলৈ চাই চাই পাৰ নোপোৱা কথাবোৰ ভাবিবলৈ ধৰিলে। দীঘলাৰ অন্তৰখন জ্বলি পুৰি ছাই হৈ গৈছে! চকু দুটাও ৰঙা হৈ জ্বলি উঠিছে। দীঘলাৰ ভিতৰে ভিতৰে জ্বলা জুইকুৰা কোনেও দেখা পোৱা নাই। যিমানে সময়বোৰ পাৰ হৈ পৃথিবীলৈ এন্ধাৰ নামি আহিছে সিমানে দীঘলাৰ জীৱনটো ভয়ঙ্কৰ এন্ধাৰ গহ্বৰলৈ আগুৱাই গৈছে ....। ●

# চেনীবিলৰ ভাওনা

দীপেন কুমাৰ বড়া
স্নাতক ১ম বাৰ্ষিক (কলা)

আচলতে বহুদিনৰ পৰাই মোহনদাইটীৰ ঘৰলৈ যাম যাম বুলিও যাব পৰা নাই। আজি মোহনদাইটীৰ ঘৰত থকাকৈ ওলাইছো। বৰষুণ এতিয়া নাই। একা-বেকা বোকা ৰাস্তাটোৰ ওপৰেদি গৈ আছো। ইতিমধ্যে চাইকেলখনত বোকাৰে ভৰি পৰিছে। কোনো ঠাইত ৰাস্তাৰ ওপৰত পানীৰ ডোঙা। তাৰ ওপৰেদিও মোৰ চাইকেল পাৰ কৰি দিছো। একোবত এবাৰ পানীৰ ডোঙাত তুলিবলৈ গৈ চাইকেলৰ সৈতে পৰিলো। ভাগ্যে যেনিবা মানুহটোৰ গাত বোকা নালাগিল। চাইকেলৰ চিট পৰ্যন্ত বোকা। এনেতে মনত পৰিল, আজি বৃহস্পতিবাৰ। বৃহস্পতিবাৰে পাছবেলাৰ যাত্ৰা অশুভ। কথাটো সত্য যেনেই লাগিল। মোহনদাইটীৰ ঘৰ পাওতে সাঁজ লাগিল।

মোহনদাইটী গাঁৱৰ গাঁওবুঢ়া। বয়স তিনিকুৰি-মান হ'ব। ল'ৰা-ছোৱালী এপাল — মানে পোন্ধৰটা। দহজনী ইতিমধ্যে বিয়া দিছে। ল'ৰা-ছোৱালী বেছি হোৱাটো সহজ কথা। সেই অনুপাতে দাইটীৰ ঘৰত অভাব নাই। চাৰিটাকৈ গুটি ধানৰ ভৰাল, এখন গেলা-মালৰ দোকান, চাৰি-পাঁচজনী খীৰতী গাই, বাৰীৰ শাক-পাচলি, মুঠতে অভাব বোলা বস্তুটো নাই। ডাঙৰ ল'ৰাটোৱে খেতি চলায়, মাজুটোৱে দোকান আৰু সৰুটো স্কুলত। বৰ্তমানে থকা ছোৱালী দুজনীও গাভৰু। সিহঁতে মাকৰ কামবোৰ কৰাৰ ওপৰিও বোৱা-কটা, ৰোৱা-তোলাত পাকৈত। দাইটীৰ শ্ৰীমতী নাই। বাৰান্দাতে বেতৰ চকীখনত বহি লৈ দাইটীয়ে ঘূৰঘূৰিটো টানিছে। ময়ো কাষতে থকা দীঘলীয়া কাঠৰ চকীখনত বহি গামোছা-খনেৰে মুখহাত মচিছো। দাইটীয়ে মোৰ ফালে চাই কলে —

"বোপা, ঘৰত ভালনে?"

"ভালেই দাইটী, আপোনালোকলৈ মনত পৰাত, তাতে কালিলৈ বন্ধ, সেয়ে চাই যাওঁ বুলি...."

মোৰ কথা শেষ নহ'লেই বুঢ়াই কলে — "বৰ ভাল কৰিলা, কালিলৈ গুৰুজনাৰ তিথি, নামঘৰতো বৰ-সবাহ, ভাওনা। চাইমেলি যাব পাৰিবা।"

দাইটীৰ কথা শুনি ঈষৎ হাঁহি এটা মাৰিলো।

"বোপা, পিচে তোমাৰ চাকৰি ক'ত চলিছে"

"সোণাৰীত" চমুকৈ কৈ থলো।

"তুমি বৰ খীনালাহে"— বুঢ়াই মোলৈ চাই কলে, "এহ নকব, চৰকাৰী চাকৰি, ঘূৰাঘুৰি বৰ বেছি।"

"হয় হয় দিয়া, মই সেই তাহানি কাছাৰীলৈ যাওঁতে, এহ কৈছো নহয় তোমাৰ, মানুহবোৰৰ কাৰবাৰবোৰ দেখি বিচুৰ্তি। এই তোমাৰ, অ' ৰবা, পদুমী অ পদুমী........

"নিছো দেউতা" ভিতৰৰ পৰা উত্তৰ আহিল।

বুঢ়াই ঘূৰঘূৰিটোত দীঘলকৈ টান এটা মাৰি কাণে নাকে ধোঁৱাবোৰ এৰি দিলে। সেই সময়তে পদুমীয়ে এখন থালত দুটামান পিঠা, এটা বৰজাহাজীকল, এটা সিজোৱা কণীসহ চাহ এবাটি সন্মুখৰ টেবুলখনত থলেহি। বুঢ়াৰ আঁৰতে পদুমীলৈ চালো। তায়ো মোলৈ চোৱাত চকুৱে চকুৱে পৰিল। মিচিকিয়া হাঁহি এটা মাৰি পদুমী ভিতৰলৈ দৌৰ মাৰিলে। পদুমীৰ হাঁহিৰ এই অৰ্থ মই বুজি পাওঁ। মোৰ অবুজ নহয়, এজনী সহজ সৰল, নিষ্পাপ অন্তৰৰ গাঁৱলীয়া ছোৱালীৰ চকুৰ ভাষা। পদুমী মোহনদাইটীৰ একাদশ নম্বৰ ছোৱালী। প্ৰয়োজনীয় কথাৰ বাহিৰে বিশেষ একো কথা পতা নাই। পদুমীক মোৰ ভাল লাগে। তাইক মোৰ আপোন কৰি লবৰ মন যায়। সিহঁতৰ মৰম, সেৱা-শুশ্ৰূষা, ব্যৱহাৰ সৰল আৰু সঁচা। ময়ো মানুহৰ মাজত তাকেই বিচাৰো। কিন্তু এইয়া যে গাঁৱতেই সীমাবদ্ধ। চহৰীয়া হ'লেও চহৰৰ সস্তীয়া পৰিবেশত নিজকে বিক্ৰী কৰা নাই। পদুমীয়ে কেতিয়াবা নিজান মুহূৰ্তবোৰত মোক দুৰ্বল কৰি পেলায়। বুঢ়াৰ মাতত সম্বিৎ ঘূৰাই পালো। পলম নকৰি খোৱা শেষ কৰিলো। বুঢ়া নামঘৰলৈ গ'ল।

ভাতকেইটা খাই বিছনালৈ আহিলো। বগা বিছনাচাদৰ এখন পাৰি থৈছে। আঠুৱাখনো পৰিষ্কাৰ। শিতানৰ কাষত সৰু টেবুলখনত এটা টেবুল লেম্প, কাষতে এটা কাঁচৰ গিলাচত এগিলাচ পানী এখন প্লেটেৰে ঢাকি

থৈছে। টেবুলত এটা লোটা, বোধকৰো পানীয়েই আছে। এটা জুইশলা বাহো মোৰ চকুত পৰিল। অদৃশ্যজনক সুঁৱৰি বিছনাত বাগৰ দিলো। গাৰুকেইটা দেখি ভাব হ'ল— ছোৱালী কেইজনী চিলাই কামটো পাকৈত। লেম্পটো কমাই টোপনি যাবৰ চেষ্টা কৰিলো। চকুত টোপনি নাই। নানান চিন্তাই মোৰ আগত ধৰা দিলেহি। ভাত খাই থাকোতে দেখা পদুমীৰ চকুহাললৈ মনত পৰিল। ধুনীয়া চকুযুৰিৰ মাজত মই তাইক নতুনকৈ আবিষ্কাৰ কৰিলো। সঁচাকৈ তাই প্ৰকৃততে ধুনীয়া, তাত কোনো ভুল নাই। হাঁহি নুগুচা মুখখনৰ ডালিমগুটিয়া দাঁত-কেইটাই মোকহে নালাগে মোৰদৰে হাজাৰ পুৰুষকো দুৰ্বল কৰি পেলাব। কাৰোবাৰ মুখত শুনিছিলো নাৰীক হেনো চাৰিটা ৰূপত পোৱা যায়। এইয়া ছাগে মিছা নহয়। মনে মনে নাৰী জাতিক কৃতজ্ঞতা জনালো। পদুমীৰ দৰে বহুত ছোৱালীক জীৱনত লগ পাইছো যদিও পদুমী ইয়াৰ ব্যতিক্ৰম। পদুমীহঁতৰ ঘৰৰ সকলোৰে মোক কৰা শুশ্ৰূষা দেখি শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই যায়। এই মানব ধৰ্ম কৰা পূজাৰীসকলৰ মাজত নিজকে তুলনা কৰিব নোৱাৰো। মোক অতি মৰম কৰাত তেওঁ-লোকৰ কোনো স্বাৰ্থ নাই। এইবোৰ ভাবি থাকোতে কেতিয়া টোপনি গ'লো কবই নোৱাৰিলো।

আজি চেনীবিল গাঁৱত ভাওনা। ৰাতিপুৱাৰপৰা সকলো ব্যস্ত। মোহনদাইটীৰ ঘৰৰ কাষতে নামঘৰটো। দাইটী আৰু ঘৰখনৰ কথা পেলাব নোৱাৰি ভাওনা চাই যোৱাটোকে ঠিক কৰিলো। চাহ-জলপান খাই এনেয়ে পদুলিৰ ফালে ওলাই গলো। এতিয়া নামঘৰত বৰ-সবাহৰ আয়োজন চলিছে। বুঢ়া-বুঢ়ী, ডেকা-গাভৰু সকলো সমানে ব্যস্ত। ছুটামানে নামঘৰৰ আগত ৰভা দিছে। লখৌ, ৰংমন, বাপুৰাম আৰু ছুটামানে (ইহঁতক মই চিনি পাওঁ) স্কুলৰ পৰা ডেস্ক-বেঞ্চ কিছুমান মানুহ বহিবৰ কাৰণে কঢ়িয়াইছে। মোহনদাইটীৰ ভড়ালৰ কাষতে চোঁ ঘৰটো। তাত ছুটামান ল'ৰাই দুখনমান বেৰ ঠিক কৰি ঠাইডোখৰ বেৰা দিছে। বাটত এজন ল'ৰাক সুধি জানিব পাৰিলো নাটখন "দ্ৰোণপৰ্ব অভিমন্যু বধ"। লগতে সি কৈ গ'ল ভীমবৰ কায়ে 'ভীম', লোহিত কায়ে "জয়দ্ৰথ" আৰু ৰবীনে "অভিমন্যু"ৰ বচন লৈছে। তাতে এইবাৰ হেনো দিখৌমুখৰ 'ড্ৰেচ'। মই যদিও আগতে ভাওনা দেখা নাই তথাপিতো সিহঁতৰ মানে গাঁৱৰ মানুহবোৰৰ ভাওনাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আগ্ৰহ দেখি মোৰ মনটোতো ভাওনাৰ প্ৰতি দুৰ্বলতা বাঢ়িল। ঘৰলৈ আহি বাৰান্দাত থকা চকীখনতে বহি মানুহবোৰৰ অলেখ লেখ চালো, প্ৰত্যেককে ব্যস্ত যেন লাগিল। সৰু সৰু মানে খিচখিচিয়া ল'ৰাবোৰে নামঘৰৰ মুখত টাং গুটি খেলিছে। ছুটামানে যুদ্ধ আৰম্ভ কৰিছে। মাজে মাজে কাজিয়া, বগৰা-বাগৰি। কাজিয়া কৰোতে দুই এটা অবাইচ মাত সিহঁতৰ মুখেদি বৰষিছে। পৰিবেশটো মোৰ ভাল লাগিল। সৰু সৰু ল'ৰাবোৰে মোক যথেষ্ট আমোদ দিছে। গাঁৱৰ পৰিবেশটো উপলব্ধি কৰি নিজকে খুব ভাল লাগিল আৰু গাঁৱৰ প্ৰতি আকৰ্ষণ বাঢ়িল। বিশে-ষত: ৰাতি ভাওনা চোৱাৰ বাবে।

দুপৰীয়া পুখুৰীতে গাটো তিয়াই আহিলো। গাঁৱত বৰসবাহ হ'লে গাঁৱৰ মানুহে দুপৰীয়া সাজ ভাত নাখায়। আমাৰো খোৱা নহ'ল। পৰিৱৰ্তে হাতীখুজীয়া বাটিত এবাটি চিৰা, গুৰ, গাখীৰ লগতে কল কেইটা-মানেৰে এঘটি পানীসহ মোক খাবলৈ দিলে। এই বিপুল খাদ্য সম্ভাৰ দেখি আচৰিত নহৈ নোৱাৰিলো। কাৰণ এনে আহাৰ মই কোনো দিনে খাই পোৱা নাই। ইমানখিনি যে খাব পাৰিম তাতো সন্দেহ। কাষতে বৈ থকা পদুমীক কলো— "জলপান বেছি হ'ব, অলপ কমাই দিয়া"—

"আমাৰ গাঁৱলীয়া মানুহৰ ঘৰত খাবলৈ বেয়া পাইছে নহয়"— পুতৌৰ ভংগীৰে পদুমীয়ে কলে। পদুমীৰ কথাই মোক আঘাত হানিলে যদিও গুপুতে ৰাখি কলো— "এহ, তেনেকৈ কিয় কৈছা ? বলে পৰা খিনিটো খামেই।" "ইছ, ডেকা বয়সতে যদি ইমানখিনি খাব নোৱাৰে, তেন্তে কিহৰ ডেকাটো" — কথাটো কৈ পদুমীয়ে খিল-খিলাই হাঁহি দিলে। মনতে ভাবিলো, ডেকাল'ৰা হলো বুলি সৰহকৈ খাব লাগিব বুলি মানুহে ভাবে কিয়, যেনেকৈ পদুমীয়ে ভাবিছে। পদুমীলৈ কেৰাহিকৈ চাই খোৱাত মনোযোগ দিলো। এটা কথা ঠিক, মই খোৱাত এলাহ নকৰো। সকলো সম্ভাৰ একেলগে সানিলৈ খাবলৈ ধৰিলো। ইমান তৃপ্তি লাগিছে। নোখোৱা মানুহক কলে বিশ্বাসেই নকৰিব। খাই থাকোতে জেতুকীয়ে গৰম গাখীৰ এগিলাচ দি গ'ল। তাই মোৰ কাষত নৰয়। ভীষণ লাজ। কিবা সুধিলে বেৰৰ সিপাৰৰ পৰাহে কয়। ফুঁৱাই ফুঁৱাই গাখীৰ গিলাচ খাবলৈ ধৰিলো। চকুৰ আঁৰতে পদুমীলৈ চালো; পদুমীয়ে একান্তমনে মোলৈ চাইছে। হয়তো তাইৰ সেই মোহিনী দৃষ্টিয়ে যেন কিবা কবলৈ মোক বিচাৰে। কিন্তু এনেকৈ জানো হ'ব। যদি গুপুতে ৰাখি থয় তেন্তে গুপুতে লেৰেলি নাযাব জানো ? খোৱা পৰ্ব শেষ কৰি চাদা অকণমান দাঁতৰ গুৰিত পেলাই বিছনালৈ আহিলো।

বিছনাত পৰি আছো যদিও টোপনি নাই। এটাৰ পিছত আন এটাকৈ উত্তৰহীন চিন্তা। মাজে মাজে পদুমী, মোহনদাইটী, জেতুকী আহে চিন্তাৰ মাজলৈ। আনকি মোৰ চিন্তাৰ মাজত থকা গাঁৱৰ ছবিখনৰ পৰা সৰু সৰু ল'ৰাবোৰৰ কাজিয়াবোৰো বাদ পৰা নাছিল। হঠাৎ পদুমীৰ মাতত উচপ খাই উঠিলো। পদুমীলৈ চালো, হাতত এখন কলপাতত মাহ-প্ৰসাদ লৈ বৈ আছে তাই। বিছনাখনত বহি টেবুলখনত থবলৈ কলো। প্ৰসাদ খাবলৈ কৈ তাই ওলাই গ'ল। তাইলৈ চাই সামান্য হাঁহি এটা মাৰি খাবলৈ আৰম্ভ কৰিলো। প্ৰসাদ খাই থাকোতে চাহ এবাটি আৰু দুটা জাহাজী কল দি গ'ল। খাই-বৈ বাহিৰলৈ ওলালো। তেতিয়া বেলিটো পশ্চিম আকাশৰ শেষ প্ৰান্তত। ছোঁ ঘৰত মানুহ গোট খাইছে। প্ৰত্যেক ভাৱৰীয়াই নিজৰ নিজৰ বয়-বস্তু লৈ ছোঁ ঘৰত প্ৰবেশ কৰিছে। হাতভৰি ধুবৰ বাবে পাছফাল পালোগৈ।

সন্ধিয়া ভাতকেইটা খাই চোতালৰ আগত বৈ মানুহবোৰক চাব ধৰিলো। মোহনদাইটী নামঘৰলৈ গলেই। নামঘৰৰ মুখত চাৰিখনমান দোকান। নামঘৰৰ মঞ্চত তেতিয়া গায়ন-বায়ন আৰম্ভ হৈছে। দৰ্শকো দুই এজনকৈ আহিছে। জেতুকীয়ে হাতত পাটি এটা লৈ ঠাই দখলৰ বাবে নামঘৰলৈ গ'ল। বাপুৰাম মোৰ কাষতে ৰ'লহি। তাৰ লগত দুই এষাৰ কথা পাতিলো। ইফালে ভৱৰীয়াসকলে সাজ-পোছাক পিন্ধিলেই। মাজে মাজে তাৰপৰা অহা হাঁহিৰ ৰোল আমাৰ কাণত পৰিছে। পদুমী আহি আমাৰ কাষ পালেহি। আজি পদুমীক বেলেগ বেলেগ লাগিছে। সঁচাকৈয়ে পদুমীৰ সুন্দৰতাই নাৰী জাতিৰ আদৰ্শ বহন কৰিছে। পদুমীক জোকাবৰ মন গৈছিল। তাতে পাতল সেউজীয়া মেখেলা-চাদৰ-জোৰে বগা পদুমীজনীক আৰু উজ্বল কৰি তুলিছে। আমিও পদুমীৰ লগতে নামঘৰলৈ আগবাঢ়িলো।

মই আৰু বাপুৰাম সন্মুখৰ বেঞ্চখনতে বহিলো। আমাৰ সন্মুখতে পদুমী, জেতুকী আৰু লগৰ ছোৱালী-বোৰ বহিছে। গহীন পদুমীজনীক মোৰ দৃষ্টিৰপৰা আঁৰ কৰিব নোৱাৰিলো। সূত্ৰধাৰ ওলাই গীত-নৃত্য পৰিবেশন কৰি গ'ল। শ্ৰীকৃষ্ণকে আদি কৰি ভাৱৰীয়াবোৰ ইটোৰ পিছত সিটোকৈ খোলৰ চাপৰত নাচি নাচি ওলাইছে। মাজে মাজে দৰ্শকৰ হাঁহি, চিঞৰ-বাখৰ, পিছফালে থকা কোনোৱা ডেকাৰ দুই এটা অশালীন শব্দ। গাঁৱৰ মানুহবোৰে মোলৈ খুব চাইছে। তাতে গাভৰুবোৰৰ কথাই নাই। হয়তো নতুন দেখিছে, তাতে ডেকাল'ৰা! মোৰ মনে মনে ভাল লাগিল। দৰ্শকৰ মাজত চলা দুই এখন ভাওনাই মোৰ চকুত ধৰা দিলে। মনে মনে হাঁহি উঠিল। তথাপিতো যৌৱনৰ সৎ ব্যৱহাৰ বুলিয়েই নিজকে প্ৰত্যয় নিয়ালো। ভাৱৰীয়াবোৰৰ সাজ-পোছাক আৰু নাটৰ মাহাত্ম্য দেখি শঙ্কৰদেৱলৈ কৃতজ্ঞতাত মূৰ দোঁখাই গ'ল। সঁচাকৈ মহাপুৰুষজনাৰ এই অমূল্য সম্পদটিয়ে অসমীয়া সংস্কৃতি সবল কৰাই নহয় শ্ৰীবৃদ্ধিও কৰিছে। কিন্তু ইমান এটা ডাঙৰ অনুষ্ঠান গাঁৱতেই সীমাবদ্ধ কিয়? ইয়াক জানো চহৰলৈ প্ৰসাৰিত কৰিব নোৱাৰি। মোৰ দৰে হাজাৰজন দৰ্শকে চাগে আজিলৈ ভাওনা চাই পোৱা নাই। হয়তো টোপনি ক্ষতি বা শাৰিৰীক কষ্ট পোৱা হেতু। তেতিয়া মঞ্চত জয়দ্ৰথ আৰু ভীমৰ তুমুল যুদ্ধ, আনফালে চক্ৰবেহুৰ মাজত অভিমন্যু। কান্দি কান্দি ভাগৰি পৰা অভিমন্যুক দেখি মোৰ পুতৌ উপজিল। ৰবীনক সঁচাকৈ তাহানিৰ অভিমন্যু যেন লাগিল। মোৰ ভাওনা কৰিবৰ মন গ'ল। ভীমৰ কাকুতি শুনিও জয়-দ্ৰথে বেহুৰ দ্বাৰ এৰি দিয়া নাই। জয়দ্ৰথ অচল-অটল। ভীষণ গৰ্জন কৰি পুনৰ যুদ্ধ। আনফালে নিৰস্ত্ৰ অভি-মন্যুক শত্ৰুপক্ষই বেহুৰ ভিতৰত অস্ত্ৰৰে প্ৰহাৰ কৰিছে। দৃশ্যটি সঁচাকৈ ভাল লাগিল। ভীম যেন ভীমবৰ নহয় তাহানিৰ সেই বকাসুৰ হন্তা ভীমহে। দৃশ্যটোৰ পাছত এজন লোকে অভিমন্যুক বিশটকীয়া এটা চেফটি পিন দি বুকুত আঁৰি দিলে। দৰ্শকৰ হাত চাপৰি, মোৰ ভাল লাগিল। পুৱতি নিশা ভাওনা শেষ কৰি ঘৰলৈ উভতিলো।

কাপোৰ সাজ পিন্ধি যাবলৈ ওলালো। বাপুৰামে চাইকেলখন চোতালত উলিয়াই থলে। বাৰান্দাত বহি থকা মোহনদাইটীক সেৱা এটা জনালো। দাইটীয়ে আশীৰ্বাদ এজোলোকা দিলে। জেতুকী, পদুমীকো মাত লগালো। সিহঁত দুৱাৰ মুখতে বৈ আছিল। পদুমীয়ে আগবাঢ়ি আহি কাগজেৰে মেৰিওৱা টোপোলা এটা মোলৈ আগবঢ়াই দিলে। টোপোলাটো লৈ তাইলৈ চালো। চলচলীয়া চকুযুৰি দেখি মোৰ বেয়া লাগিল। তাইক একো সান্তনা দিয়াৰ ভাষা বিচাৰি নেপালো। বাপুৰামৰ সৈতে আগবাঢ়িলো। পদুমীও মোৰ লগতে পদূলি মুখলৈ আগবাঢ়ি আহিল। চাদৰৰ আঁচলেৰে তাই চকুযুৰি মোহাৰি ল'লে। তাইয়ো মোক একো কব নোৱাৰিলে। কেতিয়াবা আকৌ আহিম বুলি দুয়োৰে পৰা বিদায় লৈ চাইকেল আগবঢ়াই দিলো একাবেঁকা ৰাস্তাটোৰ ওপৰেদি........।

# অব্যক্ত রোদন

প্ৰাঞ্জলী বৰগোহাঁই
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

উদভ্ৰান্ত, অসংযত পদক্ষেপেৰে নাৰ্চিং হোমৰ পৰা ওলাই যোৱা কৰবীৰ ফালে চাই থাকে ডাঃ বৰুৱাই। বহুত চেষ্টা কৰিও তেওঁ কব নোৱাৰিলে—তাইৰ একমাত্ৰ সন্তান জোনৰ কি হৈছে। তাই বাৰেবাৰে সুধিছিল ডাঃ বৰুৱাক—"জোনক ভালকৈ চোৱা পৰিমল আৰু তাৰ কি হৈছে মোক খুলি কোৱা। তাৰ অবিহনে মই যে জীয়াই থাকিব নোৱাৰিম।"

ডাঃ বৰুৱাই জোনক প্ৰথম দৃষ্টিতেই ধৰিব পাৰিছিল জোনৰ কি হৈছে। এথোপা শুভ্ৰ ৰজনীগন্ধাৰ দৰে, বিছনাত শুই থকা জোনৰ অকণমাণি শেতা পৰা দেহাটি খুউব ভালদৰে পৰীক্ষা কৰি অৱশেষত অসুখটো ডাঃ বৰুৱাই ধৰা পেলাইছিল। সেয়েহে সন্তানহীন, অকৃতদাৰ ডাঃ বৰুৱাই তেওঁৰ অতি মৰমৰ কৰবীক জোনৰ অসুখটোৰ কথা জনাবলৈ বৰ অসহায় বোধ কৰিলে।

সেইদিনা ডাঃ বৰুৱাই কোনো পেচেণ্ট নাচালে। বাহিৰে বাহিৰে ঘৰলৈ আহি দুৱাৰখন বন্ধ কৰি পোনে পোনেই বিছনাত পৰি দিলে।.................

বহুত দিনৰ কিছুমান হেৰাই যোৱা সোণালী দিনৰ স্মৃতিয়ে আৱৰি ধৰিছিল ডাঃ বৰুৱাৰ মন। কৰবী মেডিকেল কলেজৰ তৃতীয় বাৰ্ষিকত পঢ়োতেই ডাঃ বৰুৱাৰ চিনাকি হৈছিল কৰবীৰ লগত। কৰবী অসম্ভৱ চোকা আছিল। পঢ়াত যেনেকৈ ভাল, ব্যৱহাৰ; স্বভাৱ-চৰিত্ৰও তেনেদৰেই ভাল।

ডাঃ পৰিমল বৰুৱাই প্ৰথম দৃষ্টিতেই কৰবীক ভাল পাই পেলাইছিল। সেয়েহে বৰুৱাই উপযাচিয়েই কৰবীৰ লগত চিনাকি হৈছিল। কৰবীৰো ভাল লাগিছিল পৰিমলক বৰুৱাক। লাহে লাহে তেওঁলোকৰ ভালপোৱা গভীৰ হৈ আহিছিল।

এদিন হঠাতে কৰবীয়ে ঘৰৰ পৰা এখন চিঠি পাইছিল যে তাই অতি সোনকালে ঘৰলৈ আহিব লাগে। সেয়েহে কৰবীয়ে দুদিনৰ পাছতে উভতিম বুলি পৰিমলৰ পৰা বিদায় লৈ বাচত উঠিল। কৰবীয়ে সঁচাকৈয়ে পৰিমলৰ পৰা বিদায় লৈছিল। কৰবী ঘৰলৈ গৈ আৰু উভতি নাহিল। পৰিমলে বহুত দিন অপেক্ষা কৰিলে। অৱশেষত এদিন কৰবীৰ বান্ধবী এগৰাকীৰ দ্বাৰা পৰিমলে গম পাইছিল যে তেজপুৰৰ এজন উচ্চ ব্যৱসায়ীৰ লগত কৰবীৰ ৰিং চেৰিমণি হৈ গল। এই খবৰটো শুনি পৰিমল বৰুৱাৰ বুকুখন যেন থান বান হৈ গৈছিল। যদিও তেওঁৰ তেতিয়া একো কৰাৰ উপায় নাছিল।

তাৰ দুবছৰৰ পাছত পৰিমল বৰুৱাই এম,বি,বি এছ, পাছ কৰি এম. ডি, পঢ়িলে। আৰু তাৰ পাছত গুৱাহাটী চহৰতে এটা ক্লিনিক খুলি দিনবোৰ কটাই দিছে। মাক-দেউতাকে বাৰেবাৰে কোৱা সত্বেও পৰিমল বৰুৱা বিয়া কৰাবলৈ সন্মত নহল। এনেকৈয়ে বহু বছৰ পাৰ হৈ গল।

কিন্তু আজি হঠাৎ আকৌ ডাঃ পৰিমল বৰুৱাৰ পুৰণি ক্ষত স্থানডোখৰ খোচ লাগি নতুনকৈ বিষাই উঠিল। ৰাতিপুৱা নাৰ্চিং হোমলৈ যাবলৈ কাপোৰ-কানি পিন্ধি ওলাওঁতেই দুৱাৰ মুখত কৰবীক থিয় হৈ থকা দেখি ডাঃ বৰুৱা আচৰিত হৈ গৈছিল। সেই সময়ত ডাঃ বৰুৱাৰ বাক্‌শক্তি যেন হেৰাই গৈছিল। তেওঁ বহুসময় একেথৰে কৰবীৰ মুখলৈ চাই আছিল। কৰবীয়ে কপাঁ কপাঁ মাতেৰে কৈ উঠিল—পৰিমল, তুমি পাৰিবানে মোৰ জোনক ভাল কৰি তুলিব? পাৰিবানে কব, মোৰ জোনৰ কি হৈছে? পাৰিবানে?

কথাবোৰ ভাবি ভাবি ডাঃ পৰিমল বৰুৱাৰ আকৌ বুকুৰ কোনোৱা এটা চুকত খোচ খাই বিষাই উঠিল। কৰবীৰ অসহায় মুখখন ডাঃ বৰুৱাৰ বাৰেবাৰে চকুত পৰিছিল। তেওঁ বাৰু কেনেকৈ কব তেওঁৰ এসময়ৰ অতি মৰমৰ কৰবীজনীক, তাইৰ আশাৰ প্ৰদীপ, জীৱনৰ একমাত্ৰ সম্বল জোনৰ 'ব্লাডকেন্সাৰ হৈছে; নাই নাই, কেতিয়াও কব নোৱাৰে তেওঁ। এক দুৰ্বহ, অসহনীয় বেদনাই ডাঃ বৰুৱাৰ বুকুত আঘাত হানি দুৰ্বল কৰি পেলায়। গুৱাহাটী চহৰৰ নামী ডাক্তৰ পৰিমল বৰুৱাই এটা সৰু ল'ৰাৰ দৰে অসহায় অনুভৱ কৰি উচুপি উঠিল।

# হেৰি ! আপুনি বিয়া পাতিলেনে ?

বাসুদেৱ উপাধ্যায়
স্নাতক দ্বিতীয় বাৰ্ষিক

বিয়া শব্দটো আপোনালোক সকলোৱে বৰ চিনাকি নহয়নে ? বৰ মৰমৰ শব্দটো। মই শব্দটোৰ 'ই' কাৰ ডাল আঁতৰাই তাৰ ঠাইত 'এ' কাৰ লগাই পঢ়ো। সেই কাৰণে শব্দটোলৈ মই বৰ ভয় কৰো। বিবাহিত পুৰুষৰ অৱস্থা দেখিলে মোক কাণত ধৰি দহবাৰ উঠ-বহ কৰি প্ৰতিজ্ঞা কৰিবৰ মন যায়, জীৱনত কেতিয়াও বিয়া নকৰাওঁ। বিয়াৰ আগলৈকে বৰ নিচিন্তমনে ঘূৰি ফুৰা মানুহটোৰ ভৰি কেইখনত শিকলি লাগে। যদি আপোনাৰ ভাল দৰমহাৰ চাকৰি আছে আৰু আপুনি অবিবাহিত, অকলে আছে, তেন্তে কি মজা ! চকুৰ তলত জুই নিদিয়াকৈ কেইবাদিনো একেৰাহে পাৰ কৰি দিব পাৰে। নিমন্ত্ৰণৰ পাছত নিমন্ত্ৰণ পাই থাকিব। সমাজত এনে কিছুমান মানুহ আছে যিবিলাকে আনৰ বিয়াৰ ক্ষেত্ৰত বিশেষ ইণ্টাৰেষ্ট দিয়ে। তেনে দুই এজনক আপোনাৰ বিয়াৰ কথা কাণ ছোৱাই থওক। তাৰ পিছত আপুনি পাব অলেখ নিমন্ত্ৰণ। জীয়ৰী ছোৱালী থকা ঘৰে ঘৰে মাছে-মঙহে দি থাকক। কিন্তু বিয়া মৰি গ'লেও নকৰাব। মইতো বিয়া নাপাতো বুলি মা-কালী, বাপকালী, আই গোসানীৰ শপত খাইছো। মোৰ ল'ৰা হ'লে ভাকতো মই বিয়াৰ নামকে ল'ব নিদিওঁ। নাতি-পৰিনাতিইঁতকো ইয়াৰ পৰা আঁতৰাই ৰাখিমেই। আপোনালোককো মই ইয়াকে কওঁ, বিয়া নাপাতিব। নিজৰ ল'ৰা,নাতি-পুতিকো ইয়াৰ পৰা আঁতৰাই ৰাখিব। অৱশ্যে দিল্লীকা লাড়ু খোৱাবোৰেও আপচোচ কৰে নোখাৱাবোৰেও কৰে, কিন্তু নোখোৱাকৈ কৰাতকৈ খাই কৰাটোৱেই ভাল নেকি ?

বুজিছে, নামতহে ই 'শুভ-বিবাহ' প্ৰকৃততে। ই একেবাৰে অশুভ। অগ্নি, বায়ু, আকাশ, পাতাল, চন্দ্ৰ, সূৰ্য, পৃথিবীক সাক্ষী কৰি হোমৰ গুৰিত পঘা লগাই বেই বান্ধিলে, সুখ-দুখৰ সমভাগী হোৱাৰ প্ৰতিশ্ৰুতি দিলে, তেন্তে আপুনি নিগমে মৰিলে। মই কৈছো, বিয়াৰ পাছত আপুনি 'ত্ৰাহি মধুসূধন' সুঁৱৰিব। মোৰ কথাৰ গুৰুত্ব তেতিয়াহে বুজিব। বিয়াৰ পাছত আপুনি আপোনাৰ আগৰ ৰুটিন সলাব লাগিব। ঘৰলৈ সোনকালে ঘূৰিব লাগিব। বেগ লৈ বজাৰলৈ যাব লাগিব। ঘৰলৈ আহিব আপোনাৰ খুলখালী, জেঠৈৰী, শাহু-শহুৰ, আপোনাৰ শ্ৰীমতীৰ বন্ধু-বান্ধৱ আৰু বহু অঙহী-বঙহী। সকলোকে নম্ৰভাৱে সোধ-পোছ কৰিব লাগিব। মাছে মঙহে এসাজ খুৱাব লাগিব। নহলে দেখিব ৰাতি শ্ৰীমতীৰ মুখখন পাঁচটকীয়া বেলুনৰ সমান। প্ৰতিমাহে ৪ দিনকৈ 'কেজুৱেল লিভ'তো লবই। সেই কেইদিন নাকত শেঙুন লৈ চাহৰ পৰা ভাতলৈকে আপুনি নিজে ৰান্ধি শ্ৰীমতীকো খুৱাব লাগিব। এই কেইদিন আহক আলহী ! মৰক আপুনি। সেইকাৰণে মই কৈছো, আপুনি ডাঙৰতকৈ ডাঙৰ মূৰ্খামি কৰক, কিন্তু বিয়া কৰাৰ নিচিনা ডাঙৰ মূৰ্খামি নকৰিব।

'ল'ৰা-ছোৱালী' — শব্দ দুটা বিয়াতকৈ ভয়লগা। এইবোৰ একো-একোটা 'নিউক্লিয়াৰ বম' ৰ সমান। মাকৰ পেটত থাকোতেই আপোনাৰ অশান্তি আৰম্ভ হব। ওলাই অহাৰ পাছত হৈ গল আপোনাৰ, ডাক্তৰ আৰু হস্পিটেলৰ লগত পোনপটীয়া যোগাযোগ স্থাপন কৰক। কিবা-বি,চি,জি মিজিল,ছ, ডি, পি, টি, টাইফয়ড, পোলিও, টিটেনাছ আদিৰ বেজিৰৰ পাছত বেজিৰ প্ৰথমটি যদি ছোৱালী হয়, ধৈৰ্যৰে দ্বিতীয়টি ল'ৰা হোৱালৈ অপেক্ষা কৰক। এইবাৰো যদি ছোৱালী হয় ? কি কৰিব ? ল'ৰা এটিতো লাগে। আৰু এবাৰ চাওঁক। মন্দিৰ, নামঘৰ, কামাখ্যা, বেজ-বেজালি, তাবিজ মাদুলী, মৌলবী, তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুকা যেয়ে যি কয় তাকে কৰক। ঈশ্বৰে আপোনাৰ সকলো আশাৰ বিপৰীতে এইবাৰো কন্যা এজনীকে উপহাৰ দিলে। আপোনাৰ জীৱনলৈ এটা ডাঙৰ প্ৰলয় নামি আহিব। জীৱন আকাশ এচপৰা ক'লা ডাৱৰে ঢাকি পেলালে।

তিনিটিক এৰি আপোনাৰ শ্ৰীমতী মাজে মাজে, ধৰক, মহিলাসমিতি আদিলৈ যায়। আপুনি তেতিয়া ঘৰত চকীদাৰ হৈ বহিব। পেচাব পাইখানা কৰোৱাৰে পৰা

বটল নিপ্পলো আপুনি নিজে খুৱাব লাগিব। আপোনাৰ বিলাই বিপত্তিৰ কথা চিন্তা কৰিলে মোৰ আঠুয়েদি ধাৰাষাৰে চকুলো ববলৈ লয়। টপকে কৈ দিবৰ মন যায়, 'ফাট মেলা বসুমতী পাতালে লুকাওঁ'। হেৰি, চিনেমা আজিকালি আগৰদৰেই চায়নে? নিশ্চয় নাচায়। ধৰক ভাল চিনেমা এখন চলিছে। নিজৰো যাওঁ যাওঁ লাগিছে। শ্ৰীমতীৰো অনুৰোধ। পোৱালীবোৰক লগত লৈ চিনেমালৈ গ'ল। চিনেমা চলি থাকিব। সুন্দৰ মুহূৰ্ত! পোনাটিয়ে আপোনাৰ কোলাত গৰম পানী ঢালি দিলে। আৰম্ভ হ'ল কান্দোন। পিছৰ ফালৰ পৰা ৰাইজে কম-প্লেইন কৰিব। বেয়া নাপাব, বিয়াৰ আগৰ কথা মনত পেলাওক, আপুনিও এইদৰেই চিএৰিছিল। ভিতৰত ৰাইজে চিনেমা উপভোগ কৰিব আৰু আপুনি তিতা গাৰে বাহিৰলৈ গৈ কেচুৱা নিচুৱাওক। মোৰ নিজৰ অভিজ্ঞতাৰ কথা কৈছো। চিনেমা এখন চাই আছিলো। মোৰ লগত অলপ গৰম মেজাজৰ মোৰ এজন বন্ধু। পিছফালে এহাল দম্পতি। লগত প্ৰায় তিনিবছৰীয়া ল'ৰা এটা। বৰ উৎপতীয়া। বন্ধুৱে ডিঙিত কিবা গৰম অনুভৱ কৰি পিছফালে ঘূৰি চাই দেখে পোনাটিয়ে পেন্ট তললৈ নমাই লৈ ফুল প্ৰেছাৰত টেপ খুলি দিছে। বন্ধুৰ মুখত অবাইচ মাত এনেকৈ আহিছে যেনিবা মনছুনৰ প্ৰকোপত হোৱা বৰষুণহে। মাক-বাপেক হালৰ অৱস্থা এনে হ'ল, যেনে হয় কুকুৰে খেদা মেকুৰীৰ বা পানীত তিতি যোৱা নিগনিৰ। মাফ খুজিবলৈ সিহঁতে পৃথিবীৰ সকলো ভাষা প্ৰয়োগ কৰিলে। বেয়া নাপাব........মাফ কৰিব, ছৰি। এক্সিট্ৰিমলি ছৰি........।

আৰু এবাৰৰ কথা, হস্পিটেল এখনলৈ বিশেষ এটা কামত গৈছিলো। মোৰ আগে আগে মটৰ চাইকেল এখনত বৰ ফিট-ফাট, কাৰা ইস্ত্ৰি কৰা কাপোৰ পিন্ধি যুৱক এজন আহিল। কেছুৱাটিক লগত লৈ শ্ৰীমতী হস্পিটেলত ভৰ্তি আছিল। যুৱকজনে পোনাটিক লগত লৈ হস্পিটেলৰ লনখনত ঘূৰি আছিল। পোনাটিয়ে বাপেকৰ কোলা শুৱনি কৰি হালধীয়া ফুল বাচি দিলে। মানুহজনৰ অৱস্থা দেখি মোৰ এনে লাগিছিল যে কেইমিটাৰমান হালধীয়া কাপোৰ কিনি সেইদিনাখনেই ব্ৰহ্মচাৰী হৈ যাম।

সময়ৰ বোৱতী সোঁতে আপোনাৰ আৰু শ্ৰীমতীৰ দেহলৈ বাৰ্দ্ধক্য আনিব। ছোৱালীকেইজনী গাভৰু হ'ব। আকৌ বিয়াৰ প্ৰশ্ন আহিব। কেনেবাকৈ নাক কাণ কাটি পলাই নগলেই ৰক্ষা। আপুনি আৰু শ্ৰীমতী দৰাৰ সন্ধানত লাগি থাকক। এটি দুটিয়েতো নহ'ব। শ্ৰীমতীয়ে আপোনাৰ ভাগিন ল'ৰাটোক কব, "অজিত, আমাৰ দিপালীলৈ ল'ৰা এটা চাবাচোন"। আপুনিও আপোনাৰ অফিচত সমস্যাটোৰ বিষয়ে বৰুৱাক অবগত কৰাব। তেওঁৰ চিনাকি কোনোৱা ভাল ল'ৰা........ধৰক। ল'ৰা এজন আহিলেই, ভাল চাকৰিও কৰে। এতিয়া আপুনি আৰু আপোনাৰ পৰিবাৰ মিলি পাকে-প্ৰকাৰন্তেৰে ল'ৰাজনক হিপন'টাইজ কৰাৰ চেষ্টা কৰক, বজাৰৰ পৰা মাছ-মাংস আনক, ৰসগোল্লা আনক। শ্ৰীমতীয়ে মূৰৰ ঘাম মাটিত পেলাই বিধে বিধে ৰান্ধিব। যেতিয়া ল'ৰাজনে ভাল হৈছে বুলি প্ৰশংসা কৰিব, তেতিয়া শ্ৰীমতীয়ে কব, 'গোটেইখিনি দিপালীয়ে নিজে ৰান্ধিছে'। ছোৱালীছোৱাৰ অজুহাতেৰে ঘৰলৈ বহু আহিব। আপুনিও বজাৰৰ পৰা মাছ-মাংস আনি থাকক। দোকানত বাকীৰ পৰিমাণটো আপোনাৰ মাহিলি দৰমহাতকৈ চেৰাই যাব। দোকানীয়ে বাকী নিদিয়াৰ ভাবুকি দিব। ভয় নকৰিব। বেয়া নাপাব। কাৰণ দিপালীৰ মাকজনীক অনাৰ আগতে আপুনিও ছোৱালী চোৱাৰ অজুহাতেৰে এইদৰে ঘুৰিছিল নহয়?

# শ্ৰীকমলেশ্বৰ বৰাদেৱৰ সৈতে এখন্তেক

বন্দনা হাজৰিকা
মনু বৰগোহাঁই

যোৱা ১৯৮৭ চনৰ ১৪ আৰু ১৫ নৱেম্বৰত ডিগবৈ ইণ্ডিয়া ক্লাবে আয়োজন কৰা "১২১তম বেজবৰুৱা জন্ম শতবাৰ্ষিকী"ৰ আড়ম্বৰপূৰ্ণ দুয়ো নিশাৰ সাংস্কৃতিক অনুষ্ঠান আৰু ১৫ নৱেম্বৰৰ "আলোচনা চক্ৰ"ত সভাপতিত্ব কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীযুত কমলেশ্বৰ বৰা ডাঙৰীয়াই।

এজন অধ্যাপক হিচাপে তেখেতৰ চাকৰি জীৱনৰ পাতনি মেলা বৰা ডাঙৰীয়াই শিক্ষা জীৱনৰ পৰা আৰম্ভ কৰি মেজিষ্ট্ৰেট, জিলা প্ৰশাসক, আৰু ভাৰত চৰকাৰৰ গুৰুত্বপূৰ্ণ পদবীৰ দায়িত্বভাৰ আৰু নেতৃত্ব গ্ৰহণ কৰি জাপান আৰু ইউৰোপলৈও আমন্ত্ৰিত হৈছিল।

অসমৰ ছবছৰীয়া আন্দোলনৰ প্ৰাৰম্ভণিৰ কালছোৱাত কামৰূপ জিলাৰ উপায়ুক্তৰ পদ গ্ৰহণ কৰি এক দক্ষ আৰু নিৰপেক্ষ ভূমিকাৰে অসমৰ জনগণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

'৮৭ ৰ ১-১৫ অক্টোবৰ সংখ্যা "প্ৰান্তিক"ত শ্ৰীযুত বৰা ডাঙৰীয়াই তেখেতৰ মেজিষ্ট্ৰেট হৈ থকা সময়ছোৱাত লগপোৱা বিভিন্ন ধৰণৰ অপৰাধীৰ মানসিক জগতখনত সাঁতুৰি-নাদুৰি অৰ্জন কৰা স্পৰ্শকাতৰ মধুৰ অনুভূতিক আক্ষৰিক অৰ্থত প্ৰকাশ কৰে "ৰোমন্থন" নামৰ লেখনিত। শ্ৰীযুত বৰা ডাঙৰীয়াৰ সংবেদনশীল অনুভূতি, উদাৰ দৃষ্টিভংগী আৰু আশাবাদী মনস্তত্বৰো উমান পাওঁ "বেজবৰুৱা শতবাৰ্ষিকী"ৰ দুয়ো নিশাৰ বহুমূলীয়া ভাষণত।

বৰা ডাঙৰীয়াই অনাতাঁৰ আৰু বিভিন্ন বাতৰি কাকতৰ বক্তৃতা তথা সাক্ষাৎকাৰ গ্ৰহণ আদিত দিয়া বিশ্ববিদ্যালয় আৰু শিক্ষা সম্পৰ্কীয় মন্তব্যসমূহত তেখেতৰ এখন নিকা বিশ্ববিদ্যালয় গঢ়া আৰু ইয়াৰ বাবে প্ৰয়োজনীয় উপাদানসমূহৰ কাৰ্যকৰী ব্যৱস্থাৰ বাবেও "অত্যন্ত প্ৰয়োজনীয়" স্পষ্ট দৃষ্টিভংগী আৰু সেই অনুপাতে পদক্ষেপ গ্ৰহণ কৰিবলৈ ইচ্ছুক এক কঠোৰ অথচ উদাৰ শিক্ষা-বিভাগৰ মুৰব্বীক পাই অসমৰ শিক্ষিত সচেতন মহল আশান্বিত হৈ উঠিছে।

ডিগবৈ ইণ্ডিয়া ক্লাবৰ সাধাৰণ সম্পাদক ধীৰেন বৰদলৈদেৱে সাক্ষাৎকাৰ গ্ৰহণৰ পথ সুগম কৰি তোলাৰ বাবে আলোচনী বিভাগৰ তৰফৰ পৰা তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। উপাচাৰ্য বৰা ডাঙৰীয়াদেৱেও আমাৰ ক্ষুদ্ৰ প্ৰয়াসত সহযোগিতা কৰাৰ বাবে কৃতজ্ঞ হৈ ৰ'লো।

সাক্ষাৎকাৰটি যুগুতাই আগবঢ়ালে বন্দনা হাজৰিকা আৰু মনু বৰগোঁহাইয়ে। —সম্পাদক

১ নং প্ৰশ্ন : যোৱা কালি সন্ধিয়া অৰ্থাৎ ১৪ নৱেম্বৰত আপুনি দিয়া ভাষণ প্ৰসংগত উল্লেখ কৰিছিল যে "আমি জীৱনৰ অৰ্থ বিচাৰিব লাগে" — ঠিক কি অৰ্থত আপুনি উক্ত কথাষাৰ উচ্চাৰিত কৰিছিল সেইবিষয়ে কিছু ক'ব বুলি আশা কৰিলো।

উত্তৰ : জীৱনৰ অৰ্থ আমি সকলোৱে বিচাৰোঁ। বহলাৰ্থত মানুহ পশু সকলোবিলাক প্ৰাণী। কিন্তু প্ৰাণীবিলাকৰ ভিতৰত মানুহ শ্ৰেষ্ঠ এইকাৰণেই যে মানুহৰ চিন্তাশক্তি আছে আৰু সেইকাৰণেই মানুহে কেৱল খাই-বৈ জীয়াই নাথাকি জ্ঞানৰ সাধনা কৰে। মনৰ পৰিধি অসীম আৰু জ্ঞান অনন্ত। এই জ্ঞান সাগৰৰ পাৰত থিয় হৈ বৈজ্ঞানিক নিউটনেও তেওঁৰ বিদ্যাক সামান্য শিলগুটি বুটলা কামৰ লগত তুলনা কৰিছিল।

মানুহৰ অনুসন্ধিৎসু মনে "দুৰ্গম নদী, পাহাৰ, গিৰি লঙ্ঘিবলৈ," নজনাজনক জানিবলৈ আৰু নিজক জানিবলৈ (চক্ৰেটিছে কোৱাৰ দৰে) অনাদি কালৰ পৰাই চেষ্টা কৰি আহিছে। তেতিয়াই জীৱনৰ অৰ্থ বিচৰাৰ কথাও আহি পৰে। চাৰ্বাক মুনিৰ মতে পাৰ্থিৱ সুখেই জীৱনৰ লক্ষ্য অথচ ৰাজপ্ৰাসাদত থাকিও অমিতাভ বুদ্ধই জীৱনৰ অৰ্থ বিচাৰি ভিক্ষুৰ বৃত্তি অৱলম্বন কৰিছিল। মহাত্মা গান্ধীয়ে কৈছিল — সত্য অহিংসাই জীৱনৰ লক্ষ্য। মুনিসকলৰ

ভিতৰত বহুতে কৈছিল — ব্ৰহ্মাই সত্য, বাকী মিছা। নৈতিকতা আৰু পাৰ্থিৱ আৱশ্যকতাৰ মাজত সমন্বয় সাধন কৰিব পাৰিলেই বোধহয় জীৱনৰ অৰ্থ বিচৰাটো সম্পূৰ্ণ হ'ব পাৰে।

২ নং প্ৰশ্ন : যোৱা কিছু বছৰৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত পৰীক্ষাসমূহৰ ভিতৰত বিশেষকৈ প্ৰাক্-বিশ্ববিদ্যালয়, স্নাতক মহলাৰ পৰীক্ষাৰ ফলাফলৰ হাৰ নিম্নগামী হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে?

উত্তৰ : অধ্যয়নৰ অভাৱ, পাঠ্যক্ৰমৰ বিচ্যুতি, প্ৰাথমিক স্কুলৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয়লৈকে ত্ৰুটিপূৰ্ণ পদ্ধতি আৰু বিশেষকৈ মাধ্যমৰ সমস্যাৰ কাৰণেই বোধকৰো কৃতকাৰ্যতাৰ হাৰ নিম্নগামী হৈছে। সকলোৰে সমবেত প্ৰচেষ্টাতহে এই অৱস্থাৰ উন্নতি হ'ব পাৰে। বিশ্ববিদ্যালয়ৰ পৰা এই বিষয়ে পৰ্যালোচনা কৰি থকা হৈছে।

৩নং প্ৰশ্ন :— কৃতকাৰ্যতাৰ হাৰ উৰ্দ্ধগামী কৰিবলৈ বিশ্ববিদ্যালয়ে কেনেধৰণৰ পদক্ষেপ লোৱা উচিত ?

উত্তৰ :— মহাবিদ্যালয়সমূহৰ কিছুমান স্বাধিকাৰ আছে। তাত বিশ্ববিদ্যালয়ে প্ৰত্যক্ষভাৱে হাত দিব নোৱাৰে। কিন্তু পৰোক্ষভাৱে Academic Council আৰু Undergraduate Board-ৰ আলোচনাৰ মাধ্যমেৰে দিহা-পৰামৰ্শ দিয়া হয়।

৪ নং প্ৰশ্ন :- পাঠ্যক্ৰমত অন্তৰ্ভুক্ত নোহোৱা বিষয়ৰ ওপৰতো চূড়ান্ত পৰীক্ষাৰ প্ৰশ্নকাকতত স্থান দিয়াৰ বাবে বহুসময়ত ছাত্ৰ-ছাত্ৰীসকল বিপাঙত পৰে। এইবিষয়ে আপোনাৰ মতামত জানিব বিচাৰো।

উত্তৰ :- সাধাৰণতে এইটো হব নালাগে। পৰীক্ষাসমূহৰ প্ৰত্যেক বিষয়ৰ কাৰণে Moderation Board থাকে। তেওঁলোকে চাই-চিতি দিয়ে।

৫ নং প্ৰশ্ন :- শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু ছাত্ৰ-ছাত্ৰীসকল পৰস্পৰে পৰস্পৰৰ ওচৰত কি ধৰণে দায়বদ্ধ হোৱা উচিত? এই বিষয়ে কিছু কথা জনাবনে ?

উত্তৰ :- শিক্ষক-শিক্ষয়িত্ৰীৰ ব্যক্তিত্বৰ ওপৰত বহুতো কথা নিৰ্ভৰ কৰে। সম্পৰ্ক বন্ধুত্বমূলক হ'লে আৰু মৰমেৰে শাসন কৰিলে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত বৰ সহায় হয়। ছাত্ৰ-ছাত্ৰীসকলেও যথোচিত সন্মান প্ৰদৰ্শন নকৰিলে শিক্ষক-শিক্ষিকাসকল ক্ষুণ্ণ হোৱাটো স্বাভাৱিক। এই বিষয়ে দুয়ো পক্ষৰে দায়বদ্ধতা আছে।

৬ নং প্ৰশ্ন :- "সৰ্বভাৰতীয় প্ৰশাসনিক বৃত্তি" (Indian Administrative Servicel)ৰ প্ৰতিযোগিতাসমূহৰ বাবে এজন প্ৰাক্তন প্ৰশাসনিক বিষয়া হিচাপে আপুনি ছাত্ৰ-ছাত্ৰীসকললৈ কিছু দিহা-পৰামৰ্শ দিবনে ? অসমে এই এইক্ষেত্ৰত সু-ফল দেখুৱাব নোৱৰাৰ কাৰণ কি ?

উত্তৰ :-সৰ্বভাৰতীয় প্ৰতিযোগিতাত ৪টা কথাৰ বৰ প্ৰয়োজন ;

(১) গভীৰ অধ্যয়ন।
(২) ইংৰাজী জ্ঞানৰ ব্যাপকতা।
(৩) ছাত্ৰ-ছাত্ৰীৰ অধ্যৱসায়।
(৪) উপযুক্ত পাঠ্যপুথি সংগ্ৰহ।

দিল্লী আদিত যিমান সুবিধা, অসমত সিমান সুবিধা নাই।

৭ নং প্ৰশ্ন :- ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উদ্ভিদ বিজ্ঞান বিভাগ, দৰ্শন বিভাগ আৰু শিক্ষা বিভাগ বিষয়ত বৰ্তমানলৈকে "স্নাতকোত্তৰ বিভাগ" নোখোলাত এক বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী উচ্চ-শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈছে। এই বিষয়ে আপোনাৰ মতামত আমি জানিব বিচাৰো।

উত্তৰ : উদ্ভিদ বিজ্ঞানত শিক্ষা দিয়া হয় ; জীৱবিজ্ঞানৰ ই এটা ভাগ। শিক্ষা বিভাগত স্নাতকোত্তৰ বিভাগ খুলিবলৈ যোগাযোগ কৰি থকা হৈছে। দৰ্শনত অলপ পলম হব।

৮ নং প্ৰশ্ন :- "ভাৰতৰ আঞ্চলিক ৰাজনীতি"ৰ ভৱিষ্যত সম্পৰ্কে আপুনি আশাবাদীনে ?

উত্তৰ :- মইতো উজ্জ্বল বুলিয়ে ভাবো। বোধকৰো আমাৰ সংবিধান ভৱিষ্যতে সলাব লগাত পৰিব পাৰে—যাতে ৰাজ্যবিলাকৰ স্বায়ত্ত-শাসন বেছি কৰি আমেৰিকাৰ দৰে ফেদাৰেল শাসন-ব্যৱস্থাৰ দিহা কৰিব পাৰি। ইঅৱশ্যে ভৱিষ্যতৰ কথা।

১৩ নং প্ৰশ্ন :- বৰ্তমানৰ যুৱক-যুৱতীসকলৰ মাজত দেখা দিয়া ব্যাপক উশৃংখলতাৰ বাবে দায়ী বিশেষকৈ তেওঁলোকৰ হতাশাগ্ৰস্ত মন বুলি আপুনি ভাবেনে ?

উত্তৰ : হতাশা নোহোৱা নহয়, কিন্তু শৃঙ্খলাবোধ আনিবলৈ আন্তৰিক প্ৰচেষ্টা যুৱক যুৱতীসকলৰ পৰাই আহিব লাগিব।

# Digboi College Magazine

1987-88

VOL : XI

ANNUAL PUBLICATION OF THE DIGBOI COLLEGE STUDENTS' UNION

## ENGLISH SECTION

*Patron :*
**Dr. Prafulla Kumar Bhuyan**

*Editor :*
**Pabitra Kumar Gogoi**

## • editorial board

*Patron :*
Dr. P. K. Bhuyan

*Prof. in charge :*
Shri M. M. Choudhury

*Staff Member :*
Shri B. K. Gogoi
,, P. N. Saikia
Mrs. A. Borgohain (Gogoi)
Mrs. R. M. Dutta

*Student Member :*
Shri Dipen Kumar Borah
,, Ranjit Phukan
,, Simanta Madhab Katoky
Miss Rini Borah

*Editor :*
Shri Pabitra Kumar Borah


*Cover Design :*
Shri Pankaj Goswami




*Printed by :*
*Shri Himen Bhattacharjee*
The Assam Paper Industry
B/5, Govt. Industrial Estate
BORGURI-786 126
Tinsukia : Assam
DIAL : 20807 & 21746


## Contents


1/*Martyr :* Anupam Phukan
1/*The light of the childhood :* Pradeep Kr. Das
2/*She in General :* Sukhdev Singh Sandhu
3/*A drop of Tear :* Dipali Baruah
3/*The colour of friendship :* Madhumita Purkayastha
3/*The Mist :* Manjita Borpuzari
4/*Jyotiprasad ; An Apostle of Art & Culture :* Manash Sarkar
5/*Life : a chemical analogy :* Dr. S. K. Kar
9/*Environment Protection :* Vikas Kashyap
10/*International Games and India :* K. Krishna Malakar
11/*What Attracts Insects to Light :* A. Borgohain (Gogoi)
*Gems & Jewels :* Collected by Pabitra Kr. Gogoi.




*Principal Dr. P. K. BHUYAN*
M.A. (Double), Ph.D., LL.B.



Miss Archana Upadhyay
1st Class First
Position in degree Arts Exam. (Pol. Science)


# Brilliant Students of Digboi College 1987-88



Mr. Abhijit Mukherjee
1st Class First
Position in degree (Sc.)
Mathematics

# EXECUTIVE BODY • 1987–88

## Digboi College Students' Union



*Sitting (from L to R) :*

Mr. D. Borgohain (Secy., Gymnasium), Mr. Ranjit Kr. Roy (Secy., Minor Games), Mr. R. Boro (General Secy.), Mr. R. Phukan (Vice President), Miss M. Konwar (Secy., Girls' Common Room), Mr. B. C. Dutta (Secy., Boys' Common Room) Mr. P. J. Barua (Asstt. General Secy., Commerce).

*Standing (from L to R) :*

Mr. H. Gogoi (Secy., Debating), Mr. P. K. Gogoi (Editor), Mr. M. Islam (Secy., G. Sports), Mr. N. Borgohain (Secy., Major Games), Mr. P. Borgohain (Secy., Cultural), Mr. A. Saikia (Secy., Music), Mr. L. B. Limboo (Secy., S. Service).

*Not in Picture :*

Dr: P. K. Bhuyan (President), Mr. P. Borah (Asstt. Gen. Secy., Science), Mr. D. C. Konwar (Asstt. General Secy., Arts).

# EDITORIAL BOARD

## SESSION 1987-88

## Digboi College Magazine



*Sitting (from L to R) :*


Prof. A. Borgohain Gogoi (Staff), Prof. R. M. Dutta (Staff), Prof. M. M. Choudhury (Prof. In-charge, Magazine), Prof. P. N. Saikia (Staff), Prof. B. K. Gogoi (Staff).

*Standing (L to R) :*

Mr. R. Phukan (Student Member), Mr. D. K. Bora (Student Member), Mr. S. M. Kataky (Student Member), Mr P. K. Gogoi (Editor).

*Not in Picture :*

Dr. P. K. Bhuyan (Patron), Miss R. Bora (Student Member).




Mr. Pankaj Goswami
Best Actor, 1987-88




Miss Pranjali Borgohain
Best Actress, 1987-88




GROUP DISCUSSION
From (L to R) — Madhurita Purkayastha, Vandana Upadhaya, Depasree Das



Miss Nayanmoni Borah
Best Singer, 1987-88



Mr. Tompok Singh
Chess Champion
1987-88



Mr. A. K. Gulati, General Manager, (North Eastern Coal Field) taking salute of our College atheletes and N.C.C. Cadet (23rd Sports Week).

# The light of childhood

*Pradeep Kr. Das*
T. D. C. part I *(Arts)*

Often I think about the childhood,
Really the childhood is how much good !
At that everything was beautiful,
Always the mind was very peacefull,
No worry, nor sadness, but
There was happiness.
Sad and bad were temporary if
they had come,

But now those bright and light
days have gone,
And the joyous mind these sad
thing posses.
"What happens at present time ?"
the mind says,

—Why I dislike present these busy days ?
Of course the light and bright
days never stay for us,
Those have gone for ever as we
are in old age
Now and then I remember those happy days,
And feel strange to know it,
"everything is age"
Some ages are peaceful, and
some are sorrowful,
But the childhood's days are
the most beautiful. ●

# Martyr

*Anupam Phukan*
T. D. C. part II *(Arts)*

*(Let the apartheid policy in South Africa be removed)*

In his pair of eyes
A blue portion of the sky was reflected
And the evergreen trees of his beloved motherland,
Which he enjoyed heartily for the last moment ;
At the moment —
When the guns of his enemy soldiers
Toward his fastened body,
His heart was singing a song —
"Oh black cloud ! go away And"
Let us see the fullmoon again.........."
By which he saw his sacred and silence
love for human again,
Thus a great soldier was killed !
By some white skinned people ;
Like a burning candle,
Life flame of whom
Lightened hearts of many people

And
Blood of heart
Proved it again —
"Blood of all is red." ●

# Jyotiprasad

## An Apostle of ART and CULTURE

*Manash Sarkar*
T. D. C. 2nd year

It has been most appropriate observe "Silpi Divas" (Artists' Day) synchronising with the death anniversary of Rupkonwar Jyotiprasad Agarwala who was not only a great artist himself but also an advocate of artistic approach in all fields of the society at large for achieving the ultimate goal of peace and progress for mankind. Jyotiprasad urged that all norms of the world should be culture based, whether it be in political, economic, social spheres, was strategy and even in industrial and commercial fields. On the other hand, to put on his own words, "the culture is proper utilisation of Beauty in life."

The socially conscious artist in Jyotiprasad raised his voice of protest whenever and wherever he found contamination of beauty by anti-culture causing sufferings in society. Further, the Patriotic mind in him led struggle for freedom following Mahatma Gandhi's ideal of non violence. He belived in the immense potentialities in the dumb people and felt genvinely that as an artist himself he knew their secret aspirations and their language of mind. Hence he would raise them up to destroy the darkness they are living in.

In his songs, poems, dramas or article's this aim is clearly evident. In an article he worte, "I have great faith that the future civilisation of the world will be artists" civilisation. Actually every man at heart is an artist and only when that would be exhibited in full bloom of beauty of external culture, peace and happiness, we are hankering after will materialise and not before that. Thus Jyotiprasad was an apostle of peace through culture which he meant as beauty in life itself.

In the modern world of scientific age, no nation, subnation or ethnic group any where can remain insular or separate for itself. Mankind is marching towards higher levels of cultural assimilation from the lower bases. But this process of assimilation must not destroy the originality and speciality of each group or region. Such unity in diversity of different cultural traditions rather enriches the culture-based peaceful human society and does away with various unnecessary confrontations originated from our ignorance.

In all his writings, Jyotiprasad emphasised on social justice and equality of all men. In his outstanding play "Karengar Ligiri," the feudalism symbolised by the character of "Rajmao" was challenged by "Sundar Konwar" who wanted to marry a simple mind servent 'Sewali.' symbolising oppressed classes. Through the character of "Sundar," Jyotiprasad projected his own ideals of establishing dignity of man as a whole. Even after the country become independent he did not run after power but continued struggle for economic welfare of the downtrodden masses till his untimely death at the age of 48 years on 17th January 1951. Even in selecting the theme for his first Assamese film "Joymoti," Jyotiprasad was concerned about the glorious past of the land in which he was born ; and in depiction too he showed utmost care to present local culture and traditions.

It is noteworthy that Assam Silpi Divas Samity started creating public opinion to regard the death anniversary of this great son of Assam as Silpi Divas, i. e, Artists' Day and ultimately people as well as government of Assam accepted this noble proposal to remember one who dedicated his life for Art, culture and welfare of the masses in all fields — political, economic and social. Jyotiprasad declared that every man is a political artist— a symbol of culture. To rouse the artistic urge in every man. So Silpi Divas observed in memory of all known and unknown artists including Jyotiprasad should also advocate in true sense the cultural approach in all fronts of our society, because a world totally culture based was the dream of Rupkonwar Jyotiprasad Agarwala. ●

# LIFE :
## a chemical analogy

*Dr. S. K. Kar*
Dept. of Chemistry

We live in a chemical universe. Everything is composed of chemicals. Food, clothing and shelter, earth, air and water; cows, dogs and cots—they're all chemicals, or mixtures of chemicals.

Everything we know is something about things. Thus almost everything we know is something about chemistry. We may not think its chemistry. Chemistry may not call it chemistry. But how things grow, age and cook; run, fly and fight; burn, rot and rust is chemistry. We're all chemists, somewhat. We have to be to survive. Chemistry by any other name is chemistry.

Let us take water. What's water? Look at it. Smell it. Taste it. Cold it. Heat it. Heft it. Its clear, colourless nearly odourless and tasteless liquid that melts at O°c, boils at 100°c, and weight 1 gm. per ml.

Then it ice water? And steam? Certainly steam doesn't weight 1 gm. per ml.

True ice and steam haven't the same densities as liquid water. Ice floats in liquid water. Liquid water sinks in steam. Yes merely by absorption of heat ice melts to a clear colourless liquid—and nothing else. A water cooled condenser is useful for collecting sufficient condensate to check its behaviour with a small piece of sodium. Sodium plus top water; sodium plus melted ice, sodium plus condensed steam—all three clear colourless, odourless liquids produce the same startling transformation with sodium. The chemist in us says: what which has the properties of water is water. To summarize, ice plus heat yields liquid water. Steamless heat yields liquid water. And nothing else.

Now heat is nothing. It is merely a state of commotion at the atomic level. Ice and steam, we say, are merely different states of water—the solid and gaseous states. The liquid state is the third common state of water.

The thing we call water is always the same-thing. You can count on that is chemistry. There's another way to express that thought. Thinking as chemists think, we say, water is "H-two-O" that says in essence what the essence of water is and indeed, what the essence of water is—and, indeed, what essence of chemistry is, and science and civilization. The centre can be reached from any point of the compass. But one thing at a time. What's it mean to say "water is 'H-two O' ?"

H stands for Hydrogen. And Hydrogen? Hydrogen is a colourless, odourless, tasteless, light, lightly flammable gaseous element. Now gases under normal conditions are mostly empty space. To store a significant amount of hydrogen at room temperature in a small space, it must be cowpressed. It's kept in sturdy taks, under high pressure.

We cannot see hydrogen when we squirt it from a tank into the room. It's colourless. Now can we smell it. It's odorless. And we can show that its less dense than air and flammable.

And 'O'? O stands for oxygen. Like hydrogen, oxygen is a colourless, odourless, tasteless, gaseous element. It too, is stored under pressure in sturdy tanks. Oxygen's most important chemical property is well known. It supports combustion. We donot need our eyes or our ears to appreciate that.

Those are the elements water is composed of: hydrogen and oxygen. Water is composed of a highly flammable gas and a combustion-supporting gas. Well, that's chemistry. And that's life.

The staff of life doesn't look—or taste—like its ingredients. Puppies don't look—or behave—like puppy chow. And water doesn't look—or behave—like hydrogen and oxygen.

Chemical changes are dramatic. All ordinary, visible, macroscopic change is one-way. I drop a ball. It comes to rest eventually, on that floor. It's a nice demonstration. It always works. But now the ball on the flood can't behave as it did before its fall. Its potential behaviour has changed with its change in potential energy. After its fall the ball by itself never begins bouncing. We can, of course, restore the ball to its previous exalted status. We can boost the ball upto its previous elevation, we have to have muscles, of course. And our muscles have to be loaded with fuel—glycogen, for example—and supplied with oxygen, if we've going to continue the action for long. As we act, fuel is oxidizen to water and carbon-di-oxide. That's spontaneous process. Our muscles and bones couple that driving force of that spontaneous process to an increase in altitude of the ball. It's the lever principle As nature setteth up one, she setteth down another. As the ball is raised, glycogen and oxygen are "set down" to water and carbon-dioxide. To restore the glycogen and oxygen from the water and carbondioxide, something else must be "set down"—heat, for example, from high temperature to lower temperatures, as in photosynthesis. But first let's see the synthesis of water. If we are clever we can make water from hydrogen and oxygen—or in fact, from any thing that contains hydrogen and oxygen such as sugar, or gasoline and air. Actually, we don't have to be very clever, merely careful—if we wish to emerge unscathed. Merely mixed hodrogen and oxygen, say in an invested beaker and ignite. There ! see the droplets of a clear, colourless liquid ? It's water. Alternatively, we can make water by passing hydrogen from a tank through a glass take (that won't burn) into an air-fulled room and igniting it. That gives a gentle flame from which we can condense water in the usual way, on a cold surface.

Recovery of hydrogen and oxygen from water is not, however merely a matter of allowing Nature to do her thing, unguided. It's not like watching a ball fall or hydrogen burn. It's like raising a ball. Its matter of setting. Nature to undoing what Nature does naturally. It's like of getting glycogen oxidized in our muscles to enable us to muscle up a weight.

The natural thing for elevated weights to do, released, is to fall. The natural thing for puppies to do, fed, is to grow. The natural thing for hydrogen-oxygen mixture to do ignited, is to explode.

Now it's a law of Nature that the exact reverse of a natural event is unnatural. It's unnatural for resting ball to become restless. It's unnatural for grown dogs to become puppies. And its unnatural for water to de-explode to hydrogon and oxygen.

Things age, never youth. Time marches onward. We cann't step into the same stream of time twice. We cannot go back. The exact reverse of an event is highly improbable.

Balls by themselves never begin bouncing. Water by itself never splits into hydrogen and oxygen. But resting ball can be bounced. It's for that reason—among others—that the passive voice was created. And water can be split into hydrogen and oxygen. It's a common process.

Water splitting occurs around us. We're surrounded by chemical plants that split water. They're easily recognized by the green colour of their solar collectors. Their speciality is photosynthesis. They're called green plants.

Photosynthesis splits water into hydrogen and oxygen. Oxygen is a byproduct. It's released to the atmosphere, Hydrogen from the split water is combined with carbondioxide of the atmosphere. Products are solid products, "carbohydrates"—such as sugar, starch and cellulose.

The chemical ingredients of photosynthesis are, to repeat, water and carbon dioxide. The chemical products are oxygen and carbohydrates. Chemically speaking, photosynthesis oxidation in fire places and in the gentle metabolic fires of life consumes carbohydrates and oxygen. Water and carbondioxide are produced. Carbohydrate production in green plants consumes water and carbon dioxide and produces oxygen and carbohydrates.

It is the life of green plants to clean up the chemical mess that living animals make. To do

their job, they need help, however. To photosynthesize, green plants need photous, high grade photous. They need visible photons. They need to be illuminated.

Photosynthesis is like raising a resting ball. The water and carbon dioxide that are consumed in photosynthesis correspond to the ball at rest on the floor. Those states of matter are stable, unreactive states. The carbohydrates and oxygen that are produced in photosynthesis correspond to the elevated ball. Those states of water are less stable, self transforming, reactive states. Carbohydrates and oxygen, ignited, burn, elevated balls released fall. The short wavelength, highly transformable radiant energy of the sun that plants use in photosynthesis corresponds to the transformable muscle glycogen and oxygen that ball raises use in raising balls. Those are reactive configurations with which Nature, properly guided, can transform unreactive configurations into move reactive configurations. The chlorophylls of green plants correspond to the muscles, tendons, and bones of a ball raisers body. Those are enebling devices. They enable plants and ball raisers to couple natural transformations to unnatural transformations—ones that, by themselves world not occur.

The natural transformation in photosynthesis in heat flow from the hot sun to objects. The natural transformation in aerobic ball-raising in oxidation of muscle glycogen. The unnatural transformation in photosynthesis is the transformation of water and carbon dioxide into carbohydrates and oxygen. The unnatural ball-raising in an increase in the elevation of the ball. Neither unnatural transformation occur by itself. That would be unnatural. Either one can occur however, in the presence of a natural transformation to which it is coupled via, muscles, tendons, and bones.

The devices for coupling in photosynthesis the natural process to the unnatural process are the chlorophylls of green plants. Standard devices for coupling natural transformations of matter to unnatural transformations of matter in chemical laboratories are much less complicated than chlorophylls. Chemists have not been in coupling business as long as Nature has but the coupling devices, natural or contrived, have a feature in common: they conduct electrons. Chemists use electrically conducting wires.

With wires and a part of Nature in a transformable form, we can split water into hydrogen and oxygen.

Chemically inert platinum wires are often used in the splitting of water. The graphite of lead pencils works almost as well and is less expensive. Needed also, is a natural, spontaneous process that can produce across two platinum wires or graphite leads a voltage of at least 1·23 volts. Water over a waterfall at a hydroelectric plant can produce such a voltage. So can the reaction of lead with lead dioxide and sulfuric acid in a lead storage battery. Increasing the voltage to 10 to 20 volts increases the speed of splitting of the water. Adding a little salt or strong acid to the water to increase the water's electrical conductivity greatly increases the speed of splitting.

Volume wise, hydrogen comes off twice as taste as oxygen when water is split. For that reason, among others, chemists call water, "H-two-O' written $H_2O$. The 2 refers to hydrogen. But what does "2 hydrogen" mean ? Two of what ? Operationally, it means, as just remarked, two volumes of hydrogen per one volume of oxygen when water is split. It means also two atoms of hydrogen. But that's another story.

Hydrogen is called hydro-genas because that's hydrogen's most distinctive property. It generates water.

Oxygen is called oxy-genas because that's oxygen's most distinctive property. It generates acidic properties. $H_2SO_4$, for example, is much more acidic than $H_2S$. Similarly, $H_2O$ is much more acidic than $H_2$. True, $H_2O$ isn't very acidic compared to $H_2SO_4$. But it's much more acidic than $H_2$.

Lime's caustic. It's a base. Bases react with acids. Squirt hydrogen gas on it. Nothing happens. Now add water. Shake it. It gets hot ! We can try an egg on it ! that's water acting as an acid.

Like water, salt is an entirely different substance from either of its elements. That's chemistry's most distinctive feature. In chemistry the distinctive features of substances change. They change so much

we change their names. The name of the name-changing game is chemistry. It's the life of the party we call life. We are what we eat. But we aren't called what we eat, that's biochemistry. You take the life out of chemistry. But you can't take the chemistry out of life.

What's in a name, a chemical name ? A chemical history.

Take the name of Ram Singh, if he exists is a batch of chemicals. What does his name tell us ? The name Ram Singh tells us that Ram Singh is a product of chemical union of the elementary chemical essences of Mr. and Mrs. Singh. Similarly, the name dihydrogen oxide is a product of a chemicals union of the chemical elements hydrogen and oxygen. And just as Ram Singh is sufficiently different from Mr. and Mrs. Singh to have his own name, so dihydrogen oxide is sufficiently different from hydrogen and oxygen to have its own name.

The making of Ram Singh from Mr. and Mrs. Singh is a natural process. The making of dihydrogen oxide from hydrogen and oxigen is a natural process, also. It fact, although we can take the life out of Ram Singh, for the life of us we don't yet know how to get Mr. and Mrs. Singh out of Ram Singh. Even recovering hydrogen and oxygen from so simple a substance as dihydrogen oxide requires considerable know-how.

It's the story of the evolution of matter from primordial, unorganized, inorganic matter to more organized, organic matter, eventually to photosynthesizing plants, Mr and Mrs. Singh citizen Singh, finally scientist Singh. In the formula $H_2O$ is summarized the history of civilization. ●

# Environment Protection

*Vikash Kashyap*
T. D. C. Ist year *(Arts)*

The pollution of the environment has become one of the biggest problem of our time. Everyone today is talking about environment pollution. More then '90' percent of the population agree that protection of the environment is "highly important" the whole discussion stems from the realisation that the conditions of life and the quality of life now and in the future depend on the functioning of the natural economy, on the protection of the soil, the water, the air and the diminution of noise and other stress factors.

Endangering the environment is not a minor offence. The necessity of self guarding the natural basis of human life and preventing it from being destroyed has resulted in a series of legislative measures on the union as well as on the state level.

To tackle with such situations the government should plan an environmental policy. This policy should be based on three principles. The first one is the "precautionary principle" by the application of which harmful effects on the environment are prevented before hand. The second one is the "originator principle" which obliges the person causing the environmental damage to bear the costs of removing or ameliorating it. The third one is the "co-operation principle". This forsees that the various social groups will all be bought into the planning for environmental protection as early as possible. Offences against the guidelines of the environmental policy should be strictly panished.

In the opinion the most important means for carrying out the aim of environmental programme must be a body of environmental law based on clear ecological criteria and subject to constant revesion in accordance with the latest state of knowledge in science and technology.

Water economy and the maintenance of water purity are two of the focal points in environment programme. The solving of this problem is especially important as the swift expansion of industrialisation and the resultant technology has led to a constantly increasing demand on water systems. The purification of water is one of the most urgent tasks of environment protection.

Technology and urbanisation of towns have led to a sharp increase in the noise nuisance in recent years. Due to noise on street traffic, aircraft and construction work a variety of administrative and technical measures must be in force to combat noise. The use of silencers and sound damping methods are getting in force.

"Slow poisoning through chemicals" is presently one of the greatest problems we are facing. In the opinion of a council of experts for environmental questions the greatest danger to the conditions necessary to human life comes from chemicals. Numerous measures have been inaugurated in order to restrict contact with chemicals or make it impossible altogether.

Relations between environmental policy and economy are very close. After all the burdens imposed on nature are often the unavoidable consequences of economic activity; consequently environmental policy will have an influence in the very many ways on this activity. Therefore it is necessary to find a via-media between a progressive economic policy and realistic ecology awarness. Environmentalists and economists are both sitting in the same boat and should work together. ●

Without going to superfluity it will be good to say that Indian performances in the international sports meets is distreeful for we Indians. Why the performances of India in the international meets like Olympics, Asiads etc are such poor ? It cannot be explained in a sentence.

In any sports (except cricket, for indefinite period) India is not on a sound footing. It isn't unknown that there are so many young players of talent in the Indian rural areas. But they, for the lack of facilities and proper trainings cann't develop their aptitudes.

Topically speaking, the pathetic condition of Indian Soccer is shameful for every sports lover Indians. In a country of twenty five states consisting about seventy five crores of population. If players from each state are chosen impartically in the basis of their talent in various disciplines and trained properly, then India will be able to reverse the trend of decline in sports particularly in the football.

were out of Hockey medal race having been placed fifth in men's Hockey. In the Indira Gandhi International Hockey Tournament held at Lucknow this year India was knocked out in the semifinal. Pakistan won the trophy. So the sky of Indian Hockey is now cloudy.

Indian athletes and wrestlers was also below standard in performances than the other nations. Though they try to show good performances in their respective desciplines, the hunt for medals often elude India.

Cricket, though a contrary in the view of Indian economic condition is existing as the only lamp of Indian sports. This only lamp may also be put out at any time by the whimsical work of the Cricket Control Board.

Thus our performances in only descipline of sports in the international meets show sorry state. It is the duty of sports lovers to think over the problems of our such backwardness for our national prestige.

# international games and india

*Kanai Krishna Malakar*
T. D. C. Ist year *(Arts)*

In the "Jawaharlal Nehru International Gold Cup Football Tournament" held at Siliguri this year, the only goal scored by Indian team was against Poland. That very match ended in draw and India could secure the only one point in the tournament. Both the players and the controllers of Asia Cup qualification match, held at Abudhabi this year. India failed to score even one goal in any of the matches against China, North Yeman, The U. A E., and Bangladesh.

Commentating on the poor performances of Indian football players a writter cum organiser of Abudhabi M. A. Jameel said, "Is the game doomed in India ?" The last word about Indian Soccer is that, India must demolish its existing structure and start from the scratch to reverse the trend of its pathetic decline.

Once upon a time India showed good performances in Hockey and own gold medals. Gradually the standard of Indian Hockey is falling down. In the Olympic of 1984 the defending champions India

In identification of talents at a very young age, there should exist no partiality. Scientific trainings and facilities should be given impartially to develop talents from very young age. The sports authority of India must be reactivated. Adequate funds and network of sports will enable Indian sports to run smoothly. Facilities should be created in the country side for proper development of sports talents of these areas.

Young players may get experience about good playing from coaches. We find rareness of coaches and sports experts in our country. Sports experts and experienced coaches should be invited for proper trainings of young players to develop their talents. Government should be organised by India as often as possible.

Above all the politicians should leave the sports alone. They should not try to viviate the noble world of sports by their undue interference. Let me wait for that golden day in Indian sports. ●

# What Attracts Insects to LIGHT

*Anu Borgohain (Gogoi)*
Lect. Deptt. of Zoology

Many interesting phenomena take place in nature of which we seldom take any note. The attraction of insects towards a source of light in one such which we observe almost daily ; but rarely do we stop to think about its cause. Surprisingly, it is only the male insects which are lured to light, and often to their death. Obviously, there must be a strong force which lures the male insects to meet this fate. This force has been of much interest to researchers since the days of Aristotle, is no longer a secret. Now it can be explained in terms of the laws of Physics.


The study on this subject is not a new one. Attention was made around the late nineteenth century. S. W. Frost of Pennsylvania was, perhaps the first person who made study on this subject on that period and found that cotton moths were not equally attracted towards candles and kerosene lanterns. Later, an extensive study of this subject was made by J. H. Fabre, a French entomologist, known him as 'Homer of the insect world.' He accidently made his attention on this subject and mention must be made of his sequence of events may not be out of context here.

One morning, at his cottage in the forest Fabre had captured a big female moth (14 cm wing span) and had kept in a belljar in his study room. Around 9 O'clock at night, when he was in his bad room, he was surprised to find that the whole house was invaded by a large number of moths, all male. On seeing them he was reminded of the female moth which he had imprisoned in the morning. He rushed to his study room with a candle in his hand. He found that these moths flew around the belljar, alighted, set off again, came back, flew up to the ceiling and down again. They also rushed at the candle and tried to put it out with the strokes of thier wings. It was natural for Fabre to think that the males would be attracted towards the female. But what puzzled him was the unusual behaviour of the male moths ; they vacillated between the female and the flame seemed to prefer the flame. Fabre wondered how the male moths could actually the sense of location of the female moth. His cottage was surrounded by big trees and bushes and the right was pitch dark. Fabre repeated his experiment several times and each time he got the same result. He was unwilling to attribute the attractive power of the female to its scent (pheromones, though on that time he could detect 'something' but had not clear idea on these) alone. In one experiment, Fabre placed his female moth in a Faraday cage to test if it gave off radio waves. The males were still attracted to the caged female. This ruled out the emission of radio waves from the female which would be absorbed by the Faraday cage.


Fabre died in late 19th century, but it was still wondering whether the source of attraction was scent or some invisible radiation. Several investigations have subsequently been carried out. But it is only recently that the real cause has been come to light. It has now been established that Fabre's original

conjecture of some unknown radiation's involvement in the phenomenon was the real answer. The real attractive force is as is now known, a series of narrow land far infrared radiations emitted from heated hydrocarbon of the candle flame. Exactly, the same radiations are emitted by the female moths.


It has been morphologically demonstrated that the female moth releases from a gland at the tip of its abdomen acetate molecules called pheromone or sex scent chemical analysis also shows that the compositions of the pheromones of different insects are not alike. As a result, the frequency of communication of one species is different from that of others. Name of some pheromones are given below and within brackets name of the insects.




4-methyl-3 heptanon




2,6 Dichloro phenol (Amblyoma americanum)



Eldanolide (Eldana saccharina)



Derbinon (Dendroctonus micans)

The pheromone, the biologically produce chemical unit infrared radiations (similar to carrier wave in radio communication). These radiations are modulated i.e. cooled by message. They propagate through space like a laser beam and are caught by the male moths and the message in them decoded. The process of insect communication is a complicated one and to understand it properly one has look into the fundamental of laser physics. But here it is necessary to mention that this article touches very superficially about the laser physics.

The pheromone molecules, after they are released by the female moth, are driven to excited state. The external energy for this comes from the blue and ultraviolet (0.45 um—0.3um) portion of the night sky radiations. Subsequently population inversion takes place. (The situation, in which the number of molecules in a higher energy level is greater than the number in a lower energy level is called, 'population inversion.' The population inversion is the essence of laser action). The principle is the same as that used in the present day gas dynamic laser. After release from the tip of gland, the pheromone molecules undergo expansion while moving through





*Fig I :- Spectra of' pheromone molecules taken by a Fourier Transform Spectrometer in 16.67m(600cm$^{-1}$) to 20.00m (500 cm$^{-1}$) Top : A composite of spectra taken at 5 minutes over a period of about an hour ; (A) spectra without modulation (B) spectra with modulation by a frequency of 50-55 HZ.*

the air in presence of water vapour. Once the population inversion is obtained, the pheromone molecules start emitting radiation at 16 um wavelength which increases upto 18 um in about 35 minutes of time. This change of wave length takes place due to the change in the concentration of pheromone molecules near the tip of the gland. The emitted 16 um—18 um infrared radiations are modulated by the moth either by vibration of its wing or spine. As a result, the intensity of emissions increases.

The spectrum of pheromone molecules obtained by a Fourier Transform Spectrometer is shown in Fig :- I. Here one can see the presence of several narrow band peaks in the 16 um--18 um wavelength (Top). In the same Figure (A), shows the spectra when modulation is absent and (B) shows the same spectra after 54 minutes when the pheromone molecules are modulated by a frequency of 50-55 Hz. The intensity of 17·87 um line in (B) is seen to be larger by a factor of about 10 than that in (A).

It has been demonstrated in laboratory experiments that a narrow band emission shifts to shorter and shorter wavelengths with decreasing concentration and temperature of the pheromone molecules in air. The pheromone drifts through the air as a gaseous invisible plume, decreasing in concentration and in temperature, with increasing distance from the female moth. Consequently, the wavelength of emitted radiation decreases as the distance from the female moth increases. The wavelength of the emitted radiation is largest close to the female moth where the concentration is the largest and the pheromone on release from warm bodied moth is the warmest. The male moth flying at some distance away from the female moth would pick up the short wave length first and then would move towards the location of largest wovelength.

The male moth pick up the infrared radiations by their antennae. The spines of these insects are composed of insect cuticular material and wax which are ideal dielectric materials for the far infrared region. The spine of the male moth acts as an open dielectric resonator to narrow band frequencies, and actually it depends upon the concentration of temperature of pheromone molecules that flow across the spine.

It is matter of common observation that insects are not attracted equally to all sources of light. Different sources of light may emit radiations in the same wavelength band, but their depth of modulation is extent of coding can be different. The spectrum of coleman lantern, bunsen burner and candle as obtained by Fourier Transform Spectrometer in the Fig-2, it is seen from the





*Fig 2 :- Fourier Transform Spectra of a coleman lantern, bunsen burner and candle. Arrows of the bottom between 16.67um (600 $cm^{-1}$) and 20.00 um (500 $cm^{-1}$) are positioned where cabbage 100 per moth pheromone emits.*

figure that the coleman lantern emits considerable amount of visible and ultraviolet radiations, but its emission in the infrared region is comparatively less, (infrared radiations are produced hereby interaction of heated hydrocarbon with the atmospheric water vapour which has several absorption and emission lines in the infrared region). Since coleman lantern hydrocarbons vapourise on a mantel, there is no flicker i. e. no modulation and hence there are no emission lines. On this contray, both bunsen burner and candle emit considerable amount of infrared radiation along with visible light and since both of them flicker i.e. modulation is there, a large number of narrow band lines are generated. Similarly coded far infrared radiations are also emitted by the female moth.

The insects are also attracted towards the street lamps, both filament as well as fluroscent types. But their behaviour here is different compared to that towards the candle flame. In case of candle described in detail earlier, they jump towards the flame and try to put it out. Whereas, in case of street lamp, very few of attracted species are found at the globe. Instead, majority of them swam around in capricious circles under the lamp. This happens because (1) any scent molecule released from female insect while floating under the street lamps is pumped by the emission of the lamp, and (2) the 60 Hz a.c of the lamp also modulates the irradiated scent. This irradiated scent under the lamp emits at an energy level much higher than the scent 'pumped' by the night sky-light. As a result, the attraction towards the street lamp is stronger than that towards the real source of scent. In short, the fundamental difference between the street lamp and the candle is that the candle is a self-emitting hydrocarbon mimic of the sex scent and the street lamp is a mimic of the free floating natural sex scent in the environment that happens to float under the pumping and modulating light source.

In recent investigations, a large number of data exists on the morphology and behaviour of various insects. The discussion made here is a subject where entomology interacts with physics. Its study may reveal many interesting results specially on the existence of numerous and complex types of molecular radiations that convey informations between millions of insect species. ●

---

## Gems & Jewels

Collected by
*Pabitra Kr. Gogoi*

- A human soul without education is like a marble in the quarry which shows none of its inherent beauties till the skill of the polisher fetches out the colours, makes the surface shine, discovers every ornamental cloud, spot and vain that runs through the body of it.

Joshep Addison

- Books are not dead things, they contain a potency of life in them to be as active as the soul was whose progeny they are.

Milton

- Money is the most important thing in the world. It represents health, strength, honour, generosity and beauty as the want of represents illness, weakness, disgrace meanness and uglyness.

G. B. Shaw

- Economy requires neither superior courage not eminent virtue ; it is satisfied with ordinary emerge and the capacity of average minds.

Smiles

- History makes man Wise ; Poetry — Witty ; Mathematics — Subtle ; Natural Philosophy — deep ; Moral — Garve ; Logic and Rhetoric — Able and Content.

Bacon

# ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ
# উপসভাপতিৰ একাষাৰ
# লগতে
# সাধাৰণ সম্পাদক আৰু বিভাগীয়
# সম্পাদকসকলৰ প্ৰতিবেদন

# ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপসভাপতিৰ একাষাৰ

## বৰ্তমান ঃ আমি ঃ বিপন্ন ভৱিষ্যত

চলিত দশকত বিদ্যাৰ্থীসকলৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ সমস্যা হ'ল শিক্ষাৰ সমস্যা আৰু বৰ্তমানৰ সামাজিক, সাংস্কৃতিক পৰিক্ষেত্ৰত মানসিক অস্থিৰতা।

আমি সকলোৱে উদ্বিগ্ন যে শিক্ষাৰ মানদণ্ড ক্ৰমান্বয়ে অধোগামী হৈ আহিছে। শিক্ষাৰ মানদণ্ড কিয় কমিছে? এই কথাষাৰ যদি শিক্ষক আৰু ছাত্ৰক সোধা হয় তেনেহ'লে "শ্ৰেণীত উপস্থিত নেথাকে" বুলি পৰস্পৰ-বিৰোধী কথা এষাৰ শুনিবলৈ পোৱা যায়। অৱস্থাৰ গুৰুত্বলৈ চাই ইয়াক একাষৰীয়াকৈ ৰখা বস্তু নহয় যেন লাগে। শ্ৰেণীত উপস্থিত নেথাকি আৰু নিয়মীয়াকৈ পাঠ গ্ৰহণ নকৰাটো একমাত্ৰ কাৰণ নহ'লেও ইয়াৰ কাৰণ সম্পৰ্কে অশুভ আনুষঙ্গিক কাৰক কিছুমানৰ ক্ৰিয়া পৰিলক্ষিত হয়। নকল কৰাটো যিহেতু নৈতিক স্খলনৰ ভিতৰতে পৰে। এই নকল কিয় কৰিব লগা হৈছে যাৰ-ফলত শিক্ষকসকলৰ বাবে পৰীক্ষাত নিৰীক্ষণ কৰাটো অসম্ভৱ হৈ পৰিছে। 'অনুশাসন' বোলা বস্তুটোকেই বা কিয় ইমান ঢিলাই দিয়া হৈছে?

প্ৰাক্তন শিক্ষক, শিক্ষাৰ লগত জড়িত থকা ব্যক্তি বা যিসকলে ইতিমধ্যে কৰ্মজীৱনৰ পৰা অৱসৰ লবৰ হৈছে তেখেতসকলে বৰ্তমানৰ শৈক্ষিক অৱস্থাটোৰ বাবে হুমুনিয়াহ কাঢ়ে। তেখেতসকলে ছাত্ৰ অৱস্থাত থকা সময়ত শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক, শিক্ষকসকলৰ শিক্ষা-দানৰ প্ৰতি দায়িত্ববোধ, ছাত্ৰৰ শিক্ষা গ্ৰহণৰ প্ৰতি থকা আগ্ৰহৰ বিষয়ে যিবিলাক কয় আমি (যিহেতু তেনে পৰিবেশ পোৱা নাই) শুনি আচৰিত হওঁ। বৰ্তমান শিক্ষা ব্যৱস্থাত আচৰিত হ'বলগা এয়ে যে— বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা পৰীক্ষাসমূহতো প্ৰথমটো ঘণ্টা পাৰ নৌহওঁতেই নিৰীক্ষকৰ পৰা অতিৰিক্ত কাগজ খুজি বাহিৰলৈ পঠিয়াই দিয়ে। ই কেনেকৈ সম্ভৱ হয়; চিন্তাৰ অৱকাশ আছে। পৰীক্ষাৰ গোটেই প্ৰক্ৰিয়াটোৱেই তেন্তে প্ৰদূষণযুক্ত নেকি?

শ্ৰেণীত উপস্থিত নেথাকি পাঠ গ্ৰহণ নকৰাৰ কাৰণ আমি এইদৰে ভাবিব পাৰো নেকি? — আমাৰ শিক্ষা ব্যৱস্থাই প্ৰত্যেকটি বিভাগৰ বাবে নিৰ্দ্ধাৰিত কৰা পাঠ্যক্ৰম ব্যৱহাৰিক হোৱা নাই। যাৰফলত পাঠ্যক্ৰম গ্ৰহণত মনোযোগ দিয়াতকৈ সময়ান্তৰত সমাজে গ্ৰহণ কৰিবলগীয়া ৰুচিবোধ, বাৰেবাংকৰা কথাকে মুখ্য বুলি শ্ৰেণীৰ পৰা বিৰত থাকি সময়কণ এইদৰে (যাক আলোচনা বুলি কৈছো) অতিবাহিত কৰে।

এই আলোচনাবিলাকত সাহিত্যয়ো বিষয় হিচাপে স্থান পায়। কিন্তু দীঘলীয়া আলোচনাৰ অন্তত ড্ৰাগচ্‌ৰ প্ৰকাৰ, সোৱাদ ইত্যাদিৰ কথা পাতি ঘৰাঘৰি গ'লে আগত হৈ যোৱা আলোচনাসমূহৰ যুক্তিগত কোনো মূল্য নেথাকে। ড্ৰাগচ্‌ সম্পৰ্কে অৱশ্যে আমি সন্ত্ৰস্ত হ'বৰ সময়ো সমাগত; তাৰ আলোচনা অপ্ৰয়োজনীয় বুলি মই নকওঁ।

সমাজত সংঘটিত বৰ্তমানৰ কিছুমান ঘটনা, ডিটেকটিভ উপন্যাস; ৰোমাঞ্চ, ভায়োলেন্স থকা কিতাপ আদি পঢ়ি আৰু চলচ্চিত্ৰত এইবোৰৰ উপস্থাপন দেখি অজ্ঞানিতে কোনো কোনোৱে অমানবীয় কামবিলাক কৰি পেলায়

বুলি অপৰাধীসকলে কয়। এইক্ষেত্ৰত ডিটেকটিভ উপন্যাস, ৰোমাঞ্চ ভায়োলেন্স, থ্ৰিলাৰৰ কাহিনী আদিত সাহিত্যিক মূল্য কিমান বিচাৰ নকৰিলেও বৰ্তমান সময়ত কিছুমান ৰচনাই সমাজৰ একাংশক ক্ষন্তেকীয়া আমোদ দিছে আৰু বিভৎস কামত প্ৰেৰণা যোগাইছে ই ধ্ৰুপ। কিছুদিনৰ আগতে কলিকতাৰ এখন জনপ্ৰিয় বহুল প্ৰচাৰিত বাতৰি কাকতত প্ৰকাশ পোৱা মতে কেইজনমান ছাত্ৰই হঠাৎ এঘৰত প্ৰবেশ কৰি পৰিয়ালৰ আটাইকেইজনকে বিশেষ কায়দাত হত্যা কৰে।

ধৃত এই অপৰাধী কেইজনে স্বীকাৰোক্তিত পুলিচৰ আগত ব্যক্ত কৰে যে পৰিয়ালটিৰ লগত বিশেষ শত্ৰুতা নাছিল। কিন্তু এই অপৰাধৰ মানসিকতা জাগি উঠাৰ একমাত্ৰ কাৰণ হ'ল কালি চোৱা সদ্য মুক্তিপ্ৰাপ্ত হিন্দী চিনেমাখন। ইয়াৰ অনুৰূপ উদাহৰণ বহুতো আছে।

গতিকে প্ৰশ্ন হয়, এনে সাহিত্যৰ সময়সাপেক্ষ প্ৰয়োজন কিমান? ই কালজয়ী হ'বনে?

সৃষ্টিমূলক দুই এটা কথা আলোচনা কৰা বন্ধুমহলৰ দুই এজনৰ বাহিৰে সৰহ সংখ্যকৰে বৰ্তমান সমাজ পৰিৱৰ্তনৰ এই ক্ষণত যুৱক চামৰ মানসিক অৱস্থা যে ভয়াবহ হৈছে সেই বিষয়ে তেওঁলোক সচেতন নহয় যেন লাগে। কোনো যেন পৰিৱৰ্তন প্ৰতিভাত হোৱা নাই। তেওঁলোকৰ দৃশ্যপটত এনেদৰে পৰিস্থিতিটোৱে ধৰা দিয়ে। একশ্ৰেণীৰ বাবে এইবিলাক অমূলক চিন্তা। ড্ৰাগচ সেৱন কৰাসকলেহে বুজিব ড্ৰাগচৰ ক্ৰিয়া কি? আমি ড্ৰাগচ সেৱন নকৰাকৈ কেনেকৈ কম, এইদৰে ভবা লোকো আছে।

এই সকলোবিলাক কথা আলোচনা কৰিবলৈ শিক্ষক, অভিভাৱক আৰু ছাত্ৰসকলকে ধৰি শিক্ষাৰ লগত জড়িত ব্যক্তিসকলৰ সভা ঠায়ে ঠায়ে বিশেষকৈ প্ৰতিখন শিক্ষানুষ্ঠানত অনুষ্ঠিত হ'ব লাগে। সভাখন শিক্ষানুষ্ঠানখনৰ মুৰব্বীৰ দ্বাৰা আয়োজিত হ'ব লাগে।

যিহেতু ব্যক্তিৰ সমষ্টিয়েই সমাজ। গতিকে এই প্ৰতিক্ৰিয়াশীল অপশক্তিবোৰৰ কু-প্ৰভাৱ আমি স্বেচ্ছাই উপলব্ধি কৰি প্ৰতিহত কৰিবলৈ সংঘবদ্ধ প্ৰচেষ্টা চলাব লাগিব। ইয়াৰ অৰ্থ এইটো নহ'ব যে ইয়াৰ দায়িত্ব শিক্ষাৰ লগত জড়িতসকলৰ বাহিৰে আন কাৰোবাৰ নাথাকিব।

বিশ্বৰ প্ৰতিটো অঞ্চলতে সময়ান্তৰত সমাজৰ বিভিন্ন দিশত পৰিৱৰ্তনৰ দাবী উঠে। বাৰেমিহলি ভাৰতবৰ্ষত তুলনামূলকভাৱে অসমৰ যুৱক-যুৱতীসকল সুৰুচিসম্পন্ন। আমাৰ গৌৰৱপূৰ্ণ ঐতিহ্যই যুৱক-যুৱতীসকলৰ ৰুচিবোধ গঢ়ি উঠাত সহায় কৰিছে। সৌন্দৰ্যৰ ক্ষেত্ৰত মানৱ মনে যিহেতু ব্যতিক্ৰম বিচাৰে। সেয়েহে আমাৰ ঐতিহ্যৰ বাহকবিলাক যিবিলাক ক্ষেত্ৰত আনৰ ঐতিহ্যবিলাকতকৈ ব্যতিক্ৰমৰ ব্যৱধান যিমান বৃদ্ধি পাইছে সুন্দৰতা সিমানেই প্ৰকট হৈছে। আমাৰ ঐতিহ্যৰ এই ব্যতিক্ৰমবিলাকেই হৈছে আমাৰ গৌৰৱৰ স্থল। তাকে লৈ আমি গৌৰৱান্বিত হৈছোহঁক। গতিকে আমাৰ গৌৰৱৰ স্থল এই ঐতিহ্য বিলাক কোনো কাৰণত যাতে বিপন্ন হ'ব নোৱাৰে তাৰ বাবে সচেষ্ট আৰু যত্নবান হোৱাৰ দায়িত্বও আমাৰেই। সংগ্ৰামতে বিদ্যাৰ্থীৰ নিৰ্দিষ্ট চৰিত্ৰ আৰু আদৰ্শক গঠনমূলকভাৱে আগবঢ়াই নিবলৈ আমি যত্নবান হ'ব লাগিব। মনৰ মাজত প্ৰোথিত মোৰ বক্তব্য চমুকৈ আপোনালোকৰ আগত ব্যক্ত কৰিলোঁ।

হে ছাত্ৰ-ছাত্ৰী বন্ধুসকল, আপোনাসবে আমাক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দৰে পবিত্ৰ অনুষ্ঠানটিৰ উপ-সভাপতি পদলৈ নিৰ্বাচিত কৰাৰ বাবে আমাৰ ধন্যবাদ নিবেদিছোঁ।

মহাবিদ্যালয়খনৰ কাৰণে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে কৰিবলগীয়া বহুতো কাম আছিল। কিন্তু অসুবিধাজনিত কাৰণত আমি আশানুৰূপভাৱে আগবাঢ়িব নোৱাৰিলোঁ। এই সুযোগতে আমি আমাৰ অক্ষমতাৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।

বিনীত,
ৰঞ্জিত ফুকন
উপ-সভাপতি

জয় আই অসম

# ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থা
# Digboi College Students' Union

**Digboi College • 1987-88**

## সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন —

● সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



### প্ৰতিবেদনৰ

পাতনিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু-সকললৈ আন্তৰিক শুভেচ্ছা ও সশ্ৰদ্ধ প্ৰণাম জনাইছো। ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ এটা বছৰ সাধাৰণ সম্পাদকৰ কাৰ্যকাল সমাপ্তিৰ পাছতো যিসকল ছাত্ৰ-ছাত্ৰীয়ে নতুনকৈ পৰৱৰ্তী বছৰৰ কাৰ্যভাৰ গ্ৰহণৰ বাবে প্ৰেৰণা আৰু সুযোগ আগবঢ়ালে সেই সকলোটি শুভাকাংক্ষী বন্ধু বান্ধৱীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শ্ৰদ্ধাৰে সুঁৱৰিছো ঃ

আমাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক বাণিজ্য শাখাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ ৺মাধৱপ্ৰসাদ জয়শ্ৰীৰ ২৫-২-৮৮ তাৰিখে হৃদ ৰোগত অকাল মৃত্যু ঘটে। তেওঁক অকালতে হেৰুৱাই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু মৰ্মাহত।

আমাৰ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী তথা মোৰ সহ-পাঠী ৰঞ্জুমণি দাস যোৱা ৩১-৮-৮৮ তাৰিখে মহাপুৰুষ মাধৱদেৱৰ পবিত্ৰ তিথিৰ দিনা আত্মহত্যা কৰি আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গল। আত্মহত্যা আইনমতে সামাজিক অপৰাধ (Crime)। কিন্তু বাস্তৱতে তেওঁৰ সৰল আৰু অমায়িক ব্যৱহাৰৰ স্মৃতিত আমি তেওঁক সুঁৱৰিছো।

আমাৰ মহাবিদ্যালয়ৰে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ নৱাগত ছাত্ৰ তুলেন শইকীয়াই যোৱা ১৩-৯-৮৮ তাৰিখে মহাপুৰুষ শঙ্কৰদেৱৰ তিথিৰ দিনা পুখুৰীত স্নান কৰা অৱস্থাত আকস্মিকতে পানীত ডুবি প্ৰাণ হেৰুৱায়। ফেল'বাৰী অঞ্চলৰ পৰা শিক্ষা আহৰণৰ আশা বুকুত বান্ধি আহি মহাবিদ্যালয়ত এটা দিন শ্ৰেণীত উপস্থিত থকাৰ পাছতে মৃত্যুৱে অকালতে তেওঁক আমাৰ মাজৰ পৰা চিৰ দিনৰ বাবে আঁতৰাই নিলে। তেওঁৰ শোকাবহ অকাল মৃত্যুত আমি মৰ্মাহত। তেওঁক আমি শ্ৰদ্ধাৰে সুঁৱৰিছো।

আমাৰ কাৰ্যকাল ঃ

যোৱা ২৯-১২-৮৭ তাৰিখে মহাবিদ্যালয়ৰ কাৰ্যনিৰ্বাহকে ৩-১-৮৮ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নতিকল্পে বিভিন্ন দিশত প্ৰচেষ্টা চলাব-লগীয়া হয়। বিশেষকৈ মহাবিদ্যালয়ৰ আলিবাট আৰু খেলপথাৰখনৰ উন্নতিৰ কাৰণে চেষ্টা চলোৱা হয়। মহাবিদ্যালয় সপ্তাহ যোৱা ৫ ফেব্ৰুৱাৰী ৮৮ তাৰিখৰ পৰা ১১ ফেব্ৰুৱাৰী তাৰিখলৈ অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয়ৰ সপ্তাহ উদ্বোধনী অনুষ্ঠানত উত্তৰ-পূব কয়লা ক্ষেত্ৰৰ (North Eastern Coal Field) জেনেৰেল মেনেজাৰ শ্ৰীযুত এ, কে, গুলাটীয়ে মুখ্য অতিথি হিচাপে যোগদান কৰি পতাকা উত্তোলন আৰু (March Past) কুচ কাৱাজ পৰিদৰ্শন কৰি মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰে।

মুখ্য অতিথিৰ ভাষণত ক্ৰীড়াৰ বাস্তৱ প্ৰয়োজনীয়তা আৰু ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনাৰ মাজেৰে ইয়াৰ উন্নতি সাধন কৰা সম্পৰ্কে বহুমূলীয়া বক্তব্য দাঙি ধৰে। লগতে শ্ৰীযুত গুলাটীয়ে North Eastern Coal Field ৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ খেল বিভাগত আচবাব ক্ৰয় কৰিবৰ বাবে পাঁচ হেজাৰ টকাৰ এখন চেক অধ্যক্ষ মহোদয়ক প্ৰদান কৰে। ইয়াত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আলোচনা চক্ৰ আৰু সভাপতি একাদশ বনাম মাধাৰণ সম্পাদক একাদশ ক্ৰিকেট খেলখন অনুষ্ঠিত কৰিব পৰা নগ'ল। আন আন প্ৰতিযোগিতাসমূহৰ মানদণ্ড উচ্চ খাপৰ আছিল। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত ডিব্ৰুগড়ৰ বিশিষ্ট শিল্পী শ্ৰীমতী জেবিন চুলতানাই গীত পৰিবেশন কৰি সাংস্কৃতিক সন্ধিয়া আড়ম্বৰপূৰ্ণ কৰি তুলিছিল। সমূহ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাৰ সহযোগত মহাবিদ্যালয়ৰ সপ্তাহ আনন্দ আৰু ব্যস্ততাৰ মাজেৰে সমাপ্তি ঘটে।

**শ্বহীদবেদী উন্মোচনী অনুষ্ঠান ঃ**

বিগত বছৰত নিৰ্মাণ কৰি উলিওৱা জাতীয় আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিৰ শ্বহীদ বেদীটো মহাবিদ্যালয় সপ্তাহৰ ব্যস্ততাৰ মাজতে ৯-২-৮৮ তাৰিখে উন্মোচন কৰা হয়। শ্বহীদ বেদীটো উন্মোচনৰ বাবে অসমৰ পৰিবহন আৰু শক্তি দপ্তৰৰ মন্ত্ৰী শ্ৰীযুত ললিত চন্দ্ৰ ৰাজখোৱাদেৱক আমন্ত্ৰণ কৰা হৈছিল। কিন্তু উক্ত দিনা বিমান চলাচল ব্যাহত হোৱাত সময়মতে তেখেত আহিব নোৱাৰিলে।

মন্ত্ৰী ৰাজখোৱাদেৱৰ অনুপস্থিতিত ডিগবৈৰ জাতীয় আন্দোলনৰ শ্বহীদ অঞ্জন বৰঠাকুৰৰ পিতৃ শ্ৰীযুত শশীধৰ বৰঠাকুৰৰ দ্বাৰা শ্বহীদ বেদীৰ শুভ উন্মোচন কৰা হয়।

তিনিচুকীয়া মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত চি,আৰ, কলিতাদেৱে অনুষ্ঠানত মুখ্য অতিথি হিচাপে যোগদান কৰি পতাকা উত্তোলন কৰে আৰু মুকলি সভাত যোগদান কৰে। অধ্যক্ষ ড০ পি,কে, ভূঞাদেৱে মুকলি সভাত সভাপতিত্ব কৰে আৰু উক্ত সভাতেই ডিগবৈৰ স্থানীয় শ্বহীদ অঞ্জন বৰঠাকুৰ, শ্বহীদ প্ৰকাশ বড়া আৰু শ্বহীদ হেমচন্দ্ৰ বৰপাত্ৰৰ পৰিয়ালবৰ্গক আনুষ্ঠানিকভাৱে মঃ বিঃ ছাঃ সন্থাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসুচীৰে শ্বহীদ বেদী উন্মোচনী অনুষ্ঠানৰ সামৰণি মৰা হয়।

শ্বহীদ বেদী উন্মোচনী অনুষ্ঠানত ডিগবৈ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষয়িত্ৰী আৰু সামাজিক সংগঠন আৰু যিসকল ৰাইজে শ্বহীদৰ প্ৰতি সন্মান জনাই শ্বহীদবেদীৰ উন্মোচনী অনুষ্ঠান সফল কৰি তুলিলে সেই সকলোটি ৰাইজলৈ মঃ বিঃ ছাঃ সন্থাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালো।

**গৌৰৱ কৰিবলগীয়া ঃ**–এইবাৰ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী শ্ৰীমতী অৰ্চনা উপাধ্যায়ে স্নাতক পৰীক্ষাত ৰাজনীতি বিজ্ঞানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান আৰু ছাত্ৰ শ্ৰীঅভিজিৎ মুখাৰ্জীয়ে গণিতত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছে।

**আমাৰ পদক্ষেপসমুহ ঃ**

আমাৰ মহাবিদ্যালয়ৰ পথটো নিৰ্মাণৰ বাবে Digboi College Aid club ৰ সহযোগত Indian Oil Corporation কৰ্তৃপক্ষ আৰু খেল পথাৰখন নিৰ্মাণৰ বাবে North Eastern Coal Field ৰ সৈতে আলোচনা চলি আছে। এই বছৰৰ ভিতৰত ফলৱতী হোৱাৰ আশা আছে।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসটো ব্যৱহাৰৰ উপযোগীকৈ নিৰ্মাণ কৰাৰ চেষ্টা চলাই থকা হৈছে।

আমাৰ মহাবিদ্যালয়ৰ চাৰি সীমাত সামাজিক বনানিকৰণ কৰি বেৰ দিয়াৰ ব্যৱস্থা কৰিবৰ বাবে বন বিভাগৰ সৈতে আলোচনা কৰা হৈছে। আমাৰ মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাৰ অভাৱটো নিৰ্মাণ কাৰ্য চলি থকা গৃহৰ কাম শেষ হলে দূৰ হব বুলি আশা কৰা হৈছে।

**আমাৰ কৰবলগীয়া ঃ**

আমাৰ মহাবিদ্যালয়ৰ অভাৱ দূৰীকৰণ আৰু উৎসাহিক বাতাবৰণ সৃষ্টিৰ ক্ষেত্ৰত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ সহযোগ আৰু দিহা পৰামৰ্শ আমাৰ প্ৰয়োজন। শ্ৰেণীসমূহ অনিয়ম হোৱাৰ ক্ষেত্ৰত পাছত বা পলমকৈ অভিযোগ তোলাতকৈ তৎকালীনভাৱে অধ্যক্ষ বা সন্থাক জনালে শ্ৰেণীসমূহ নিয়মিত হোৱাৰ ক্ষেত্ৰত ব্যৱস্থা কৰা হব। শ্ৰেণী অনিয়মৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকক আৰু শিক্ষকে ছাত্ৰ-ছাত্ৰীক দোষাৰোপ কৰিলেও আমাৰ মহাবিদ্যালয়ৰ দুপৰীয়া ১২ বজাৰ পাছত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা হয়। মহাবিদ্যালয়ৰ পূৰ্ণ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰিবলৈ হলে পৰস্পৰে পৰস্পৰৰ লগত সদ্ভাৱ স্থাপন কৰি পৰস্পৰৰ কামত সহযোগ কৰি উৎসাহ যোগাব লাগিব। খেলা-ধূলাৰ ক্ষেত্ৰত বা আলোচনা বিলোচনাৰ ক্ষেত্ৰত যি সকলে পোনপতীয়া সহযোগ নকৰে তেওঁলোকে দৰ্শক হিচাপে হলেও উপস্থিত থকা বাঞ্চনীয়। পাৰস্পৰিক সহযোগ থাকিলে মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ উন্নত হব।

শলাগৰ শৰাই ঃ

শলাগৰ শৰাই প্ৰথমে, সন্মানীয় অধ্যক্ষ ড° প্ৰফুল্ল কুমাৰ ভূঞা, উপাধ্যক্ষা শ্ৰীযুক্তা স্বৰ্ণলতা গগৈ আৰু সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰফিক হুছেইন প্ৰমুখ্যে সমূহ শিক্ষক উপদেষ্টা আৰু সন্থাৰ ছাত্ৰ উপ সভাপতি শ্ৰীযুত বঞ্জিত ফুকন প্ৰমুখ্যে সহকৰ্মী বিভাগীয় সম্পাদকসকললৈ। প্ৰয়োজনীয় সময়ত এই সকলোৰে দিহা-পৰামৰ্শ আৰু সহযোগে মোক কৰ্তব্য পালন কৰাত প্ৰেৰণা যোগাইছিল। এই সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলো।

মহাবিদ্যালয়ৰ সাহয্যাৰ্থে Digboi College Aid Club এ কহিনুৰ থিয়েটাৰ প্ৰদৰ্শন কৰোঁতে যিসকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী ৰাইজে অশেষ কষ্ট স্বীকাৰ কৰি মহাবিদ্যালয়ৰ উন্নতিকল্পে বহুমূলীয়া সময় খৰচ কৰিলে সেইসকললৈ আৰু Aid Club ৰ কৰ্মকৰ্তাসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত পৰৱৰ্তী বাকী থকা কাৰ্যকালত সকলোৰে সহযোগ কামনা কৰা হল। কাৰ্যকালৰ অতীত সকলোৰে বিচাৰ্য বিষয় হৈ থাকিল।

আমাৰ কাৰ্যকালত অবাঞ্ছিত বাধা-বিঘিনি অতিক্ৰম কৰিবলগীয়া হোৱাত যিসকলৰ ওচৰত অনিচ্ছাকৃত দোষত্ৰুটি হৈ গ'ল সেইসকলৰ ওচৰত ক্ষমা বিচাৰিলো।

শেষত সকলো শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ মঙ্গল কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ৰঞ্জন বড়ো
সাধাৰণ সম্পাদক

● তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক ঃ

ডিগবৈ মহাবিদ্যালয়খনিৰ উন্নতিৰ হকে বিশেষ কিবা এটা কৰাৰ মানসেৰে সন্মানীয় আৰু গুৰু দায়িত্বৰে ভৰা ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ তৰ্ক আৰু আলোচনা সম্পাদক পদত যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক উৎসাহিত কৰি সেৱা আগবঢ়াবলৈ সুযোগ দিলে তেখেত-সকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

গতানুগতিকতা ঃ

ডিগবৈ মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা সম্পাদকৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই আৰম্ভ হৈছিল ডিগবৈ মহাবিদ্যালয়ৰ তেইছ শতিতম বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহ। তৰ্ক বিভাগৰ দ্বাৰা কুইজ, দলগত আলোচনা চক্ৰ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। আলোচনা চক্ৰৰ বিষয় আছিল ঃ "আঞ্চলিক দলসমূহ ৰাষ্ট্ৰৰ বিৰোধী।"

ওপৰোক্ত প্ৰতিযোগিতাবোৰৰ প্ৰথম তিনিটাত যথেষ্টসংখ্যক প্ৰতিযোগীৰ যোগদানে সদনক যথেষ্ট উৎসাহিত কৰিছিল আৰু প্ৰায়বোৰেই উচ্চখাপৰ আছিল। সেয়েহে প্ৰতিযোগিতাত যোগদান কৰা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। কিন্তু দুৰ্ভাগ্যজনক কথা, আকস্মিক বক্তৃতা প্ৰতিযোগিতাত অতি কম সংখ্যক প্ৰতিযোগীৰহে সহাঁৰি পাইছিলো আৰু মানদণ্ডৰ ফালৰপৰাও নিৰাশজনক। মই আশা ৰাখিছো ভৱিষ্যতলৈ উক্ত প্ৰতিযোগিতাসমূহত আশানুৰূপভাৱে প্ৰতিযোগীসকলে যোগদান কৰিব।

আমাৰ ক'বলগীয়া ঃ

ঐতিহ্যপূৰ্ণ ডিগবৈ মহাবিদ্যালয়ে আজি চৌবিছ বছৰত ভৰি দিছেহি। "ৰূপালী জয়ন্তী"লৈ মাত্ৰ এটা বছৰ বাকী। তথাপি মহাবিদ্যালয়ত বহু কেইটা সমস্যা এতিয়াও বিৰাজমান। মহাবিদ্যালয় কৰ্তৃপক্ষ, আমাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰাও অভাৱসমূহ দূৰ কৰাৰ চেষ্টা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ লগতে সমাজৰ প্ৰতি থকা দায়িত্ববোধ শিক্ষানুষ্ঠানৰ যোগেদি কৰি যোৱা প্ৰয়োজন। কিন্তু এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ এচাম ছাত্ৰ-ছাত্ৰীয়ে এই ক্ষেত্ৰত উদাসীন মনোভাব পোষণ কৰা পৰিলক্ষিত হৈছে। যিহেতু এইচাম ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন সভা-সমিতি, বিভিন্ন প্ৰতিযোগিতাসমূহত, মহাবিদ্যালয় সপ্তাহত সহযোগৰ পৰা বিৰত থাকে। ইয়াৰ প্ৰভাৱ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিত বাধা হৈ পৰিছে। সদৌ অসম ছাত্ৰ সন্থাই বিশ্ব-দৰবাৰত নিজৰ চিনাকি দিয়া সময়ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নিজৰ মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কৰিবলগীয়া বহুখিনি কাম আছে। এইক্ষেত্ৰত সমূহ ছাত্ৰ-ছাত্ৰী সদাসতৰ্ক হৈ জ্ঞান-পিপাসু গঠনমূলক দৃষ্টিভঙ্গীৰে

চিন্তা-চৰ্চা কৰি মহাবিদ্যালয়খনিৰ উন্নতিৰ হকে কাম কৰা প্ৰয়োজন।

**শলাগৰ শৰাই :**

শলাগৰ শৰাই প্ৰথমতে আগবঢ়াইছো সন্মানীয় অধ্যক্ষ ড° প্ৰফুল্ল কুমাৰ ভূঞাদেৱ, উপাধ্যক্ষা শ্ৰীযুক্তা স্বৰ্ণলতা গগৈ, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰফিক হুচেইন, ডিগবৈ বিবেকানন্দ উচ্চতৰ মাধ্যমিক মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত দ্ৰোণ কান্ত বৰুৱাদেৱ প্ৰমুখ্যে শিক্ষক উপদেষ্টাসকললৈ। এই-সকল অধ্যাপকে মহাবিদ্যালয়ৰ কাম-কাজ কৰি যাওঁতে বহু মূল্যবান সময় খৰচ কৰি লগত থাকি দিহা-পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

প্ৰতিবেদনৰ সামৰণিত মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো সেইসকল বন্ধু-বান্ধৱীলৈ, যিসকলে মোক বিভিন্ন সময়ত সহায় সহযোগ, দিহা-পৰামৰ্শ আগবঢ়াইছিল।

শেষত পুনৰবাৰ ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু নমস্কাৰ জনাই অজ্ঞানিতে বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো। এই মহাবিদ্যালয়খনিৰ তৰ্ক আৰু আলোচনা বিভাগৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলো।

জয়তু ডিগবৈ মহাবিদ্যালয়।
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।
জয়তু সদৌ অসম ছাত্ৰ সন্থা।

বিনীত,
হীমেন গগৈ
তৰ্ক আৰু আলোচনা সম্পাদক

**● সাংস্কৃতিক সম্পাদক :**

জয়জয়তে ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় শিক্ষা-গুৰুসকললৈ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো লগতে ১৯৮৭-৮৮চনৰ চলিত বছৰৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰাৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ এই প্ৰতিবেদনৰ দ্বাৰাই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এই বিভাগৰ দায়িত্বত থকা বিভিন্ন কাম-কাজসমূহ সুকলমে চলাই যাবলৈ পাৰ্যমানে চেষ্টা কৰা হৈছিল। কিন্তু মই মোৰ নিজৰ দায়িত্ব সুচাৰুৰূপে পালনত কিমান দূৰ সফল হৈছিলো তাক বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ।

যাহওঁক, প্ৰতিবছৰৰ দৰে এইবাৰো মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। "মহাবিদ্যালয় সপ্তাহ"ত যিসকল প্ৰতিযোগীয়ে কৃতিত্ব অৰ্জন কৰিছিল সেইসকলৰ নাম তলত দিয়া হ'ল :—

একাংকিকা নাটক :—
শ্ৰেষ্ঠ দল :- স্নাতক ১ম বাৰ্ষিক (কলা)
নাটক—"পূৰ্বাভাস"
শ্ৰেষ্ঠ অভিনেতা :- পংকজ গোস্বামী
২য় „ অভিনেতা :- নয়নজ্যোতি বৰুৱা
শ্ৰেষ্ঠ অভিনেত্ৰী :- প্ৰাঞ্জলি বৰগোহাঁই
২য় „ „ :- বিউটী বৰুৱা
শ্ৰেষ্ঠ পৰিচালক :- পূৰ্ণ কোঁৱৰ

একক অভিনয় :—
প্ৰথম — দিপু বৰগোহাঁই
২য় — ৰুনু বৰগোহাঁই
গৌতম দৰ্জি ভূটীয়া
৩য় — হেমন্ত শৰ্মা

অসমীয়া কবিতা আবৃত্তি :—
১ম — পৰাগ জ্যোতি বৰগোহাঁই
২য় — বিউটী বৰুৱা
৩য় — প্ৰণতি বৰুৱা

ইংৰাজী কবিতা আবৃত্তি :—
১ম — নৱনিতা দত্ত
২য় — নিবেদিতা শইকীয়া
৩য় — ভৰত বৰগোহাঁই

স্বৰচিত কবিতা (অসমীয়া) :—
১ম — বিবেচিত বহল
২য় — ৰণজিত ফুকন
৩য় — মনু বৰগোহাঁই
ৰণজুমণি দাস

স্বৰচিত কবিতা (ইংৰাজী) :—
১ম — শ্যাম কুমাৰ
২য় — মনজিতা বৰপূজাৰী
৩য় — বিবেচিত নহল
উদগনি — অনুপম ফুকন

স্বৰচিত গল্প : —
১ম — বিবেচিত নহল
২য় — দীপেন কুমাৰ বড়া
৩য় — ৰণজিত ফুকন

এইবাৰ ডিগবৈ মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে আয়োজন কৰা শ্ৰেষ্ঠ হাঁহি ৰামৰ সন্মান পায় উৎপল দাসে।

বিভিন্ন কামত নানা ধৰণৰ দিহা-পৰামৰ্শ দি সহায় কৰা মোৰ বিভাগৰ দায়িত্বত থকা অধ্যাপক শ্ৰীযুত এচ, ভাগৱতীৰ লগতে অধ্যাপক বিকাশ বৰুৱা আৰু শ্ৰীযুত পূৰ্ণানন্দ শইকীয়া, শ্ৰীযুক্তা অনু বৰগোহাঁই, শ্ৰীমতী মঞ্জুলা দাস আৰু শেষত মোৰ বন্ধু-বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জনালো ।

সৰ্বশেষত মই ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে আমাৰ ভিন্নসুৰী মন একত্ৰ সুত্ৰত গ্ৰথিত হৈ কঠোৰ প্ৰাচীৰ নেওচি আলোকোজ্বল ভৱিষ্যতৰ সেন্দুৰীয়া আলিৰে আগবাঢ়ি যোৱাৰ আশা ৰাখি মোৰ প্ৰতিবেদন সামৰিলো ।

ধন্যবাদেৰে —

ফুনু বৰগোহাঁই
সম্পাদক, সাংস্কৃতিক বিভাগ

● ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা :

জয়জয়তে ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় শিক্ষা-গুৰুসকললৈ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিছো, লগতে ১৯৮৭-৮৮ চনৰ চলিত বছৰটোৰ বাবে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক "ছাত্ৰী-জিৰণি কোঠাৰ সম্পাদিকা" ৰূপে নিৰ্বাচিত কৰাৰ বাবে এই প্ৰতিবেদনৰ দ্বাৰাই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো ।

এই বিভাগৰ দায়িত্বত থকা বিভিন্ন কাম-কাজ সমূহ সুকলমে চলাই যাবলৈ পাৰ্যমানে চেষ্টা কৰিছিলো। কিন্তু মই মোৰ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাত কিমান দূৰ সফল হৈছিলো তাৰ বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ ।

মোৰ এই কাৰ্যভাৰ আৰম্ভ হয় আমাৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহেৰে । ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই কেৰম, চাইনিজ চেকাৰ আৰু চিলাই যথাক্ৰমে হাতৰ আৰু মেচিনৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো । প্ৰতিযোগিতাসমূহৰ বিজয়ী প্ৰতিযোগীসকলৰ নাম উল্লেখ কৰা হ'ল —

কেমৰ প্ৰতিযোগিতা (একক) : —
চেম্পিয়ন — খামবিতন সিংহ
ৰাণাৰ্চ আপ — ৰেখা বৰদলৈ
উদ্‌গনিমূলক বঁটা — মনিদীপা কোঁৱৰ
পাৰ্মিতা বৰা

চাইনিজ চেকাৰ প্ৰতিযোগিতা : —
চেম্পিয়ন — ৰেখা বৰদলৈ
ৰাণাৰ্চ আপ — খামবিতন সিংহ
উদ্‌গনিমূলক বঁটা — মণিদীপা কোঁৱৰ
অনুৰাধা খৈতান

হাতে কৰা চিলাই প্ৰতিযোগিতা : —
প্ৰথম — প্ৰণতি বৰুৱা
দ্বিতীয় — ৰঞ্জিতা বৰপূজাৰী
তৃতীয় — নিয়ৰমণি দত্ত
বন্তি গগৈ

মেচিনেৰে কৰা চিলাই প্ৰতিযোগিতা : —
প্ৰথম — ফাৰহানআৰা বেগম
দ্বিতীয় — ৰেখা বৰদলৈ
তৃতীয় — মঞ্জিতা বৰপূজাৰী, প্ৰণতি বৰুৱা

প্ৰতিযোগিতাসমূহ সুকলমে পৰিসমাপ্তি ঘটাৰ পাছত এতিয়া মোৰ বক্তব্য দাঙি ধৰিছো —

এইবাৰ মোৰ বিভাগৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল। তাৰবাবে প্ৰতিযোগীসকললৈ আন্তৰিক মৰম জ্ঞাপন কৰিছো আৰু কাতৰভাৱে অনুৰোধ কৰিলো যাতে আগন্তুক মহাবিদ্যালয় সপ্তাহত এইবাৰৰ দৰে তেওঁলোকে জিৰণি কোঠাৰ উপৰোক্ত উন্নতমানৰ খেলসমূহত আগ্ৰহেৰে অংশ গ্ৰহণ কৰে।

আমাৰ ছাত্ৰী জিৰণি কোঠাৰ অসুবিধাসমূহৰ কথা আগৰ সম্পাদিকাসকলে উল্লেখ কৰিয়েই আছে। তাৰে ভিতৰত কেইটামান উল্লেখযোগ্য অভাৱ 'ডিগবৈ কলেজ এইড ক্লাব'ৰ যোগেদি দূৰ কৰিবলৈ এই প্ৰতিবেদনৰ যোগেদি পুনৰ দৃষ্টিগোচৰ কৰিলো।

মহাবিদ্যালয়ৰ বিভিন্ন কৰ্মক্ষেত্ৰত প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ যি সক্ৰিয় সহায়-সহযোগ পোৱা গৈছিল তাৰ বাবে সেই সকলোৰে ওচৰত মই চিৰ কৃতজ্ঞ। ব্যক্তিগতভাৱে ইয়াত সকলোৰে নাম প্ৰকাশ কৰিবলৈ অসমৰ্থ, তথাপি মাননীয় ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীমতী মঞ্জুলা দাস বাইদেউলৈ, মাননীয় অনু বাইদেউ আৰু মাননীয় ৰঞ্জুমণি বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত মোৰ অজ্ঞাত ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছো। ডিগবৈ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী মানৱসমাজৰ একো-একোটি মুকুট আৰু উজ্জ্বল জ্যোতিষ্ক হোৱাৰ মানসেৰে প্ৰতিবেদনৰ সামৰণি মাৰিছো।

সদৌ শেষত, ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰিছো।

ছাত্ৰ ঐক্য দীৰ্ঘজীৱী হওঁক !
ডিগবৈ মহাবিদ্যালয় দীৰ্ঘজীৱী হওঁক !
জয় আই অসম।

ধন্যবাদেৰে —

মণিদীপা কোঁৱৰ
ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদিকা

# শুধৰণি

## অসমীয়া শাখা

| পৃষ্ঠা নং | শাৰী | হৈছে | হ'ব লাগে |
|---|---|---|---|
| ২ | ১৩ | পৰিবধিত | পৰিবৰ্ধিত |
| ৩ | ১৮ | দূৰ্বলতা | দুৰ্বলতা |
| ১৯ | ১২ | নূপুৰ | নূপুৰ |
| ২০ | ১২ | সিন্ধুৰ হৈ | সিন্ধুৰ সেই |
| ৪২ | ৬ নং প্ৰশ্ন | Administrative Servicel | Administrative Service |

## ইংৰাজী শাখা

| | | | |
|---|---|---|---|
| A drop of tear | | | |
| 3 | 15 | covers | cover |
| | 17 | Luv | Lure |
| The Mist | | | |
| | 11 | say | says |
| 4 | 24 | worte | wrote |
| 9 | 30 | panished | punished |
| 11 | 24 | bad | bed |

## কৃতজ্ঞতা প্ৰকাশ

তিনিচুকীয়াৰ চিত্ৰশিল্পী শ্ৰীদিগন্ত গগৈ অংকিত স্কেচ্ছকেইটিয়ে আমাৰ আলোচনীৰ কবিতা শিতানৰ সৌন্দৰ্য বঢ়োৱাৰ বাবে শিল্পী গগৈলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ — সম্পাদক

## OUR EX-EDITORS

| | | |
|---|---|---|
| 1. | 1972-73 | Damboru Saikia |
| 2. | 1975-76 | Siva Prasad Talukdar |
| 3. | 1976-77 | Pradip Phukan |
| 4. | 1978-79 | Ajit Kr. Bora |
| 5. | 1980-81 | Ramesh Gogoi |
| 6. | 1981-82 | Rabin Roy |
| 7. | 1982-83 | Narendra Hazarika |
| 8. | 1983-84 | Prabin Momin Rajkhowa |
| 9. | 1984-85 | Arun Paul |
| 10. | 1986-87 | Ranjit Phukan |

**Editor of this issue — Pabitra Kr. Gogoi**

THE ASSAM PAPER INDUSTRY ● BORGURI-786 126 ● TINSUKIA